# নাৰীৰ জীৱনৰ তিনিটা অতি গুৰুত্বপূৰ্ণ সন্ধিক্ষণ

- যদুমনি কলিতা -
*স্নাতক দ্বিতীয় যাণ্মাষিক*

**পু**ৰুষৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দটোৱে হ'ল নাৰী। আনহাতে নাৰীক প্ৰকৃতি ৰূপেও আখ্যা দিয়া হৈছে। মহাপুৰুষীয়া বৈষ্ণৱী ভাষাৰে কোৱা হৈছে যে- 'প্ৰকৃতি পুৰুষ দুয়ো নিয়ন্তা মাধব' অৰ্থাৎ প্ৰকৃতি, পুৰুষৰ উভয়কে মাধৱ অৰ্থাৎ ভগৱন্তই সৃষ্টি কৰিছে, নিয়ন্ত্ৰণ কৰিছে। এই প্ৰকৃতি পুৰুষ উভয়ৰ শাৰীৰিক মিলন কৰ্ষণতহে মানৱ জাতি সৃষ্টি হৈছে আৰু ৰক্ষিত হৈ আছে। অতীজৰ ঋষি-মুনিসকলৰ দিনৰে পৰাই নাৰীক মাতৃ ৰূপে, দেৱীৰূপে আৰু উৰ্বৰা শক্তিৰ অনন্যা সত্তাৰূপে জ্ঞান কৰি অহা হৈছে, মানি অহা হৈছে। গতিকে সমাজত নাৰীৰ বাবে এক সুকীয়া স্থান আৰু মৰ্যাদা আছে। কিন্তু সাম্প্ৰতিক নীতি জ্ঞান পৰিপন্থী একো একোটা অসাংস্কৃতিক পৰিস্থিতিত নাৰী বা তিৰোতাৰ ওপৰত অশালীন, জঘন্য আৰু বৰ্বৰোচিত আচৰণ কৰি অহা হৈছে। নাৰীক মাতৃৰূপে, দেৱীৰূপে সন্মান দি অহা সমাজৰ সাধু-সন্ত, সভ্য শিক্ষিত আৰু নম্ৰ-ভদ্ৰ পুৰুষ সমাজে নাৰীৰ প্ৰতি কৰা এই অবাঞ্চিত আচৰণত চিন্তিত হৈ পৰিছে।

'নাৰী' এই শব্দটো যেন এটা স্পৰ্শকাতৰ শব্দ। অৰ্থাৎ সমাজত নাৰী জীৱনৰ সুৰক্ষাৰ ক্ষেত্ৰত অতি সঘনাই ব্যৱহাৰিক অৰ্থত আহি পৰা এটা প্ৰশ্ন। পৰিয়ালৰ এজন ল'ৰাক যেনেদৰে স্বাধীনতা দিয়া হয় কিন্তু ইয়াৰ বিপৰীতে ছোৱালী বা নাৰীৰ ক্ষেত্ৰত এক বিশেষ সতৰ্কতা বা সাৱধানতা মানি চলা হয়। কাৰণ নাৰী দেহত বা নাৰীৰ জীৱনত বিশেষ কলংকৰ চেকাই জীৱনটো যাতে অতি দুৰ্বিষহ কৰি তুলিব নোৱাৰে তাৰ প্ৰতি সচেতনাৰে গুৰুত্ব দিয়া হয়। নাৰী জীৱনৰ প্ৰতি মুহূৰ্ততেই এক শংকা বা সংশায়াত্মক ভাৱাবেগ স্বাভাৱিকতে থাকে। আপোন জীৱনৰ নিৰাপত্তাক লৈ, স্থায়ী আশ্ৰয় বা স্থিৰতাক লৈ আৰু স্বকীয়ভাৱে ভৱা-চিন্তা কৰা একোটা অনুকুল পৰিৱেশ অৰ্থাৎ স্বতন্ত্ৰতাক লৈ সদা জিজ্ঞাসু নাৰী মনে যদিহে এনেধৰণৰ স্বাধীনচেতীয়া একোটা বাতাবৰণ নাপায় তেন্তে নাৰীয়ে ওৰে জীৱন জুৰি নানা প্ৰকাৰৰ অশান্তিত জ্বলি-পুৰি মৰিব লগা হয়। সেই হেতু এই প্ৰসঙ্গত নাৰী জীৱনৰ গুৰুত্বপূৰ্ণ সন্ধিক্ষণৰ কথা আলোচনাৰ বাবে এই নিবন্ধ যুগত কৰা হৈছে।

প্ৰথম কথা, নাৰীৰ জীৱনৰ কিশোৰী বয়সত প্ৰথম ঋতুমতী হোৱা অৰ্থাৎ কইনা কাল পোৱা এই ক্ষণটো অতি স্পৰ্শকাতৰ। কিয়নো নাৰীয়ে এই সময়ছোৱাত নানান দিশত নানান ধৰণেৰে ভাবিবলৈ, কল্পনা কৰিবলৈ শিকে, বহুবোৰ ভাল কথা বতৰাৰ লগতে বেয়া অৰ্থাৎ হিতৰ পৰিপন্থী চিন্তা ভাৱনাও মনলৈ আহে নিশ্চয়। গতিকে এনেহেন পৰত ঘৰৰ অভিভাৱক আৰু বিশেষকৈ মাতৃগাৰকী নিৰক্ষৰ হলেও আপোন জীৱনৰ এইটো স্তৰৰ কথা সুঁৱৰিয়েই কিশোৰীহঁতৰ ওপৰত সততে সুক্ষ্ম দৃষ্টি ৰখাৰ লগতে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰো প্ৰয়োজন আহি পৰে। বিশেষকৈ এইটো স্তৰত বা এনে সন্ধিক্ষণত কিশোৰীসকল নৈতিকতাৰ বান্ধোন নামানি বা নিচিনি আবেগৰ বশবৰ্তী হৈ অন্ধ বাটেও যাব পাৰে। গতিকে নাৰী জীৱনৰ এই পৰত কিশোৰীহঁতক যিমান পাৰি নৈতিক, আধ্যাত্মিক আদি শিক্ষাজ্ঞান দিবলৈ পৰাপক্ষত যত্ন কৰা উচিত। কেতিয়াবা আকৌ কিবা কাৰণত কিছুমান কিশোৰী নাৰীত্ব প্ৰাপ্ত নোহোৱাকৈও থাকি যায়।

কিবা দোষ থাকিলেও এনে অৱস্থা প্ৰাপ্ত হয় বুলি বহুলোকে বিশ্বাস কৰে, ডাক্তৰ কবিৰাজ অথবা বেজ-জ্ঞানী আদিৰ কাষ চাপি দোষৰ খণ্ডন কৰিবলৈকে নানা প্ৰকাৰে আগবাঢ়ে। কোনোৱে সফলতাৰ মুখ দেখে আৰু কোনোৱে আকৌ গোটেই জীৱনজুৰি হা-হুমুনিয়াহ কাঢ়িবলগীয়া হয়। কইনাকালৰ এই সময়ছোৱাত প্ৰায়বোৰ মানুহেই জ্যোতিষীৰ কাষ চাপি ভাল-বেয়া, শুভ-অশুভ আদিৰ গণনা কাৰ্য কৰোৱাই সকলো প্ৰকাৰৰ সমস্যা নিৰাময় বাবে জ্যোতিষীৰ বিধান মানি

কাৰ্য সম্পাদন কৰে। মানুহে বিশ্বাস কৰে যে ছোৱালী বা নাৰী জীৱনৰ এই কইনা কালৰ কিবা যদি দোষ থাকি যায় তেনেহ'লে ইয়াৰ কুফল পাছৰ কালৰ যিকোনো সময়তে ভোগ কৰিব লগা হ'ব পাৰে। গতিকে নাৰী জীৱনৰ এই সন্ধিক্ষণত জ্যোতিষীৰ বিধি মতে দান, ব্ৰত ভোজন আদি প্ৰতিটো দিশৰ প্ৰতি অতি সতৰ্কতা অৱলম্বন কৰা হয়।

দ্বিতীয় সন্ধিক্ষণ হৈছে পাত্ৰ বাছনি, বিবাহ আৰু বিবাহৰ পাছত মাতৃত্বৰ গৌৰৱ। নাৰীয়ে ওৰে জীৱনৰ বাবে পাত্ৰ নিজেই বিচাৰি লওক কিম্বা ঘৰৰ আত্মীয় স্বজন বন্ধুবৰ্গ বা শুভাকাংক্ষী লোকৰ জৰিয়তেই হওক পাত্ৰজনৰ পৌৰুষত্ব, সুপুৰুষৰ গুণাগুণ আদিৰ কথাই নাৰীক সততে ভাবোদ্দীপক তথা সন্দিগ্ধতাত পেলায়। এগৰাকী যুৱতী নতুন বা অচিন এঘৰলৈ বোৱাৰী হৈ যোৱাটোৱেই হৈছে নাৰী জীৱনৰ এটি আচহুৱা পৰিঘটনা। বোৱাৰী এগৰাকীৰ নতুন এখন ঘৰত অনুশাসন বা স্বাধীনতা কেনে হ'ব পাৰে অথবা মৰম প্ৰীতি আদৰ-সাদৰ আদিৰ স্থান কেনে পৰ্যায়ৰ হ'ব পাৰে এয়া নাৰী জীৱনৰ একোটা স্বাভাৱিক উদ্বিগ্নতা। অন্যহাতেদি এগৰাকী ন-বোৱাৰী নতুন সংসাৰখনত মাতৃ হোৱাৰ গৌৰৱ অৰ্জন কৰিব পাৰিব নে নোৱাৰে আৰু যদিহে মাতৃত্বৰ পৰা বঞ্চিত প্ৰায় অৱস্থা হ'বলগীয়া হয় তেনেহ'লে নাৰী জীৱনটোৱে কোন ফালে গতি ল'ব এইবোৰ অত্যন্ত উত্তৰবিহীন প্ৰশ্ন হৈ ৰ'ব। নতুন একোখন ঘৰত ন-বোৱাৰী একো গৰাকীৰ মনত প্ৰথম অৱস্থাত নানান ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া হোৱাটো স্বাভাৱিক কথা। ঘৰখনলৈ বোৱাৰী কৰি নিয়াৰ পাছত স্বাভাৱিকতে ল'ৰাৰ মাক-দেউতাক সকলোৱে বোৱাৰীৰ কোলাত এটি দেৱশিশু বৰ আশা কৰে। কিবা কাৰণত সময়তকৈ সংসাৰ বৃদ্ধি পলম হ'লে তেওঁলোকে মনত বৰ দুখ পায় আৰু যদি একেবাৰে বোৱাৰী গৰাকী সন্তান উৎপাদন কৰিবলৈ অক্ষম বুলিয়েই জানিবলৈ পায় তেন্তে ইয়ে নতুন সংসাৰখনৰ এটা সংঘাতৰ কাৰণ হৈ পৰে। এই সংঘাতেই নাৰী গৰাকীৰ জীৱন স্বাভাৱিকতে বিপদাপন্ন কৰি তোলে। নাৰী পুৰুষ উভয়ৰ মাজত প্ৰেমানুভূতিৰ দৃঢ়তা থাকিলে বা সহজভাৱে বুজাপৰা থাকিলে বাৰু যিকোনো প্ৰকাৰে সংসাৰখন চলি যায়, কিন্তু এয়াও যদি নাথাকে বা পৰিয়ালৰ লোকে নানা প্ৰকাৰে মন ভাঙিবলৈ যত্ন কৰি থাকে তেন্তে সংসাৰখন একেবাৰে বিষময় হৈ পৰে। বহু সময়ত স্বামী-স্ত্ৰীৰ বিবাহ বিচ্ছেদ পৰিস্থিতিৰো সৃষ্টি হ'ব পাৰে।

নাৰী জীৱনৰ তৃতীয় সন্ধিক্ষণটো হৈছে পুৰুষৰ স্বভাৱ বা পৰিয়াল পৰিজনৰ মানসিকতা যদি অসাংস্কৃতিক হয়, বোৱাৰী গৰাকীক যদিহে সদায় পৰৰ ঘৰৰ জীয়ৰী বুলিয়েই ভাৱি থাকে তেনেহলেও নাৰীয়ে সদায় মনোকষ্টত দিন অতিবাহিত কৰিব লগা হয়। পুৰুষজন যদিহে মদাহী, জুৱাৰী, লম্পট, অসাধু আৰু অবিবেচক প্ৰকৃতিৰ হয় তেন্তে সেইখন ঘৰত নাৰীৰ নিৰাপত্তা মুঠেই আশা কৰিব নোৱাৰি। নিজৰ সতি-সন্ততিৰে একোখন পূৰ্ণাংগ সংসাৰ হলেও তেনে সংসাৰ কাহানিও সুখৰ নহয়। ল'ৰা-ছোৱালীৰ ভোৰণ-পোষণ, শিক্ষা-দীক্ষা আৰু ভৱিষ্যতৰ চিন্তা পৰিকল্পনা আদিৰ ক্ষেত্ৰত প্ৰতি মুহূৰ্ততে নাৰী গৰাকীয়ে নানা বিষয়ত অস্থিৰ, উদ্বিগ্নতাত ভুগিব লগা অৱস্থা হয়। পুৰুষবোৰ অদুৰদৰ্শী মনোভাৱৰ হ'লে, যৌতুকৰ নামত নানা ধৰণৰ হেঁচা আৰু হাৰাশাস্তি ভোগাই থাকিলে নাৰীয়ে বহু সময়ত কিংকৰ্তব্যবিমূঢ় আদিত পৰিব লগা হৈ কেতিয়াবা অবাঞ্চিত ভয়ানক কাৰ্য কৰি পেলাবলগীয়া হয়। এনেবোৰ আসামাজিক আৰু অমানৱীয় কাৰ্য প্ৰণালীৰ জৰিয়তে স্বামী বা স্বামী ঘৰে বহু সময়ত নাৰী নিৰ্যাতন, নাৰী হত্যা পৰ্যন্ত অপকাৰ্য কৰি গোটেই পৰিয়ালটোৱেই বিপৰ্যয়ৰ লথত আগবঢ়া ঘটনাও আজিৰ দিনত সঘনাই ঘটা দেখা পোৱা গৈছে। অন্যহাতেদি এনেবোৰ সমাজ পৰিপন্থী কামৰ তাড়নাত পৰি অনেকে আকৌ বিবাহ বিচ্ছেদ চুক্তি নামাত স্বাক্ষৰ কৰি পাৰস্পৰিকভাৱে আঁতৰ হৈ যোৱাৰ বহু উদাহৰণ সমাজত আছে। □□□

# প্ৰকৃতি, মাতৃ আৰু আমি

- হোমেন চন্দ্ৰ বড়ো -
*প্ৰাক্তন ছাত্ৰ*

*"মেলিলো প্ৰথম চকু তোমাৰ কোলাতেই আই*
*জনমৰ আদিম পুৱাত*
*মুদিম আকৌ চকু তোমাৰ কোলাতে শুই*
*জীৱনৰ শেষ সন্ধিয়াত।"*

কবি পদ্মশ্ৰী নলিনী বালা দেৱীয়ে উল্লেখিত কবিতাফাঁকি প্ৰকৃতিৰ সম্ভাৰক লৈ ৰচনা কৰা। কবিয়ে নিজৰ দৈহিক জীৱন প্ৰকৃতি জগতৰ লগত বিলীন কৰি দিবলৈ যি কল্পচিত্ৰৰ বৰ্ণনা কৰিছে সেইভাৱতে ভাৱ মিহলাই আমি কব পাৰো যে যদিও মানৱ জাতি নাৰীৰ গৰ্ভত জন্ম লাভ কৰিছে প্ৰকৃততে আমি সকলোৱেই প্ৰকৃতিৰ কোলাত জলবায়ু সেৱন কৰি ডাঙৰ-দীঘল হৈছো। প্ৰকৃতিৰ বিনাশ ঘটা মানেই মানৱ সভ্যতা আৰু জীৱ জগতৰ পৰিসমাপ্তি ঘটা। পলমকৈ হ'লেও মানুহে উপলব্ধি কৰিছে যে গছ থাকিলেহে মানুহ থাকিব। গছেই জীৱন, গছেই হৈছে আমাৰ প্ৰাণ।

মানুহৰ জীৱনত গছৰ প্ৰয়োজনীয়তাৰ কথা কৈ শেষ কৰিব নোৱাৰি। কিয়নো গছ হ'ল নীলকণ্ঠৰ দৰে। নিজে বিষপান কৰি আনক অমৃত দান কৰাজনক নীলকণ্ঠ বোলে। আমি নিশ্বাসত এৰা কাৰ্বনডাই অক্সিজেন গেছ গছে টানি লৈ তাৰ প্ৰতিদানত আমাক জীৱন দায়িনী অম্লজান গেছ ঘূৰাই দিয়ে। গছ মানৱ আৰু জীৱ জগতৰ প্ৰকৃত্ব বন্ধু বাবে প্ৰতি বছৰৰ জুন মাহৰ ৫ তাৰিখটো বিশ্ব পৰিবেশ দিৱস হিচাপে পালন কৰা হয়। প্ৰকৃতিয়ে আমাৰ ভাৰতবৰ্ষখনক পৰ্যাপ্ত পৰিমানৰ প্ৰাকৃতিক সম্পদ দান কৰি থৈ গৈছে। ভাৰতৰ সু-বৃহৎ ভূমিখণ্ডৰ বিভিন্ন জলবায়ু আৰু ভৌগোলিক অৱস্থানে বিভিন্ন ধৰণৰ আকৰ্ষণীয় বনাঞ্চলৰ সৃষ্টি কৰিছে। শুকান কাইটিয়া বনাঞ্চলৰ পৰা আৰম্ভ কৰি চিৰ সেউজীয়া বনাঞ্চল এই ভাৰতবৰ্ষত বিস্তৃত হৈ আছে। তদুপৰি ভাৰতৰ পৰ্বতমালাৰ কাষে কাষে পাইন বা সৰল গছৰ বনাঞ্চলে প্ৰাকৃতিক শোভা বৃদ্ধি কৰিছে।

ভাৰতৰ আদিম অধিবাসী সকলে গছ-গছনিক মঠ-মন্দিৰৰ দৰেই পবিত্ৰ বুলি গন্য কৰিছিল। সেয়েহে এজোপা গছ কটাৰ বিনিময়ত পাঁচজোপা গছ পুলি ৰোপন কৰিলেহে সেই অপৰাধ বা পাপ খণ্ডন হয় বুলি বিশ্বাস কৰিছিল। তদুপৰি গছ-গছনিৰ পৰা আমি খাদ্য, ঘৰ সজাৰ সাজ-সঁজুলি, ৰন্ধা-বঢ়াৰ বাবে খৰি, সাৰ, ঔষধ আৰু শিল্প উদ্যোগৰ কেঁচামাল পাওঁ। আটাইতকৈ ডাঙৰ কথা হ'ল বনাঞ্চল জীৱ-জন্তুৰ আশ্ৰয়ৰ বাবে, মাটি সংৰক্ষণৰ বাবে আৰু পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষাৰ বাবে অতি প্ৰয়োজন।

এসময়ত ভাৰতবৰ্ষত প্ৰায় ৫০ শতাংশ হাবি আছিল। বৰ্তমান সেই অনুপাত মাত্ৰ ২৯ শতাংশহে। মানুহৰ সু-স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় বতাহ পাবলৈ ভূ-পৃষ্ঠত ৩৩ শতাংশ বনাঞ্চলৰ প্ৰয়োজন। এচিয়াত সেই অনুপাত মাত্ৰ ১৯ শতাংশহে। ভাৰতত চৰকাৰী হিচাপত সেই অনুপাত ২২ শতাংশ। বৰ্তমানৰ প্ৰতিকূল পৰিবেশে মানুহৰ জীৱন শঙ্কাকুল কৰি তুলিছে। বৃহৎ উদ্যোগসমূহৰ ধোঁৱা-ছাই আৰু গেছে পৰিবেশ অধিক বিযাক্ত কৰি বায়ুমণ্ডল দুষিত কৰিছে। অক্সিজেন গেছ আমাৰ জীয়াই থকাৰ এটা প্ৰধান উপাদান। অক্সিজেন গেছ নহ'লে আমাৰ মৃত্যু অনিবাৰ্য্য। কিন্তু আমাৰ পৃথিৱীখনত অক্সিজেনৰ পৰিমান দিনক দিনে কমি আহিছে আৰু কাৰ্বনডাই অক্সিজেনৰ পৰিমান বাঢ়ি আহিছে। যান্ত্ৰিক যুগত জীৱ জগতৰ জীৱন স্বৰূপ অক্সিজেন ভাগ যন্ত্ৰবোৰে ৰাক্ষসৰ দৰে ভক্ষণ কৰিছে। এজন মানুহে এবছৰত যিমান অক্সিজেন গ্ৰহণ কৰে সিমান পৰিমানৰ অক্সিজেন গেছ এখন মটৰ গাড়ী ৬০০ মাইল বাট যাওঁতেই

ধ্বংস কৰে। বৰ্তমান পৃথিৱীত প্ৰায় ২০ কৌটিৰো অধিক মটৰ গাড়ী আছে। ২০ কৌটিখন মটৰ গাড়ীয়ে কিমান পৰিমানৰ অক্সিজেন গেছ ভক্ষণ কৰিছে সেইটো সহজেই অনুমেয়। এখন জেঠ উৰাজাহাজ আটলাণ্টিক মহাসাগৰতৰ ইপাৰৰ পৰা সিপাৰলৈ উৰি যাওঁতে প্ৰায় ৩৫ টন অক্সিজেন গেছ দাহন কৰে। ইয়াৰ উপৰিও পৃথিৱীত লাখ লাখ উৰাজাহাজ, জাহাজ আৰু যন্ত্ৰ আদি আছে যি অক্সিজেন নহ'লে চলিব নোৱাৰে। আনপিনে কাৰ্বনডাই অক্সাইড গ্ৰহণ কৰি অক্সিজেন গেছ তৈয়াৰ কৰা উদ্ভিদৰ সংখ্যা পৃথিৱীত দিনে দিনে কমি আহিছে। কাৰণ মানুহে যান্ত্ৰিক সভ্যতা বিস্তাৰ কৰিবলৈ যাওঁতে নিদাৰুণ ভাৱে গছ-গছনিবোৰ কাটি খাস্তাং কৰিছে আৰু হাবিবোৰ ধ্বংস কৰি পেলাইছে! এয়া প্ৰকৃতিৰ ওপৰত মানুহৰ নিৰ্মম অত্যাচাৰ। এই অত্যাচাৰ চলি থাকিলে হয়তো পৃথিৱীখন এটা সময়ত জীৱ-জন্তুৰ বাসস্থান হৈ নাথাকিব আৰু প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাটো কষ্টকৰ হ'ব।

বৰ্তমান পৃথিৱীৰ মুঠ জনসংখ্যা প্ৰায় ৪০০ কৌটিৰো অধিক। যীচুখ্ৰীষ্টৰ জন্মৰ সময়ত পৃথিৱীৰ মুঠ জনসংখ্যা আছিল প্ৰায় ২৫ কৌটি। এই ভয়াবহ জনসংখ্যা বৃদ্ধিয়ে প্ৰতি মুহূৰ্ততেই আমাক সোঁৱৰাই দিয়ে যে জনসংখ্যাৰ হেঁচাত আমি বিতত। গতিকে অহা ২০০১ চনত বৰ্তমানৰ জনসংখ্যা দুগুণ বৃদ্ধি হ'লে পৃথিৱীত যে কি এটা অৱস্থাৰ সৃষ্টি হ'ব তাক কল্পনা কৰাই টান। সহজ ভাষাত কবলৈ গ'লে বৃদ্ধিত জনসংখ্যা আৰু উন্নত সা-সৰমঞ্জামেৰে মানুহে প্ৰকৃতিক সহজেই কুৰি শতিকাত ধ্বংস কৰিব পাৰিব আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ড যুদ্ধ প্ৰাকৃতিক পৰাজয় কৰি মানুহ পাহৰি গৈছে যে প্ৰকৃতিৰ পৰাজয়েই মানুহৰ পৰাজয় আৰু প্ৰকৃতিৰেই এটা ক্ষুদ্ৰ অংশ মাথোন। মানুহৰ উৎপত্তি, স্থিতি আৰু ধ্বংস নিৰ্ভৰ কৰে প্ৰকৃতি আৰু মানুহৰ সহোযোগিতাৰ ওপৰত, পাৰস্পৰিক সংঘৰ্ষৰ ওপৰত নহয়। মানুহ যিমানেই নিজক জীৱশ্ৰেষ্ঠ বুলি নাভাৱক, জীৱন চক্ৰৰ দুই এটা ঘাত প্ৰকৃতিক ধ্বংস কৰি দি মানুহে জীয়াই থাকিব নোৱাৰে। যেতিয়া পৃথিৱীৰ সকলো দেশৰ মানুহৰ উৰ্বৰ মস্তিষ্কই উলিয়াই সজাগ হোৱাৰ শুভ লক্ষণ পৰিলক্ষিত হ'ব তেতিয়াহে জীৱ-জগতৰ পৃথিৱীখন বাচি থাকিব পাৰিব। প্ৰকৃতি বিনাশ ঘটা মানেই মানৱ সভ্যতাৰ পৰিসমাপ্তি ঘটা। প্ৰকৃতিৰ কোলাতেই আমি জন্মলাভ কৰিছো আৰু প্ৰকৃতিৰ কোলাতেই আমি ডাঙৰ-দীঘল হৈছো। গতিকে প্ৰকৃতাৰ্থত কবলৈ গ'লে প্ৰকৃতিয়ে আমাৰ প্ৰকৃত মাতৃ। প্ৰকৃতিৰ ৰূপত বিভোৰ হৈ আৰু প্ৰকৃতিৰ পৰা সমল লৈ এই পৃথিৱীত বিশ্ববিখ্যাত কবি, সাহিত্যিক, দাৰ্শনিক, পণ্ডিত, শিল্পী, বিজ্ঞানী আদিৰ সৃষ্টি হৈছে।

❑❑❑

# সমাজত নাৰীৰ স্থান

- জোনাকী ৰাভা -
*স্নাতক প্ৰথম ষাণ্মাষিক*

পৃথিৱী সৃষ্টিৰ বহু হেজাৰ বছৰৰ পিছত হেনো মানৱ জাতিৰ সৃষ্টি হৈছিল। মানুহ হ'ল প্ৰকৃতিৰ শ্ৰেষ্ঠ জীৱ। সেয়ে জীৱ শ্ৰেষ্ঠ মানৱ বুলি কোৱা হয়। মানৱ বুলি কোৱাৰ লগে লগে পুৰুষ-নাৰী উভয়কে বুজায়। পুৰুষ আৰু প্ৰকৃতিৰ পূৰ্ণ সহযোগত মানৱ জাতিৰ সৃষ্টি হৈছিল। অৰ্থাৎ প্ৰকৃতি হ'ল নাৰী। নাৰী সহনশীলা, ধৈৰ্যশীলা আৰু মহিমাময়ী। নাৰীৰ মহিমা অপাৰ। সেইবাবে অতি প্ৰাচীন কালৰ পৰা আমাৰ সমাজত এটা প্ৰবচন চলি আহিছে যে নাৰীৰ মহিমা হেনো স্বয়ং দেৱতায়ো বুজি নাপায়। কুৰুক্ষেত্ৰ যুদ্ধত যুধিষ্ঠিৰে কৰ্ণক বধ কৰাৰ সময়ত মাতৃ কুন্তিয়ে কান্দিছিল। তেতিয়া যুধিষ্ঠিৰে মাকক সুধিছিল - 'শত্ৰুক বধ কৰাৰ বাবে তুমি এইদৰে কিয় কান্দিছা।' তেতিয়া কুন্তিয়ে কৈছিল যে কৰ্ণ যুধিষ্ঠিৰৰ ভাতৃ। বিয়াৰ আগতে কুন্তিয়ে কৰ্ণক জন্ম দিছিল। লোকনিন্দাৰ ভয়ত কুন্তিয়ে এই কথা গোপন কৰি ৰাখিছিল। আপোন পুত্ৰ কৰ্ণৰ মৃত্যুক কুন্তিয়ে সহজভাৱে লব পৰা নাছিল। সেইবাবে কুন্তিয়ে কান্দিছিল। এই কথাত যুধিষ্ঠিৰৰ ভীষণ খং উঠিছিল। আৰু সমগ্ৰ নাৰী জাতিক অভিশাপ দি কৈছিল যে নাৰীৰ মনত কোনো কথা গোপন হৈ নাথাকিব।

পুৰুষ আৰু নাৰী সকলো ঈশ্বৰৰ সৃষ্টি। তথাপি সকলো সময়তে পুৰুষ প্ৰধান সমাজে নাৰীক ৰহস্যময়ী আখ্যা দিয়ে কিয়? কেৱল নাৰী জাতিকে অৱলা, দুৰ্বলা, চলনাময়ী বুলি আখ্যা দি নাৰী সত্তাক অৱমাননা কৰা নাইনে? আনহাতে যি গৰাকী নাৰীক সু-গৃহিনী, লখিমী বুলি আদৰি লোৱা হয়, সেই একে গৰাকী নাৰীক অৱলা, দুৰ্বলা আখ্যা দিয়া হয়। যি গৰাকী নাৰীয়ে ঘৰ-সুচাৰুৰূপে ধৰি ৰাখে, সেই গৰাকী নাৰীক অৱলা, দুৰ্বল কিহৰ কাৰণে আখ্যা দিয়া হয়?

আদিম কালত মানুহ প্ৰকৃতিৰ বুকুত লালিত-পালিত হৈছিল। সেই সময়ত মানুহে উদং দেহ গছৰ পাতেৰে ঢাকি লজ্জা নিবাৰণ কৰিছিল। লাজে মানুহৰ কিছু পৰিৱৰ্তন আনিলে। পুৰুষ-মহিলা সকলোৱে সাজ-পাৰ পৰিধান কৰিবলৈ শিকিলে। যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহে খাদ্য সিজাই খাবলৈ শিকিলে। আৰু ঘৰ সাজি স্থায়ী বসবাস কৰিবলৈ ধৰিলে। ইয়াৰ লগে লগে মানুহৰ বিচাৰ-বিবেচনা, চিন্তা-ভাৱনা আদি মানৱীয় অনুভূতিৰ বিকাশ হ'বলৈ ধৰিলে। আৰু ঈশ্বৰ সৃষ্ট মানুহ হৈ পৰিল জীৱ শ্ৰেষ্ঠ। কিন্তু সৃষ্টি পাতনিৰ পৰাই নাৰী সকলো সময়তে পুৰুষতকৈ পিছপৰি ৰল। নাৰীক সকলো সময়তে তেওঁলোকৰ দুৰ্বলতাৰ সুযোগ লৈ অৱদমিত কৰিবলৈ চেষ্টা কৰা হ'ল। আদিম কালৰ পৰাই নাৰীক ঘৰুৱা কামৰ উপৰিও সতি-সন্ততি জন্ম দিয়া আৰু প্ৰতিপালনৰ ক্ষেত্ৰত নিয়োগ কৰাৰ প্ৰৱণতা এতিয়াও আমাৰ সমাজত কম-বেছি পৰিমাণে চলি আহিছে। সমাজত ধৰ্মীয় ৰীতি-নীতিৰ প্ৰচলনৰ লগে লগে নাৰীৰ বিৰুদ্ধে নানা কঠোৰ নীতি-নিয়ম আৰোপ কৰা হ'ল। এনে এক কঠোৰ প্ৰথা হ'ল সতী দাহ প্ৰথা। এই প্ৰথা অনুসৰি স্বমীৰ মৃত্যুৰ পিছত ঘৈণীয়েক জনীক স্বামীৰ চিতাত জোৰ-জুলুমকৈ জাপি দিয়া হৈছিল। এই প্ৰথা অনুসৰি স্বামীৰ মৃত্যুৰ পিছত ঘৈণীয়েকৰ প্ৰয়োজনীয়তা নোহোৱা হৈ পৰিছিল। কিন্তু পত্নীৰ মৃত্যুৰ পিছত পুৰুষজনে এগৰাকী চপাই ল'ব পাৰিছিল। এয়া আছিল তেতিয়াৰ সমাজ ব্যৱস্থা।

এনেদৰে কিছুকাল যোৱাৰ পিছত সতীদাহ প্ৰথা উঠি গ'ল। নাৰী সকলৰ মাজত আন এক সমস্যাই দেখা দিলে। স্বামী হেৰুৱা মহিলাসকলে নৰক সদৃশ যন্ত্ৰণা ভোগ কৰিব লগীয়া হৈছিল। সঁচা অৰ্থত নাৰীৰ সুখ-দুখৰ সমভাগী কেৱল

তেওঁৰ স্বামী। শিৰৰ সেন্দুৰ মচি নাৰী বা পত্নী গৰাকীৰ গাত আঁকি দিয়া হয় বিধবাৰ বগা দাগ। আনহাতে বিধৱা মহিলা সকলক অশুভ বুলি গণ্য কৰি সমাজৰ শুভ কাৰ্যৰ পৰা আঁতৰাই ৰখা হয়। এনেদৰে আদিম কালৰ পৰা সমাজত নাৰীক অৱমাননা কৰি অহা হৈছে। নাৰী অবিহনে এখন ঘৰ, এখন সমাজ সম্পূৰ্ণ নহয়। অথচ সেই খন সমাজত নাৰী স্বাধীনভাবে চলিব নোৱাৰে। যিখন সমাজত এগৰাকী নাৰীক সু-গৃহীনী, লখিমী, মাতৃ হিচাপে গণ্য কৰা হয়, সেইখন সমাজত নাৰী নিৰ্যাতন, হত্যা, লুণ্ঠন আদি চলি আহিছে। এটি ছোৱালী শিশু জন্মৰ পিছৰে পৰাই তেওঁ কেতিয়াও স্বাধীনভাৱে এই পৃথিৱীত জীৱন অতিবাহিত কৰিব নোৱাৰে। জন্মৰ পিছৰ পৰাই মাক-বাপেকৰ অধীনত ডাঙৰ-দীঘল হয় আৰু বিবাহৰ পিছত তেওঁ স্বামীৰ অধীনত। কিন্তু এই সমাজত এগৰাকী নাৰী তেওঁৰ পাব লগা অধিকাৰ পোৱাটো আৱশ্যক নহয় নেকি?

গতিকে কেনেকুৱা পৰিৱৰ্তনে নাৰী সমাজক উন্নতিৰ পথত আগুৱাই লৈ যাব এয়া এক চিন্তনীয় বিষয় হৈ পৰিছে।

□□□

# অসমীয়া সংস্কৃতিত তামোল-পাণ

- ববষা ৰাভা -
*স্নাতক চতুৰ্থ ষাণ্মাষিক*

অসমীয়া সংস্কৃতিত তামোল-পাণৰ প্ৰচলন মন কৰিবলগীয়া। অসমীয়া লোক বিশ্বাসতো এই তামোল-পাণে বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। সমাজৰ বিভিন্ন ক্ৰিয়া-কাণ্ড, আচাৰ-অনুষ্ঠান আদিত তামোল-পাণৰ এক বিশেষ গুৰুত্ব আছে। ভোজন বিলাসৰ সামগ্ৰী হিচাপে ব্যৱহাৰ হোৱাৰ উপৰি বিভিন্ন মাংগলিক আচাৰ-অনুষ্ঠানতো তামোল-পাণ বিশেষভাৱে ব্যৱহৃত হয়। সংস্কৃত ভাষাতো 'তাম্বুল' শব্দটিৰ ব্যৱহাৰ আছে। পণ্ডিতসকলৰ মতে এই তামোল-পাণৰ ব্যৱস্থা অসমত আৰ্যসকলৰ পূৰ্বৰ পৰাই আছিল বুলি অনুমান কৰা হয়।

সমাজৰ দায়-জগৰ লগালে তামোল এখন আগুৱাই ক্ষমা খুজিলে সেই ক্ষমা মাৰ্জনীয় হয়। বিভিন্ন আচাৰ-অনুষ্ঠানৰ নিমন্ত্ৰণ কাৰ্যত তামোল এখন আগবঢ়াই দিয়া হয়। মাংগলিক আচাৰ-অনুষ্ঠানৰ অন্যতম উপকৰণ স্বৰূপে দশম শতিকাত ৰচিত কালিকা পুৰাণতেই সৰ্ব প্ৰথম তামোলৰ কথা উল্লেখ আছে। অসমীয়া সমাজত ডেকা-বুঢ়া, পুৰুষ-মহিলা কাৰো ক্ষেত্ৰতে তামোল খোৱাত সামাজিক বাধা নিষেধ নাই। তামোল ৰোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে 'ডাকৰ বচন'ত বিস্তৃতকৈ উল্লেখ আছে। কথাতেই কয় 'আগফাল শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ।'

ডেকা-গাভৰুৰ প্ৰেম নিবেদন আৰু বিবাহৰ ক্ষেত্ৰতো তামোলৰ বৈচিত্ৰ্যপূৰ্ণ ভূমিকা আছে। অসমীয়া বিহুগীততো তামোল-পাণৰ বিশেষ ভূমিকা আছে। যেনে-

"কিনো তামোলখনি দিলা মোৰ মইনা
অতি চেনেহেৰে খালো।
সেইনো তামোলখনি খাবৰে পৰা
তোমাৰ লগত চিনাকি হ'লো।"

বিবাহৰ নিমন্ত্ৰণ কাৰ্যতো তামোল-পাণৰ প্ৰয়োজন। বিয়াৰ বিভিন্ন ক্ৰিয়া কাৰ্যত তামোলৰ ব্যৱহাৰ মন কৰিবলগীয়া। বিয়াৰ কেইদিন দৰা-কইনাই এযোৰ তামোল-পাণ আৰু এখন কটাৰী ৰাখিব লাগে। বিবাহ অনুষ্ঠান শেষ হ'লে দৰা-কইনাই তামোল-কটাৰী সলনা-সলনি কৰে। বিয়াৰ দিনা পুৱা ছোৱালীক শোৱাকোঠাৰ দুৱাৰডলিত পীৰা এখন পাৰি বহুওৱা হয়। কইনাৰ মাক বা আন কোনো সম্বন্ধীয় তিৰোতাই দুখন পাণ লৈ কইনাৰ সন্মুখত আঠুকাঢ়ে আৰু পাণ দুখিলা দৈ, গাখীৰত জুবুৰিয়াই কইনাৰ গাল, বাহু, ভৰিত সানি দিয়ে। আহোমৰ চকলং বিবাহ পদ্ধতিত তামোল-পাণৰ ব্যৱহাৰৰ বিষয়ে অসম বুৰঞ্জীত এনেদৰে উল্লেখ আছে-- পঞ্চামৃত এবাতি আনি মুখলৈ টোৱাই শুঙি পেলাই খৰিকা লৈ, মুখে পানী লৈ, তামোল চোৱাই পেলাই দিব লাগে। কোনো কোনো অঞ্চলত বিবাহৰ সপ্তপদী গমনত দৰা-কইনাই সাত খিলা পাণ গচকাৰ বিধি আছে। আকৌ অসমৰ কিছুমান অঞ্চলত 'পাণ-ছিঙা' প্ৰথাৰে বিবাহ বিচ্ছেদ হয়। তামোল-পাণ অসমৰ বিভিন্ন ঠাইত বহুতো আচাৰ-অনুষ্ঠানৰ লগত জড়িত হৈ আছে। সেইবাবে অসমীয়া সংস্কৃতিৰ লগত তামোল-পাণ বিশেষভাৱে জড়িত হৈ আছে।

তামোল-পাণ অসমৰ গাঁৱলীয়া দৰবৰো অন্যতম দৰকাৰী উপাদান। অসমীয়া নিদান মতে তামোল খালে দেহৰ বিভিন্ন ৰোগ নিৰাময় হয়। আনহাতে, গন্ধ-ম'হৰ বেমাৰত তামোলৰ পিক ব্যৱহাৰ কৰা হয়। তামোল-পাণৰ অলৌকিক শক্তিক বিশ্বাস কৰি ইয়াক মন্ত্ৰশাস্ত্ৰতো ব্যৱহাৰ কৰা হয়।

পুৰণি অসমীয়া সাহিত্যত তামোলৰ লগত সুগন্ধি দ্ৰব্যৰ ব্যৱহাৰৰ কথা উল্লেখ আছে। অসমত সাধাৰণতে পাণত চুন সানি খোৱাহে নিয়ম। তামোল-পাণ কেনেকৈ কাটিব লাগে সেই সম্পৰ্কেও নানা বিধি-বিধান আছে। তামোল-পাণ আগবঢ়োৱা বিশেষ সা-সৰঞ্জামৰ প্ৰচলনো মন কৰিবলগীয়া। এইবোৰৰ ভিতৰত পাণবটা, শৰাই আদি প্ৰধান। আগৰ দিনত এইবিলাক কলাসুলভ দক্ষতাৰে কাৰিকৰে নিৰ্মাণ কৰিছিল। তামোলৰ হাঁচটি, তামোলৰ জোলোঙা, তামোল কটাৰী, খুন্দনা আদি তামোল-পাণ খোৱা কাৰ্যত ব্যৱহাৰ হোৱা অন্যান্য সামগ্ৰী।

নিঃসন্দেহে কব পাৰি যে অসমীয়া সংস্কৃতিৰ লগত তামোল-পাণৰ এক এৰাব নোৱাৰা সম্বন্ধ আছে। আকৌ প্ৰায়বোৰ মানুহৰ ক্ষেত্ৰতো তমোল খোৱাতো এটা অভ্যাসত পৰিণত হোৱা দেখা যায়। সেয়ে পুৰণি কালৰ পৰাই যে অসমীয়া মানুহে নিজৰ সংস্কৃতি বজাই ৰখাত সচেতন তাৰ ইংগিত দিয়ে। ❑❑❑

# অসমৰ সংস্কৃতিলৈ ৰাভা সকলৰ অৱদান

- ঋতুস্মিতা দাস -
স্নাতকোত্তৰ ১ম বৰ্ষ

উত্তৰ পূৱ ভাৰতৰ প্ৰাণকেন্দ্ৰস্বৰূপ অসম আৰু অসমীয়া জাতি সংস্কৃতিৰ সৰহভাগ অধিকাৰ কৰি থকা পাহাৰ ভৈয়ামৰ বড়ো, গাৰো, হাজং, তিয়া, মিচিং, ডিমাচা, দেউৰী, কাৰ্বি, মিজো আদি জনগোষ্ঠীৰ ভিতৰত ৰাভা জনগোষ্ঠী অন্যতম। ৰাভা জনগোষ্ঠীৰ লোকসকলে অসমক নিজৰ গৃহভূমি আৰু অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰিলেও ঘৰুৱা পৰিবেশত স্বকীয় ভাষাৰে কথোপকথন কৰাৰ উপৰিও সুকীয়া ৰীতি-নীতি, আচাৰ-অনুষ্ঠানেৰে জীৱন অতিবাহিত কৰি আহিছে। বিশেষ জনগোষ্ঠী হিচাপে ৰাভাসকলৰ সাংস্কৃতিক জীৱন অতিশয় বৈচিত্ৰপূৰ্ণ।

ৰাভাসকলে অসমৰ জলবায়ু প্ৰাকৃতিক পৰিবেশ আদিৰ সৈতে খাপ খাই অহা সত্ত্বেও শাৰীৰিক আৰু সাংস্কৃতিক দিশত মূল মাংগোলীয় সংস্কৃতিৰ পৰা পৃথক হোৱা নাই। সেয়েহে অসম আৰু ইয়াৰ চুবুৰীয়া ৰাজ্য অৰুণাচল, মেঘালয়, মণিপুৰ, ত্ৰিপুৰা আৰু মিজোৰাম আদি ৰাজ্যত বসবাস কৰা মংগোলীয় জনগোষ্ঠীৰ মাজত প্ৰচলিত কেতবোৰ উমৈহতীয়া সাংস্কৃতিক বৈচিত্ৰ যেনে- ঘৰবন্ধা সঁজুলিত কাঠ, বাঁহ, বেত আৰু খেৰৰ ব্যৱহাৰ, খোৱা খাদ্যত শুকান মাছ, বাঁহৰ গাজ আৰু খৰিচাৰ ব্যৱহাৰ, তামোল-পানৰ ব্যৱহাৰ, কুকুৰা, গাহৰি পালন আৰু খাদ্য হিচাপে গ্ৰহণ আৰু কেতবোৰ পূজা উৎসৱত কেঁচা তেজৰ উপাচাৰ প্ৰদান, বিবাহত কন্যাৰ গাধন লোৱাৰ ব্যৱস্থা, জাতি-বৰ্ণ ভেদহীনতা উৎসৱ অনুষ্ঠানত নৃত্য-গীতৰ পয়োভৰ, বোৱা-কটা আৰু অন্যান্য ঘৰুৱা কামত মহিলাৰ পাৰদৰ্শিতা ইত্যাদি সকলো বৈশিষ্ট্য ৰাভা সমাজত বিদ্যমান।

**ৰাভা সকলৰ অৱদান ঃ** কৃষিজীৱি ৰাভা লোক সকলে কৃষি কৰ্মৰ আৰম্ভণি, কৰ্মৰত অৱস্থা আৰু ফচল সংগ্ৰহৰ অন্তত খেতি পথাৰৰ আগন্তুক শষ্যক পোক-পৰুৱা আদিৰ পৰা নিস্কৃতি দি ৰাখিবলৈ পোহনীয়া জন্তুক আপায় অমঙ্গলৰ পৰা আঁতৰাই ৰাখি গাঁওখনক কোনো মহামাৰিৰ পৰা ৰক্ষা কৰি ধনে-জনে নদন-বদন কৰি ৰাখিবলৈ বিভিন্ন ধৰ্মীয় আৰু দেৱ-দেৱীৰ পূজা বৰ্ণাঢ্য নৃত্য গীতেৰে সম্পাদন কৰে। সেয়েহে ধৰ্মীয় লোকবিশ্বাসজনিত পূজা, জন্ম, মৃত্যু, বিবাহৰ সৈতে সংগতি থকা বহুৰঙী আচাৰ অনুষ্ঠান , লোকগীত, লোককথা, লোকবিশ্বাস ইত্যাদিৰে ৰাভা সংস্কৃতিৰ ভঁৰাল ভৰপূৰ। বিশেষকৈ জাতীয় উৎসৱ বায়খোত পৰিবেশন কৰা খোক্‌চি নৃত্য, ছাথাৰ নৃত্য, গীত আদি অসমীয়া সংস্কৃতিলৈ ৰাভা সকলৰ অন্যতম অৱদান। ইয়াৰ উপৰিও শ্ৰাদ্ধ-ক্ৰিয়া অনুষ্ঠান ফাৰকান্তি, খেতিবাতি সম্পৰ্কীয় হাছাং পূজা, মাৰৈ বা বিষহৰি পূজা, তুকুৰা দেও পূজা, গোহালীদেও, পাউৰাদেও আদিৰ দৰে ৰাভা সংস্কৃতিৰ পূজা উৎসৱ সমূহে অসমীয়া সংস্কৃতিক এক অনবদ্য ৰূপ প্ৰদান কৰিছে।

ৰাভাসকলৰ পৰম্পৰাগত সাজপাৰ, বাদ্যযন্ত্ৰ, আ-অলংকাৰ, বয়ন শিল্প, কুটীৰ শিল্পৰ ভিতৰত বাঁহেৰে নিৰ্মিত সা-সামগ্ৰী আদিয়ে অসমৰ সংস্কৃতিত এক উল্লেখনীয় অৱদান আগবঢ়াইছে।

**সাজপাৰ ঃ** ৰাভাসকলৰ পৰম্পৰাগত সাজপাৰ অতি বৈচিত্ৰ্যপূৰ্ণ। জাতীয় সাজপাৰ পৰিধানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। ধৰ্মীয় সামাজিক আদি উৎসৱ অনুষ্ঠানত জাতীয় সাজপাৰ পৰিধান কৰাটো বাধ্যতামূলক। পুৰুষসকলে বহলে ডেৰহাতি আৰু দীঘলে চাৰি বা পাঁচ হাতৰ হাতেৰে বোৱা ৰংবিৰঙৰ গামোচা পৰিধান কৰে। ডিঙিত 'পাজাৰ' অপৰিহাৰ্য্য। ফাৰকান্তি নৃত্যত ব্যৱহৃত ডিঙিৰ পৰা গোৰোৱালৈকে পৰা 'জামা' নামেৰে এবিধ কামিজ আৰু ফালি অইন এক শ্ৰেণীৰ সাজ। তিৰোতা সকলে বুকুৰ পৰা গেৰুৱালৈকে ৰিফান বা লেমা লগতে গাত এখন ফালি মেৰিয়াই লয়। ইয়াৰ উপৰিও অন্যান্য বস্ত্ৰৰ ভিতৰত পাজাৰ, বকচালি, পাসাৰ অলন ইত্যাদি সাজপাৰ পৰিধানে অসমীয়া সাজপাৰক এক বিশেষ বিচিত্ৰতা প্ৰদান কৰি আহিছে।

**আ-অলংকাৰ ঃ** আ-অলংকাৰ পৰিধানৰ ক্ষেত্ৰত ৰাভাসকলৰ বিশেষ গুৰুত্ব আছে। আ-অলংকাৰ বোবৰ ভিতৰত- ৰুবুক, চানা (খাৰু), বাক্ (নপুৰ), বাজুচান, ৰগলা, গুটিমালা, সিকিহাৰ, চন্দ্ৰহাৰ, নাকফুল, নাকপতি, ঢালা, ভৰিখাৰু, ফোফলা খাৰু ইত্যাদি।

**বাদ্য যন্ত্ৰ ঃ** ৰাভাসকল নৃত্য-গীত প্ৰিয় জনগোষ্ঠী বাবে তেওঁলোকৰ জীৱন ধাৰা সংগীত মুখৰ। সেয়েহে বিভিন্ন শ্ৰেণীৰ বাদ্য-যন্ত্ৰ দেৱ-দেৱীৰ অৰ্থে সম্পাদিত পূজা-পাতল, কৃষি সম্বন্ধীয় উৎসৱ-পাৰ্বন মাছ মৰা বা চিকাৰ কাৰ্য্যত, মৃতদেহ শ্মশানলৈ নিয়া বা শোভাযাত্ৰাৰ নৃত্য-গীতত বৈচিত্ৰধৰ্মী বাদ্য যন্ত্ৰৰ ব্যৱহাৰ মন কৰিবলগীয়া। এওঁলোকৰ প্ৰধান চাৰিটা বাদ্য যন্ত্ৰ হ'ল- নলবাঁহৰূপী নলুৱাৰ পৰা তৈয়াৰী কানৈ সুৰৰ 'কাৰা'। তাৰাইবাঁহৰূপী চলুৱাৰ পৰা তৈয়াৰী উদাসৰ সুৰৰ 'ঝাপকাৰা'। কাকইবাঁহৰূপী হুলুংলুঙাৰ পৰা তৈয়াৰী মন গেমোটা কৰা সুৰৰ 'বাদুংদুপ্পা'। বিজুলী বাঁহৰূপী জুলুংলুঙাৰ পৰা তৈয়াৰী মন উতলা কৰা সুৰৰ ব্ৰাংছি (বাঁহী)। নল বাঁহৰ ডালেৰে তৈয়াৰী 'কাঢ়ানল' চাক ইত্যাদি। বাদ্য যন্ত্ৰই অসমীয়া সংস্কৃতিৰ বৰঘৰ অধিক চহকী কৰি তুলিছে।

**বয়ন শিল্প ঃ** বয়ন শিল্পত ৰাভাসকল অতীজৰ পৰা চহকী। অইনৰ সহায় নোলোৱাকৈ স্বাৱলম্বীভাৱে নিজ হাতে পলু পুহি, কঁপাহৰ খেতি কৰি সূতা উলিয়াই কাপোৰ বোৱাৰ পৰম্পৰা অসমীয়া বোৱা-কটা শিল্পলৈ ৰাভাসকলৰ অনবদ্য অবদান। তদুপৰি তচুগছৰ শিপা, নিম গছৰ পাত আৰু জামু গছৰ বাকলি আদি খুন্দি ৰস উলিয়াই সেই ৰসেৰে পচন্দ অনুসৰি সূতাত ৰং প্ৰস্তুত কৰা প্ৰণালী ৰাভা সমাজত অদ্যপি বৰ্তমান। প্ৰাচীন কালৰ একে ৰাতিৰ ভিতৰতে সূতা কাটি পাজি বাটি গুচি শুদ্ধাচাৰেৰে বৈ উলিওৱা কৱচ কাপোৰৰ মাহাত্ম্য ৰাভা সমাজতো সমাদৃত আছিল।

**কুটীৰ শিল্প ঃ** কুটীৰ শিল্পৰ ভিতৰত বাঁহেৰে নিৰ্মিত দৈনন্দিন ব্যৱহাৰ্য্য সা-সামহগ্ৰীৰ অত্যাধিকতা, বাঁহৰ পৰা পোৱা বাঁহ গাজ আৰু খৰিচাৰ জনপ্ৰিয়তা, বাঁহ-বেতৰ কামত বিশেষ পাৰদৰ্শিতা, বাঁহেৰে নিৰ্মিত জাপি, হোৰা, জপা, খক, চন্দুক, পাচি, খৰাহী, ডলা, চালনী, গগনা, বাঁহী, পেঁপা, তাঁতৰ শালৰ সঁজুলি, ব-চুঙা, ৰাঁচ, কাকৈ, মিহি দৈৰে তৈয়াৰ কৰা ফুলাম চাৰি, বিচনী ইত্যাদি সামগ্ৰী নিজ হাতে ঘৰতে তৈয়াৰ কৰি ব্যৱহাৰ কৰে।

অসমীয়া সংস্কৃতিলৈ ৰাভাসকলৰ অন্যতম অবদান হ'ল- জন্ম, মৃত্যু, বিবাহ আৰু ধৰ্মীয় দেৱ-দেৱীক কেন্দ্ৰ কৰি বছৰৰ ভিন্ন ঋতু, মাহ, তিথি বাৰৰ সৈতে সংগতি ৰাখি পালন কৰা উৎসৱ অনুষ্ঠানসমূহ। এই উৎসৱসমূহৰ ভিতৰত জন্ম সম্পৰ্কীয় পাচতি উৎসৱ, মৃত্যু সম্পৰ্কীয় ফাৰকান্তি উৎসৱ আদি। ধৰ্মীয় দেৱ-দেৱীৰ ভিতৰত খুক্চি পূজা, কেঁচাইখাতি পূজা, যখিনী পূজা ইত্যাদিয়ে প্ৰধান। ৰাভাসকলে গছৰ ডাল, শিল, খেৰৰ মূৰ্ত্তি, মাটিৰ পাত্ৰ আদিত দেৱ-দেৱতাৰ প্ৰাণ প্ৰতিষ্ঠা কৰি পূজা কৰে।

মৌখিক সাহিত্য বা লোকসাহিত্যত ৰাভাসকল যথেষ্ট চহকী। আদিম যুগৰ পৰাই ৰাভা জনগণে তেওঁলোকৰ বিচিত্ৰ ভাৱ-অনুভূতি, গীত-মাত, নৃত্যৰ যোগেদি প্ৰকাশ কৰি আহিছে। বিভিন্ন ঘৰুৱা কাম-কাজ, বিবাহ, মানুহৰ জন্ম-মৃত্যু, ঘৰৰ তাঁতশাল, ঢেঁকীশাল, আচাৰ-অনুষ্ঠান, ধাৰণীয় বস্ত্ৰ, অলংকাৰ আদি ৰাভা সকলৰ গীত-মাত, নৃত্যৰ মাজত প্ৰতিফলিত হোৱা দেখা যায়।

ৰাভা লোকসাহিত্যৰ বিভিন্ন উপাদান যেনে- লোকগীত, ফক্‌ৰা-যোজনা, প্ৰবাদ-পটন্তৰ, সাঁথৰ, সাধুকথা, লোক- কলা, লোক-নাট্য ইত্যাদিয়ে অসমৰ লোকসাহিত্যৰ ভঁৰাল আৰু অধিক চহকী কৰি তুলিছে। পাতি ৰাভা সকলৰ মাজত প্ৰচলিত বহুৰঙী গীতে ৰাভা সংস্কৃতিৰ এক অন্য ৰূপ প্ৰদান কৰিছে।

ৰাভা সকল এক সৃষ্টিশীল সংস্কৃতিবান জনগোষ্ঠী। এওঁলোকৰ সংস্কৃতিত নিজ নিজ সুকীয়া বৈশিষ্ট্য দেখা যায়। আৰু এওঁলোকৰ অবদানে অসমৰ সংস্কৃতিক চহকী কৰি তুলিছে। ইয়ে অসমীয়া সংস্কৃতিৰ এনাজৰীডাল অধিক কটকটীয়া কৰি তুলছে। ❑❑❑

**সহায়ক গ্ৰন্থ**

(ক) অসমৰ জাতি আৰু সংস্কৃতি - অসমীয়া বিভাগ, প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়।
(খ) ৰাভা জন জীৱন-চিন্তা বিচিত্ৰা - ড° মলিনাদেৱী ৰাভা।
(গ) ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস - হৰিমোহন সৰকাৰ।

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণন ঃ এটি চমু অৱলোকন

-বৰষা ৰাভা -
*স্নাতক তৃতীয় ষান্মাষিক*

১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ (বৰ্তমান চেন্নাই) বিন্দুৰ পৱিত্ৰ তীৰ্থভূমি তিৰুতানি নামৰ এখন সৰু গাঁৱত দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণনৰ জন্ম হয়। তেওঁ ব্ৰাহ্মণ পৰিয়ালৰ লোক আছিল। তেওঁৰ পিতৃ এজন জমিদাৰৰ তলত সাধাৰণ তহচিলদাৰ আছিল। সেই কাৰণে পিতৃ-মাতৃৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰি সূত্ৰে তেওঁ কোনো সা-সম্পত্তি পোৱা নাছিল। তেওঁ শৈশৱৰ কালছোৱা তিৰুপতি আৰু তিৰুতানিত কটাইছিল। সৰুৰে পৰা তেওঁ চোকা বুদ্ধিৰ আছিল। তেওঁ সঙ্গবিহীনভাৱে থাকিবলৈ ভাল পাইছিল। কেৱল কিতাপহে আছিল তেওঁৰ সঙ্গী।

তেওঁ স্কুলীয়া শিক্ষা তিৰুপতি নগৰৰ এখন মিছনেৰী স্কুলৰ পৰাই লাভ কৰিছিল। তাৰ পিছত তেওঁ সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয় আৰু মাদ্ৰাজৰ খ্ৰীষ্টিয়ান কলেজ এখনত ভৰ্তি হয় । তাৰ পৰাই তেওঁ আই. এ. আৰু ১৯০৭ চনত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ এই পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিবলৈ সক্ষম হয়।

এম. এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে তেওঁ মাদ্ৰাজৰ প্ৰেছিডেন্সি কলেজত দৰ্শনৰ অধ্যাপক হিচাপে নিযুক্ত হয়। পাণ্ডিত্য আৰু ইংৰাজী কোৱাৰ পাৰদৰ্শিতাৰ গুণে ছাত্ৰ সমাজত তেওঁ প্ৰিয় পাত্ৰ হৈ উঠিছিল। আনকি এই কথাও শুনা যায় যে তেওঁ যেতিয়া শ্ৰেণীত বক্তৃতা আৰম্ভ কৰে, তেওঁৰ মুখৰ শুৱলা ইংৰাজী শুনিবলৈ আন আন শ্ৰেণীৰ ছাত্ৰবোৰেৰে বাৰাণ্ডা আৰু শ্ৰেণীৰ কাষৰ মুকলি ঠাইবোৰ ভৰি পৰিছিল। এই সময়তে তেওঁ দৰ্শন বিষয়ত ভালেমান মূল্যৱান প্ৰবন্ধ ৰচনা কৰিছিল। সেই মৌলিক প্ৰবন্ধবোৰ ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন আলোচনীত প্ৰকাশ পায়। লগে লগে তেওঁৰ খ্যাতি সেইবোৰ দেশতো বিয়পি পৰে। তেওঁৰ প্ৰবন্ধৰ মুখ্য বিশষবস্তু আছিল হিন্দু ধৰ্ম, হিন্দু দৰ্শন। মানৱতাবোধেই হৈছে প্ৰবন্ধবোৰৰ ঘাই উৎস। কলেজীয়া জীৱনৰ পৰাই তেওঁ হিন্দু ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল। কলেজীয়া ছাত্ৰ হৈ থাকোতে স্বামী বিবেকানন্দৰ লেখাই হিন্দু দৰ্শনৰ প্ৰতি তেওঁক ঘাইকৈ প্ৰভাৱান্বিত কৰে আৰু তেতিয়াৰ পৰা তেওঁ হিন্দু ধৰ্মৰ বিভিন্ন চিন্তাধাৰাৰ মাজত সোমাই পৰে। এদিন তেওঁ হিন্দু ধৰ্মৰ মাজতে প্ৰকৃত সন্ধান বিচাৰি পায়। সৎ কৰ্মৰ দ্বাৰা মানৱ ধৰ্ম পালন কৰি কেনেকৈ শান্তি-আনন্দ লাভ কৰিব পাৰি- গীতাৰ কৰ্মযোগ অধ্যয়নৰ পৰাই সেই কথাৰ তেওঁৰ উপলব্ধি হয়।

তেওঁ প্ৰাচীন ভাৰতীয় শাস্ত্ৰ- বেদ, উপনিষদ, পুৰাণ, দৰ্শন, মীমাংসা আদি গভীৰভাৱে অধ্যয়ন কৰি যিবোৰ মূল্যৱান চিন্তাশীল প্ৰবন্ধ ৰচনা কৰি থৈ গ'ল তাত দেখুৱা হ'ল যে মহৎ কৰ্ম কৰিলেহে মানুহ সৎ হ'ব পাৰে। তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ দাৰ্শনিক চিন্তাধাৰাৰ ওপৰত 'ৰবীন্দ্ৰনাথৰ দৰ্শন' নামৰ এখন অমূল্য গ্ৰন্থ ৰচনা কৰে। ১৯১৮ চনৰ পৰা তেওঁ মহীশুৰ বিশ্ববিদ্যালয়ত তিনি বছৰৰ কাৰণে অধ্যাপনা কৰে। ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰ ছাৰ আশুতোষ মুখোপাধ্যায়ে ১৯২১ চনত তেওঁক দৰ্শনৰ অধ্যাপক পদত নিযুক্তি দিয়ে। এই সময়ত তেওঁ ভাৰতীয় দৰ্শনৰ ওপৰত চিন্তা উদ্ৰেককাৰী এখন মূল্যৱান গ্ৰন্থ ৰচনা কৰে। ১৯২৬ চনত বহা ব্ৰিটিছ সাম্ৰাজ্যৰ বিশ্ববিদ্যালয় কংগ্ৰেছত কলিকতা বিশ্ববিদ্যালয়ক তেওঁ প্ৰতিনিধিত্ব কৰিছিল। তেওঁ তাত গৈ যি ৰসাল আৰু শুৱলা ভাষণ দিছিল ইয়াৰ আগতে ইংৰাজীসকলে ইংৰাজী ভাষণ কোনো ভাৰতীয়ৰ মুখত শুনা নাছিল। ভাষণত তেওঁ হিন্দু সভ্যতা আৰু হিন্দু জাতিৰ উৎপত্তিৰ বিষয়ে গভীৰ তত্ত্ব দাঙি ধৰিছিল। আমেৰিকা বিশ্ববিদ্যালয়তো ভাৰতীয় দৰ্শনৰ ওপৰত বক্তৃতা দি প্ৰশংসাৰ পাত্ৰ হয়। বিদেশৰ পৰা

ঘূৰি অহাৰ পিছত অন্ধ্ৰ বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰে।

১৯২৯ চনৰ অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজত দৰ্শনৰ অধ্যাপক নিযুক্ত হয়। ইয়াতো বছৰেকীয়া বৃটিছ একাডেমীত গৌতম বুদ্ধৰ ওপৰত ভাষণ দি বিশ্বদৰবাৰত জনাজাত হয়। মহামানৱ মহাত্মা গান্ধীৰ নিৰ্যাতিন আৰু বিপ্লৱৰ ৰীতিৰ ওপৰতো ভাষণ দাঙি ধৰি তাৰেই সংকলিত ৰূপ 'ইষ্টাৰ্ন ৰিলিজন এণ্ড ৱেষ্টাৰ্ন থট' গ্ৰন্থখন প্ৰকাশ কৰে। এই গ্ৰন্থৰ বাবে তেওঁক ইংলেণ্ডে ফেল'শ্বিপ অব্ ব্ৰিটিছ একাডেমী পদেৰে বিভূষিত কৰে। তেখেতৰ প্ৰকাশিত ১৯২৭ চনৰ 'দ্য হিন্দু ভিউ অব্ লাইফ', ১৯৩২ চনত প্ৰকাশিত 'এন আইডিয়েলিষ্টিক ভিউ অব্ লাইফ' দুখন উল্লেখযোগ্য গ্ৰন্থ।

১৯৩১ চনত তেওঁক অন্ধ্ৰ বিশবিদ্যালয়ৰ ভাইচ চেন্সেলৰ পদত নিযুক্তি দিয়া হয়। তেখেতে ১৯৩৯-৪০ চনত একে সময়তে কাশী, কলিকতা আনকি অক্সফোৰ্ড বিশ্ববিদ্যালয়তো কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৪৭ চনত তেওঁ চীনলৈ যায়। তাত গৈ যি বক্তৃতা ৰাখিলে তাৰেই সম্পাদিত ৰূপত 'ইণ্ডিয়া এণ্ড চাইনা' নামৰ আন এখন গ্ৰন্থ প্ৰকাশ কৰে। ১৯৪৮-৪৯ চনত পেৰিচলৈ গৈ আন্তঃৰাষ্ট্ৰীয় সংস্থা ইউনেস্কোত ভাৰতীয় প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। আনকি অধ্যক্ষ পদত নিযুক্তি লাভ কৰিছিল। উক্ত কৰ্ম ব্যস্ততাৰ মাজেৰে তেও ভাগৱত গীতা ধৰ্মৰ পদবোৰ ইংৰাজীত প্ৰকাশ কৰি উলিয়াইছিল।

স্বাধীন ভাৰতৰ সংবিধান ৰচনা কৰা গণ পৰিষদৰো এগৰাকী অন্যতম ব্যক্তি আছিল ৰাধাকৃষ্ণন। তেওঁ কিছু বছৰ ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ আছিল ৰুছ-ভাৰত ঐতিহাসিক বন্ধুত্বৰ ভেঁটি ৰচক।

১৯৫১ চনত মস্কোৰ পৰা উভতি আহি ভাৰতৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ১৯৫৮ চনত তেওঁক ভাৰত চৰকাৰে 'ভাৰত ৰত্ন' উপাধি প্ৰদান কৰে। ১৯৬২ চনত তেওঁ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়।

স্বভাৱত ৰাধাকৃষ্ণন আছিল লাজকুৰীয়া, দয়াশীল, মৰমীয়াল, নম্ৰ আৰু আত্মপ্ৰশংসা বিমুখ। তেওঁৰ পিন্ধনত আছিল এখন মিহি ধুতি, এটা দীঘল কোট আৰু মূৰত পাগুৰি। তেওঁ সাংসাৰিক মানুহৰ দৰেই জীৱন-যাপন কৰিছিল। তেখেতে এইটো গভীৰভাৱে উপলব্ধি কৰিছিল যে মানুহৰ প্ৰধান অলংকাৰ শিক্ষা। তেখেতৰ দৰ্শন শাস্ত্ৰৰ প্ৰতি থকা আকৰ্ষণৰ কথা ব্যাখ্যা কৰি কৈছিল যে দৰ্শন শাস্ত্ৰৰ অধ্যাপনাই জীৱনৰ চৰম উদ্দেশ্য উপলব্ধিত উৎসাহ যোগায় আৰু প্ৰেৰণা দিয়ে। দৰ্শন প্ৰেমৰ সৃষ্টি কৰিব পৰা এটা বিষয় বুলিহে অভিহিত কৰে।

এই মহান চিন্তাবিদ, ৰাজনীতিজ্ঞ ব্যক্তি জনৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ জন্মদিন ৫ ছেপ্টেম্বৰ তাৰিখটো আমাৰ দেশে শিক্ষক দিৱস হিচাপে পালন কৰি আহিছে। ১৯৭৫ চনত তেওঁক ভাৰত চৰকাৰে 'টেম্প্লেশ্বন' বঁটা প্ৰদান কৰে। ১৯৬৭ চনৰ ১৩ মে'ৰ দিনা এই মহান পণ্ডিত গৰাকীয়ে ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

১৯৭৫ চনৰ ১৭ এপ্ৰিল তাৰিখে তেখেত স্বৰ্গগামী হয়। আজি তেখেত নাই, কিন্তু তেওঁ দেখুৱাই যোৱা মহান আদৰ্শ সমূহ ত্যাগ আৰু সত্যনিষ্ঠা ভাৰতবাসীৰ অন্তৰত চিৰ সেউজ জাগ্ৰত বন্তি এগচিৰ দৰে জ্বলি থাকক। এয়ে নেদেখাজনৰ ওচৰত একান্ত প্ৰাৰ্থনা। ❑❑❑

# মনালিছা

- যদুমণি কলিতা -
*স্নাতক তৃতীয় ষান্মাষিক*

মানুহ গুহাবাসী হৈ থকাৰ দিনৰে পৰা এতিয়ালৈকে পৃথিৱীত শত-সহস্ৰ চিত্ৰশিল্পীয়ে শত-সহস্ৰ চিত্ৰ অংকন কৰিছে আৰু আগলৈকো কৰি থাকিব। কিন্তু এই সত-সহস্ৰ চিত্ৰৰ ভিতৰত যিখন চিত্ৰ আটাইতকৈ বিখ্যাত, সেইখনেই হ'ল লিঅ'নাৰ্ডো ডা ভিঞ্চিয়ে অংকন কৰা 'মনালিছা' নামৰ ছবিখন যিখন ছবি নেদেখা বা যিখন ছবিৰ বিষয়ে নুশুনা মানুহৰ সংখ্যা তেনেই তাকৰ। এই চিত্ৰখনৰ হেজাৰ হেজাৰ প্ৰতিলিপি নিতৌ বজাৰত বিক্ৰী হয়। ফ্ৰান্স দেশৰ ৰাজধানী পেৰিছৰ লুভ্ সংগ্ৰহালয়ত সংৰক্ষিত এই চিত্ৰখন চাবলৈ নিতৌ দেশ-বিদেশৰ হেজাৰ হেজাৰ দৰ্শকৰ সমাগম হয়। হেজাৰ হেজাৰ পণ্ডিতে এই ছবিখনৰ বিষয়ে মন্তব্য, তৰ্ক-বিতৰ্ক আৰু সমালোচনা কৰিছে, হেজাৰ হেজাৰ কবিয়ে এই ছবিখনক বিষয় হিচাপে লৈ হেজাৰ হেজাৰ কবিতা লিখিছে।

লিঅ'নাৰ্ডোৱে মনালিছা চিত্ৰখন আঁকিবলৈ আৰম্ভ কৰিছিল ১৫০৩ চনত ফ্লোৰেন্সত থকাৰ সময়ত। প্ৰচলিত বিশ্বাস অনুসৰি এই চিত্ৰখন হ'ল ফ্লোৰেন্সৰ এগৰাকী মহিলাৰ প্ৰতিকৃতি। ফ্ৰান্সেস্কো ডি বাৰ্ট'ল্লেঅ ডি জান'বি ডেল জিঅ'কণ্ডা নামৰ ফ্লোৰেন্সৰ এগৰাকী সম্ভ্ৰান্ত ব্যক্তিয়ে তেখেতৰ পত্নী লিছা ডি এন্টনিঅ মাৰিয়া ডি নল্ড গেৰাৰদিনিৰ প্ৰতিকৃতি আঁকিবলৈ লিঅ'নাৰ্ডো ডা ভিঞ্চিক মকৰল কৰিছিল। লিছা পিছলৈ মনালিছা ডেল জিঅ'কণ্ডা নামেৰে পৰিচিত হৈছিল আৰু লিঅ'নাৰ্ডোৰ চিত্ৰখনৰ নাম হৈ পৰিছিল 'মনালিছা'। ১৫০৩ চনত আৰম্ভ কৰি ১৫০৬ চনত লিঅ'নাৰ্ডোৱে চিত্ৰখন অঁকা শেষ কৰিছিল যদিও সেইখন ফ্ৰান্সেস্কো ডেলজিঅ'কণ্ডাক নিদিয়াকৈয়ে তেওঁ সেই চনতে ফ্লোৰেন্সৰ পৰা মিলানলৈ যায়গৈ। বহুতে ক'ব খোজে যে সেই সময়ত চিত্ৰখন অসমাপ্ত হৈ আছিল, আন বহুতৰ মতে সেইখন লিওনাৰ্ডোই ইমানেই বেছি ভাল পাইছিল যে নিজৰ লগত লৈ গৈছিল। ১৫১৬ চনত ফ্ৰান্সলৈ যোৱালৈকে চিত্ৰখন লিওনাৰ্ডোৰ লগতে আছিল। পিছত তেওঁ সেইখন ফ্ৰান্সৰ সম্ৰাট প্ৰথম ফ্ৰান্সিছিক বিক্ৰী কৰি দিছিল।

মনালিছা যিমান বিখ্যাত, মনালিছাৰ সৈতে জড়িত কাহিনীবোৰো সিমানেই ৰোমাঞ্চকৰ। সম্ৰাট প্ৰথম ফ্ৰান্সিছৰ দিনত সেইখন আছিল এম্বইজ নামৰ ঠাইখনৰ ৰাজপ্ৰসাদত। তাৰ পৰা সেইখন গ'ল ফনটেইনব্লু নামৰ ঠাইখনত থকা ৰাজপ্ৰসাদলৈ, তাৰ পৰা পেৰিছলৈ, তাৰ পৰা ভাৰ্ছাই নামৰ ঠাইখনলৈ। ১৭৮৬ খ্ৰীষ্টাব্দৰ ফৰাছী বিপ্লৱৰ পিছত চিত্ৰখন পেৰিছৰ লুভ্ সংগ্ৰহালয়ত সংৰক্ষণ কৰা হয়। নেপোলিয়ন বোনাপাৰ্ট ফ্ৰান্সৰ সম্ৰাট হৈ থকাৰ কালছোৱাত তেওঁ সেইখন নিজৰ শোৱনি কোঠাৰ বেৰত আঁৰি থৈছিল। নেপোলিয়নৰ পতনৰ পিছত মনালিছাক পুনৰ লুভ্ সংগ্ৰহালয়লৈ লৈ যোৱা হয়।

১৯১১ চনৰ ২১ আগষ্টৰ দিনা লুভ্ সংগ্ৰহালয়ৰ পৰা 'মনালিছ'ক কোনোবাই চুৰ কৰি লৈ যায়। এই ঘটনাই গোটেই পৃথিৱীতে আলোড়নৰ সৃষ্টি কৰিছিল। এসপ্তাহৰ বাবে লুভ্ সংগ্ৰহালয় বন্ধ কৰি দিয়া হৈছিল। এসপ্তাহৰ পিছত যিদিনা সংগ্ৰহালয় মুকলি কৰা হয় সেইদিনা হেজাৰ হেজাৰ দৰ্শকৰ সমাগম ঘটিছিল। সংগ্ৰহালয়ৰ যি ডোখৰ ঠাইত মনালিছাৰ চিত্ৰখন ৰখা হৈছিল, সেই খালী ঠাইখিনি চাবলৈ দৰ্শকসকলে হেতা-ওপৰা লগাইছিল।

দুবছৰৰ পিছত ইটালীৰ ফ্লোৰেন্সত চিত্ৰখন উদ্ধাৰ কৰা হয়। এইখন চুৰ কৰি নিছিল ভিনচেনজ পেৰুজিয়া নামৰ এজন মানুহে। তেওঁ সেই সময়ত লুভ্ সংগ্ৰহালয়তে কাম কৰিছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে মনালিছা চিত্ৰখন লিঅ'নাৰ্ডোৰ জন্মভূমি ইটালিৰহে সম্পত্তি আৰু সেয়েহে সেইখন ইটালিত থকা উচিত।

১৯৫৬ চনত সংগ্ৰহালয়ৰ কোনোবা দৰ্শকে মনালিছা চিত্ৰখনৰ ওপৰত এচিড ঢালি দিছিল। ইয়াৰ ফলত চিত্ৰখনৰ তলৰছোৱা ক্ষতিসাধন হৈছিল, কিন্তু পিছত বিভিন্ন কৌশলেৰে চিত্ৰখন পুণৰুদ্ধাৰ কৰা হয়।

এনে ধৰণৰ ঘটনাবোৰৰ কাৰণে বৰ্তমান 'মনালিছা'ক অতি নিৰাপদে ৰখা হৈছে। বুলেটপ্ৰুফ কাচেৰে নিৰ্মিত এটা

বাকচৰ মাজত চিত্ৰখন এনেদৰে ৰখা হৈছে যে দৰ্শকসকলে দূৰৰ পৰা কাঁচৰ মাজেৰেহে ‘মনালিছা’ক চাব পাৰে। এই বাকচটোৰ ভিতৰত বায়ু অতি আধুনিক পদ্ধতিৰে শীত-তাপ নিয়ন্ত্ৰক যন্ত্ৰেৰে নিয়ন্ত্ৰণ কৰি ৰখা হয়। ভিতৰৰ বায়ুৰ উষ্ণতা আৰু আৰ্দ্ৰতাও নিয়ন্ত্ৰণ কৰি ৰখা হয়। আগতে মাজে মাজে ‘মনালিছা’ক লুভ্ সংগ্ৰহালয়ৰ পৰা নি দেশ-বিদেশৰ বিভিন্ন প্ৰদৰ্শনীত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা আছিল। কিন্তু বৰ্তমান আন্তৰ্জাতিক চুক্তি কৰি এই ব্যৱস্থা বাতিল কৰা হৈছে।

কিহৰ কাৰণে মনালিছা চিত্ৰখন ইমান বিখ্যাত? চিত্ৰখনতনো এনে কি আছে যিয়ে যোৱা ৫০০ বছৰ ধৰি পৃথিৱীৰ অজস্ৰ মানুহক চুম্বকৰ দৰে আকৰ্ষণ কৰি আহিছে? কিহৰ কাৰণে এই চিত্ৰখন এবাৰ নিজ চকুৰে চোৱাৰ হেঁপাহতে পেৰিছৰ লুভ্ সংগ্ৰহালয়ত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ হেজাৰ-বিজাৰ দৰ্শকৰ সমাগম ঘটে? এইবোৰ প্ৰশ্নৰ উত্তৰ দিয়া বৰ সহজ কথা নহয়। মানুহ এজনে মনালিছা ছবিখন কি মনেৰে বা কি চিন্তাৰে চায়, তাৰ ওপৰত এই প্ৰশ্নবোৰৰ উত্তৰ নিৰ্ভৰ কৰে। শিল্পকলাৰ দৃষ্টিৰে চিত্ৰখন যিমান মহৎ বা বিখ্যাত, সেইদৰে তাৰ জনপ্ৰিয়তাও সিমানেই বিখ্যাত।

চিত্ৰশিল্পৰ বিশেষজ্ঞ সকলে কব খোজে যে মনালিছা চিত্ৰখনত লিঅ'নাৰ্ডোৰ শিল্প-প্ৰতিভা আৰু চিত্ৰশৈলীৰ অপূৰ্ব সমাবেশ ঘটিছে। চিত্ৰখন আঁকোতে বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ৰং প্ৰয়োগ কৰা হয়। এটা ৰঙৰ কাষত আন এটা ৰং প্ৰয়োগ কৰোঁতে দুই ৰঙৰ মাজৰ অংশখিনি কেনেধৰণৰ হ'ব লাগে, অৰ্থাৎ ওচৰা-ওচৰি এটা ৰঙৰ পৰা আন এটা ৰঙলৈ পৰিবৰ্তন কেনে ধৰণৰ হ'ব লাগে, এই বিষয়ে লিঅ'নাৰ্ডোৱে অতি গভীৰভাৱে অধ্যয়ণ কৰিছিল। নীলা আকাশত বগা ডাৱৰ ওপঙি আছে এই দৃশ্যটো চিত্ৰ হিচাপে আঁকোতে নীলা ৰঙৰ ওপৰত বগা ৰং সানি দিলেই হ'বনে? নীলা আৰু বগা ৰং দুটা স্পষ্টভাৱে পৃথক হৈ থাকিলে চিত্ৰখন দেখিবলৈ ভাল লাগিবনে? বাস্তৱক্ষেত্ৰত নীলা আকাশৰ বগা ডাৱৰ আমি তেনেকৈ দেখোনে? এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি লিঅ'নাৰ্ডোৱে নিজে এটা কৌশল আৱিষ্কাৰ কৰিছিল। তেওঁ এটা ৰঙৰ ওচৰত আন এটা ৰং প্ৰয়োগ কৰোতে স্পষ্ট পাৰ্থক্য ৰেখা বৰ্জন কৰি ক্ৰমান্বয়ে অলপ অলপকৈ আনটো ৰং প্ৰয়োগ কৰিছিল। চিত্ৰখন চাওঁতে এনে লাগিব যে এটা ৰং আন এটা ৰঙলৈ হঠাতে সলনি নহৈ ক্ৰমান্বয়ে লাহে লাহে সলনি হৈছে। এই কৌশলক কোৱা হয় স্ফুমাটো আৰু পণ্ডিত সকলোৰ মতে মনালিছাৰ চিত্ৰখনত লিঅ'নাৰ্ডোৱে এই কৌশল অতি সঠিকভাৱে প্ৰয়োগ কৰিছিল। মনালিছা চিত্ৰখনত এনে আৰু বহু চিত্ৰশৈলী আৰু কৌশলৰ প্ৰয়োগ কৰা হয়।

বহুতে ক'ব খোজে যে মনালিছা চিত্ৰখন বিখ্যাত হৈছে মনালিছাৰ মুখৰ হাঁহিটোৰ কাৰণে। ইটালিয়ান সকলে মনালিছাক “লাজিঅ'কণ্ডা” বুলি কয়। ইটালিয়ান ভাষাত ইয়াৰ অৰ্থ হ'ল ‘ৰঙীয়াল’। লিঅ'নাৰ্ডোৰ বহুতো চিত্ৰৰ চৰিত্ৰৰ মুখত হাঁহিৰ আভাস এটা দেখা যায়; কিন্তু ‘মনালিছা’ৰ মুখত তেওঁ যিটো হাঁহিৰ চিত্ৰৰূপ দিলে সি যোৱা পাঁচশ বছৰ ধৰি বহু বাক-বিতণ্ডা আৰু যুক্তি-তৰ্কৰ সৃষ্টি কৰি আহিছে। বিভিন্নজনে বিভিন্ন ধৰণেৰে মনালিছাৰ হাঁহিৰ অৰ্থ উদঘাটন কৰিবলৈ চেষ্টা কৰি থাকে। মাইকেলেঞ্জেলোৱে হেনো কৈছে যে মনালিছাৰ মুখৰ হাঁহিটো বিদ্ৰুপাত্মক হাঁহি। কোনো লোকে কয় যে হাঁহিটোৰ এক স্বৰ্গীয় সৌন্দৰ্য আছে, আন কোনোৱে কয় হাঁহিটো অতি জয়াল। এনে মানুহো আছে যি মনালিছাৰ হাঁহিটোক ‘বৰফৰ দৰে শীতল’ বুলি কব খোজে। আনহাতে এনে মানুহো আছে যি কব খোজে যে হাঁহিটো ‘সূৰ্যোদয়ৰ দৰে উমাল’। এনে ভিন্নধৰ্মী অভিমতৰ পৰিপ্ৰেক্ষিতত আন এচাম লোকে কয় যে হাঁহিটো ৰহস্যপূৰ্ণ, মনালিছাৰ মুখত হাঁহিৰ আভাস কিয় আছে কোনেও নাজানে।

এনে লোকও আছে যিয়ে এইদৰে কব খোজে যে মনালিছাৰ চিত্ৰখনৰ সৈতে জড়িত অলেখ মুখৰোচক কাহিনী আৰু ইয়াৰ স্ৰষ্টা লিঅ'নাৰ্ডো ডা ভিঞ্চিৰ বৈচিত্ৰপূৰ্ণ জীৱন-কাহিনীৰ বাবেই এই চিত্ৰখন বিখ্যাত। মানুহৰ সভ্যতাৰ ইতিহাসত আজিলৈকে আন কোনো চিত্ৰ ইমান বিখ্যাত হোৱা নাই। সামৰণিত প্ৰখ্যাত মনবৈজ্ঞানিক ছিগমান ফ্ৰয়েডৰ এষাৰ উক্তিৰে আলোচনা শেষ কৰিছোঁ।

“লিঅ'নাৰ্ডো ডা ভিঞ্চি আছিল আন্ধাৰ হৈ থাকোতেই সাৰ পোৱা মানুহজন, আন সকলো গভীৰ টোপনিত থাকোতেই পুৱে ঢলফাটা নৌ দিওঁতেই তেওঁ সাৰ পালে।”

❑❑❑


সহায়ক গ্ৰন্থ ঃ

❑লিঅ'নাৰ্ডো ডা ভিঞ্চি ❑বিভিন্ন আলোচনী, বাতৰি কাকত ইত্যাদি।

# মিচিং জনজাতি আৰু সংস্কৃতিৰ এক সমীক্ষাত্মক অধ্যয়ন

- অদিতি ৰায় -
*স্নাতকোত্তৰ চতুৰ্থ ষান্মাষিক*

উত্তৰ-পূৰ্ব্বাঞ্চলত বহু জাতি-জনজাতিৰ লোকে বসবাস কৰি আহিছে। উত্তৰ-পূৰ্ব্বাঞ্চলৰ যি আঠখন ৰাজ্য আছে ইয়াৰ ভিতৰত অসমতে বেছি জনজাতীয় লোক থকা দেখিবলৈ পোৱা যায়। এই জনজাতীয়লোক সকলক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে -

(ক) পাহাৰীয়া জনজাতি ।

(খ) ভৈয়ামৰ জনজাতি।

পাহাৰীয়া অঞ্চলত বসবাস কৰা জনজাতিসকলৰ ভিতৰত গাৰো, কাৰ্বি, নগা ইত্যাদি প্ৰধান। ভৈয়াম অঞ্চলত বসবাস কৰা জনজাতিসকলৰ ভিতৰত ৰাভা, বড়ো, মিচিং, কাৰ্বি ইত্যাদি প্ৰধান।

## মিচিং জনজাতিৰ নৃ-তাত্বিক পৰিচয় ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা বৃহৎ মংগোলীয় গোষ্ঠীৰ এটি বিশেষ শাখা হ'ল মিচিং জনজাতি। মিচিং বা মিৰিসকল বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা জনজাতি। আদিতে এওঁলোক অসমৰ উত্তৰ-পূবফালে থকা পাহাৰত আছিল বুলি জনা যায়। বৰ্তমান আবৰ পাহাৰত থকা 'মিয়ং' আৰু 'দ্ৰাম্ৰ' নামৰ দুই জাতিৰ মানুহৰ পৰাই এওঁলোক ফাটি আহিছে বুলি অনুমান হয়। অসমৰ উত্তৰ ফালে থকা পাহাৰত বাস কৰা মিৰি জনজাতিসকলৰ লগত বৰ্তমান ভৈয়ামত বাস কৰা মিৰিসকলৰ কিমান সাদৃশ্য আছে এতিয়াও বিশেষভাৱে জনা নাযায়। তথাপি পাহাৰৰ পৰাও যে বৰ্তমানৰ মিৰিসকল নামি অহা নাছিল, তাকো নুই কৰিব নোৱাৰি। অসমত চুতীয়া ৰাজত্বৰ শেষ আৰু আহোম ৰাজত্বৰ আৰম্ভণিতে মিৰিসকল ভৈয়ামলৈ নামি আহিছিল বুলি জনা যায়।

মিচিং বা মিৰিসকলে নিজকে চন্দ্ৰ-সূৰ্যৰ বংশধৰ বুলি চিনাকি দিয়ে। তেওঁলোকৰ মতে চন্দ্ৰ পুৰুষ আৰু সূৰ্য প্ৰকৃতি। তেওঁলোকে চন্দ্ৰক পিতা আৰু সূৰ্যক মাতা বুলি মানে। সেই কাৰণে যিকোনো পৰ্ব বা সকাম-নিকামত তেওঁলোকে পোন প্ৰথমেই 'আনেদঞ্জি' (মাতৃ সূৰ্য) 'আবুপ-ল-ৰ (পিতৃ চন্দ্ৰ) নাম লয়। তেওঁলোকে পোনে পোনে সোণ-ৰূপৰ জখলাইদি স্বৰ্গৰ পৰা নামি আহিছিল বুলি কয়।

প্ৰবাদ আছে যে তেওঁলোকে পাহাৰৰ পৰা নামি আহোঁতে বাটতে এটা 'জিলি' (প্ৰকাণ্ড খাল) পাইছিল। সেই 'জিলি', 'মাসি' আৰু 'মাংকং' নামৰ দুডাল লতাৰ ওপৰেদি বগাই পাৰ হৈ আহিছিল। লতা দুডালৰ এডাল সোণবৰণীয়া আৰু এডাল ৰূপবৰণীয়া আছিল। সৰল প্ৰকৃতিৰ মিৰিসকলে সম্ভৱতঃ পাহাৰকে স্বৰ্গ আৰু লতা দুডালক সোণ-ৰূপৰ জখলা বুলি কলে।

**শাৰীৰিক গঠন ঃ** মিচিং সকল তিব্বত বৰ্মা বা মঙ্গোলীয় জাতিৰ লোক। তেওঁলোকৰ শাৰীৰিক গঠন অন্যান্য মঙ্গোলীয় জাতিৰ লগত প্ৰায় একেই। শুধ বগা নহ'লেও শৰীৰৰ বৰণ প্ৰায় বগা। হাত-ভৰি নোদোকা আৰু শৰীৰ হৃষ্ট-পুষ্ট। নাক সাধাৰণতে চুটি আৰু গাল উঠঙা। সৰু কালৰ পৰা জখলাত উঠা নমা কৰা কাৰণে এওঁলোকৰ ভৰিৰ কলাফুল শকত। শাৰীৰিক গঠনলৈ চাই অনেক সময়ত এওঁলোকক মিচিং জনজাতিৰ মানুহ বুলি চিনিব পৰা যায়।

**বৰ্তমান বাসস্থান ঃ** মিচিং সকল শদিয়াৰ পৰা তেজপুৰলৈকে বিয়পি আছে। মিচিং সকল সাধাৰণতে নৈৰ পাৰত বাস কৰে। সোৱনশিৰি আৰু ব্ৰহ্মপুত্ৰ নৈৰ বাহিৰেও সৰু-সুৰা বহুতো নৈ উপনৈৰ পাৰে পাৰে মিচিং গাঁও দেখা যায়। নৈৰ পাৰত বাস কৰে কাৰণে বাৰিষা নৈৰ পানীৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে চাংঘৰত থাকে। পূবে দিহিং নৈৰ পৰা পশ্চিমে ভৰলী নৈলৈকে বৰ্তমান মিচিংসকল বিয়পি আছে। বাসস্থান অনুসৰি ভৈয়ামৰ মিচিং সকলক কেইবাটাও খেলৰ নাম ধৰি মতা হয়। যিসকল শদিয়াৰ পৰা ভটিয়াই গৈ ভৰলীৰপৰা আকৌ উজাই আহি সোৱনশিৰি নৈৰ পাৰত থাকিবলৈ ললে সেইসকলক 'চালাত' (উলটি অহা) বা 'চায়াং' (উজাই গৈ থকা) শব্দৰ পৰা চায়াং বা চায়েঙ্গীয়া বুলি কবলৈ ধৰিলে। যিসকল 'দেলো' বা দক্ষিণ পাৰে ব্ৰহ্মপুত্ৰৰ পাৰত থাকিবলৈ ললে সেইসকলক 'দেলো' শব্দৰ পৰা 'দেলু' বুলি কোৱা হয়। 'ময়িং' নামে ঠেক ঠাইত বাস কৰাৰ পৰা 'ময়িং' বা ময়েঙ্গীয়া খেলৰ উৎপত্তি হ'ল। এইদৰে বিভিন্ন ঠাইত সিঁচৰতি হৈ বাস কৰাৰ ফলত

মিৰিসকলৰ বিভিন্ন খেলৰ মাজত মাত-কথাৰ সামান্যভাৱে লৰচৰ হৈ পৰিল যদিও, মূলতে মিচিংসকলৰ মৌখিক ভাষা আৰু বাসস্থান যে একে আছিল তাক সহজে অনুমান কৰিব পাৰি।

**সামাজিক স্থিতি ঃ** বাসস্থান আৰু বিভিন্ন কাৰণবশতঃ মিচিং বা মিৰিসকলক প্ৰধানকৈ আঠোটা খেলত ভাগ কৰিব পাৰি। যেনে- 'চায়াং' বা চায়েঙ্গীয়া, 'অয়ান' বা অয়েঙ্গীয়া, 'মসিং' বা ময়েঙ্গীয়া, 'দেলো', 'তায়োতায়ে', 'পাগৰ', 'দাম্বুক', 'চামুঙ্গৰীয়া' আৰু 'তামাৰ'।

সম্ভৱত চামুঙ্গৰীয়া আৰু তামাৰ খেলৰ মানুহেই পোন প্ৰথমে ভৈয়ামলৈ নামি আহিছিল। তেওঁলোক ভৈয়ামলৈ অহাৰ সময়ত অন্যান্য মিৰি মানুহ নাছিল কাৰণে অনা মিৰি সম্প্ৰদায়ৰ লগত ভাৱৰ আদান-প্ৰদান কৰিব লগা হোৱাত নিজ কথ্যভাষা বা মৌখিক ভাষা পাহৰি গ'ল। বৰ্তমান এওঁলোকে অসমীয়াতেই কথা-বতৰা কয় যদিও অন্যান্য সকলো বিষয়ত মিৰিসকলৰ লগত মিল আছে। বাসস্থান আৰু অন্যান্য কাৰণত মিৰিসকলৰ মাজত কেইবাটাও খেল হৈ পৰিল যদিও এটা খেলৰ এক গোত্ৰৰ মানুহ আন এটা খেলতো দেখিবলৈ পোৱা যায়। যেনে- 'বমি' গোত্ৰৰ মানুহ 'চায়েঙ্গীয়া' খেলতো থাকিব পাৰে আৰু 'মায়েঙ্গীয়া' খেলতো থাকিব পাৰে। সেইদৰে 'মিয়পাংকং' গোত্ৰৰ মানুহ 'আয়েঙ্গীয়া' খেলতো দেখা যায় কিম্বা 'দাম্বুক' খেলতো দেখা যায়। মিৰিসকলৰ মাজত একে গোত্ৰৰ ভিতৰত চন্দ্ৰ-সূৰ্য থাকে মানে কেতিয়াও বিয়া হ'ব নোৱাৰে। একে গোত্ৰৰ বা একে জাতৰ মানুহ তেওঁলোকৰ ভিতৰত সদায় ভাই-ককাই হৈয়েই থাকিব। পেগুৱে পেগুক, পাৰেঙে পাৰেঙক যুগ যুগ পাৰহৈ গ'লেও বিয়া কৰাব নোৱাৰে। মিৰিসকলৰ মাজত 'বমি', 'মিয়পাংকং', 'চুংগা-চুৰং', 'কন্দাৰ', 'চ-ব' আদি বহুতো গোত্ৰ আছে। তাৰ লেখ দিয়া সহজসাধ্য নহয়। সেইদৰে বিভিন্ন গোত্ৰৰ 'পায়েং' পায়ে 'পেৰতিন্', 'পেৰমে', 'দলে', 'পেগু' আদি বহুতো জাত মিৰিৰ মাজত আছে। সেইসকলো উল্লেখ কৰাও সম্ভৱ নহয়।

**সামাজিক আৰু ঘৰুৱা জীৱন ঃ** মিচিং বা মিৰিসকলৰ মাজত বহুতো পৰিয়াল লগ লাগি একে ঘৰতে বাস কৰা নিয়ম আছে। ঘৰৰ সকলো মানুহ মুখিয়ালজনৰ দিহামতে চলে। ঘৰৰ আয়-ব্যয় মুখিয়ালজনৰ পৰামৰ্শমতেই কৰা হয় যদিও ঘৰত তিৰোতাসকলে বেলেগে কুকুৰা, গাহৰি পুহি, কাপোৰ বৈ বেলেগে নিজৰ যাবতীয় খৰচ উলিয়াই লয়। পুৰুষসকলেও ঘৰৰ সমূহীয়া কাম খটি নকৰি আজৰি সময়ত 'ৰিকছেং' বা বেলেগে সৰিয়হ আদিৰ খেতি কৰি নিজৰ লাগতিয়াল খৰচ উলিয়াই লয়। মিৰি তিৰোতাসকল বৰ পৰিশ্ৰমী। পুৱাৰ পৰা গধূলিলৈকে ঘৰুৱা কামত ব্যস্ত থাকিও তেওঁলোকে নিজে বৈ-কাটি নিজৰ পিন্ধা-উৰা কাপোৰ যোগাৰ কৰে। মিচিং সকলৰ পুৰুষ আৰু মহিলা উভয়েই সমানে পৰিশ্ৰম কৰে।

ঘৰখনৰ মানুহে যেনেকৈ ঘৰৰ মুখিয়ালজনক সন্মান কৰি চলে, তেনেকৈ বয়োজ্যেষ্ঠ সকলক সমাজে সন্মান কৰে। গাঁৱত হাই-কাজিয়া হ'লে বা কোনোবাই দায়-জগৰ লগালে 'কেবাং' চাপে অৰ্থাৎ সমাজ গোট খায়। সমাজত বয়ো-বৃদ্ধসকলেই বিচাৰ কৰি ৰায় দিয়ে। অতীজত 'গাম' সকলে সমাজৰ প্ৰধান লোক আছিল।

মিচিং বা মিৰিসকলৰ সামাজিক জীৱন শান্তিপূৰ্ণ। ঘৰখনৰ ভিতৰত যেনেকৈ মুৰব্বীজনৰ দিহা পৰামৰ্শ আৰু উপদেশ মতেই ঘৰৰ সকলো মানুহ নিজজ্ঞান ভাৱে চলি থাকে, তেনেকৈ বয়সীয়াল সকলৰ দিহা-পৰামৰ্শতেই গাঁওখনো একে নীতি নিয়মৰ মাজত নিয়াৰিকৈ চলিত হয়। সমাজৰ সকলো পৰ্ব উৎসৱাদি গাঁৱৰ বা সমাজৰ সকলো লোক একেলগ হৈ একেভাৱে পালন কৰে।

**আচাৰ-ব্যৱহাৰ ঃ** মিচিং সকল স্বভাৱতে শান্ত প্ৰকৃতিৰ। উৎসবাদিত নাচ-গান কৰি তেওঁলোকে ভাল পায়। তেওঁলোকৰ পুৰুষ-তিৰোতা উভয়ে একেলগে নাচ-গান কৰিব পাৰে। আনন্দৰ কাৰণেই তেওঁলোকে নাচ-ধেমালি কৰে। সেই নাচ-ধেমালিত কোনো কলুষতা সোমাই থাকিব নোৱাৰে। "দদাই, তোৰ ঢোল বোৱাটো ভাল হোৱা নাই।" "মোমাই তোৰ ঢোলৰ চেওটো বৰখৰ হৈছে, নাচিবলৈ বেয়া।" এনেধৰণে নাচনী ছোৱালীয়ে দদায়েক বা মোমায়েকক কব পাৰে। দদায়েক বা মোমায়েকেও ভতিজী বা ভাগিনী ছোৱালীক নচুওৱাত কোনো বাধা নাই। কাৰণ তেওঁলোকৰ নাচ-ধেমালি এটা অহৈতুকী আনন্দ। "ককায়েকৰ ঢোল বায় ভনীয়েকে নাচে" বোলা কথাত তেওঁলোকৰ কোনো অপমান নাই। কিয়নো তেওঁলোকৰ উৎসাবাদিত নচা নাচবিলাকৰ কিছুমান অৰ্থ বা উদ্দেশ্য আছে। নৱাছিগা বিহু বা 'প-ৰাগত' নচা নাচ সামাজিক হ'লেও মূলতঃ ই আন এখন সমাজৰ আশীৰ্বাদ বা মিলাপ্ৰীতি পাবৰ কাৰণে কৰা প্ৰচেষ্টা। কিয়নো সেই উৎসৱত এখন গাঁৱৰ এদল ডেকা গাভৰুৱে আন এখন গাঁৱৰ এদল ডেকা-গাভৰুক নাচ ধেমালি আৰু উৎসৱৰ মাজেদি সন্তোষ দিবলৈ চেষ্টা কৰে। দেওধাইৰ লগত গাভৰু ছোৱালীয়ে নচা নাচ ধৰ্মমূলক। কিয়নো দেওধাইৰ লগত

নাচিলে দেউধাইৰ দেও উঠিব। দেও উঠাৰ পিছত দেওধায়ে গাঁৱৰ বা সমাজৰ আগন্তক অপায় অমঙ্গল আৰু তাৰ প্ৰতিকাৰৰ কথা কৈ দিব।

মিচিং বা মিৰিসকলে অতিথি শুশ্ৰষা কৰি ভাল পায়। তেওঁলোকে ভাতেৰে নিজে তৈয়াৰ কৰা 'আপং' নামৰ পানীয় খাদ্য ব্যৱহাৰ কৰে আৰু তাৰেই সকলো সময়তে অতিথি শুশ্ৰষা কৰে।

মিৰিসকলে হিন্দুধৰ্ম গ্ৰহণ কৰিছে যদিও কিছুমান বেলেগ সকাম-নিকাম, পৰ্ব উৎসৱ বা সকাম-নিকামত মিৰিসকলে 'আপং' ব্যৱহাৰ কৰে। তেওঁলোকৰ দেৱ-দেৱীৰ উদ্দেশ্যেও তেওঁলোকে 'আপং' উৎসৰ্গা কৰে। খেতিয়েই মিচিংসকলৰ প্ৰধান জীৱিকা। মিচিং বা মিৰি সমাজত দাস প্ৰথা নাই কিম্বা তেওঁলোকৰ সমাজত উচ্চ-নীচৰ কোনো প্ৰভেদ নাই। সমানে সকলোৱে খোৱা লোৱা কৰিব পাৰে। তেওঁলোকৰ সমাজত পলুৱাই নি বিয়া কৰা 'কুমচুজচু' বা জোৰোণ পিন্ধাই ছোৱালী অনা আৰু বিয়া পাতি ছোৱালী অনা প্ৰথা আছে।

**পূজা-পাতল আৰু উৎসৱ ঃ** মিচিংসকল হিন্দুধৰ্মী যদিও তেওঁলোকৰ কিছুমান নিজা পূজা-সেৱা আৰু উৎসৱ আছে। মিচিংসকলে 'তালেংউয়ূ' বুলি ওপৰ দেৱতা 'দু-মুৰ্গ', 'দাংবাং', 'মুগলিং', 'তাকাৰ', 'দঞিও', 'পল' (মেঘ-বিজুলী-তৰা-চন্দ্ৰ-সূৰ্য) আদিক পূজা কৰে। 'অচাগ' আৰু 'গিয়াতি' বুলিও ন-পুৰুষীয়া সকাম পাতে। তাৰোপতি ছৰি 'দবুৰ' বুলি পৃথিৱীত শস্য হ'বৰ কাৰণে এটা পূজা পাতে। বছৰি 'দবুৰ' পূজা নাপাতিলে গাঁৱত মানুহ আৰু গৰু, ম'হৰ অপায় অমঙ্গল হ'ব পাৰে বুলি তেওঁলোকৰ বিশ্বাস। মিচিংসকলে কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু পালন কৰাৰ উপৰিও আহিন কাতিমহীয়া আহুধান চপাই শেষ কৰি 'পৰাগ' (নৰাছিগা বিহু) পাতে। আহুধান সিঁচিবৰ সময়ত 'আলি-আই-লিগাং' বা চমুকৈ লিগাং পাতে। এই লিগাং বা ধানদোৱা বিহুত তেওঁলোকে বৰকাঁহ বজাই মেঘ দেৱতাক সজাগ কৰে। নাচি নাচি তেওঁলোকে আকাশৰ পৰা পানী নমাই আনি পৃথিৱীত শস্য শ্যামলা কৰিবলৈ উঠিপৰি লাগে।

**গীত-মাত ঃ** মিচিংসকলৰ নিজা মৌখিক ভাষাত ৰচনা কৰা অনেক বনগীত আছে। যেনে- 'বা-বা দৰতুমতেই, না-না দৰতুমতেই দৰতুম মামল বনবাগেম গিয়েপে' অৰ্থাৎ (আইতা যিমান লাগে ধন ভৰি হ'লেও ছোৱালীজনী ৰাখা, তাকে যদি কৰা নহয় মই বনবাস খাটিবলৈ যাম।)

ডেকা-গাভৰুৰ প্ৰথম জোঁৱাৰৰ সময়ত মিৰি ডেকা-গাভৰুৱে মুখে মুখে ৰচনা কৰা এই বনগীতবোৰৰ প্ৰায় ভাগেই প্ৰণয় প্ৰসূত। এই বনগীত বিলাকৰ বাহিৰেও ল'ৰা নিচুকনি গীতো মিৰি সমাজত প্ৰচলন আছে।

বৰ্তমান 'মি- মি তকা, তাতান তকা.....' বুলিবলৈ এৰি 'মোৰে মইনা সৰু, ৰাখে বৰে গৰু, এছাৰি হেৰুৱাই কান্দেহে.....' বুলি ল'ৰা নিচুকালেও ঠায়ে ঠায়ে 'ঐ খাউৱা কাপ্পয়! পেক্কাউৰে দেমাদা লাক্কেপেকে-মাদা মন' অৰ্থাৎ (মইনা নাকান্দিবা, এতিয়াও বাহৰ কপৌ চৰাইবোৰ উৰি যোৱা নাই) ইত্যাদি ধৰণৰ ল'ৰা নিচুকণি গীত প্ৰচলিত আছে।

মিৰিসমাজৰ মাজত প্ৰচলিত সৰহখিনি সাধুৱেই আদিম মানৱ বিশ্বাসৰ ভেটিত প্ৰচলিত যাক ইংৰাজীত তন্ত্ৰমন্ত্ৰ বুলিব পাৰি। পৃথিৱীলৈ ভূত-প্ৰেতবিলাক কেনেকৈ আহিব পালে; নানা ধৰণৰ প্ৰাণীবিলাক জন্ম কেনেকৈ হ'ল, এনেধৰণৰ সাধুৱেই বেছিকৈ দেখিবলৈ পোৱা যায়।

মিৰিসকলৰ মৌখিক ভাষাত কিছুমান যোজনা-পটন্তৰো সোমাই থকা দেখা যায়। যেনে- "তাবি চিমাং কৰবম" (মৰা সাপদেই নোযোৱা) ইয়াৰ অৰ্থ হ'ল কাৰো অপকাৰ নকৰা।

**জন-বিশ্বাস ঃ** মিৰি সমাজত কিছুমান জন-বিশ্বাস প্ৰচলিত হৈ থকা দেখা যায়। কুকুৰাই যদি কাণে কাণে কথা পতাৰ নিচিনা কৰি থাকে তেতিয়া তেওঁলোকে আলহী অহিব বুলি বিশ্বাস কৰে। অকলশৰীয়াকৈ বৰ ঘৰৰ মূধত যদি কপৌৱে ৰুণ দিয়ে তেওঁলোকে বিশ্বাস কৰে যে সেই ঘৰৰ কোনো উপৰি পুৰুষৰ আত্মাই কপৌ ৰূপ ধৰি কান্দিছে। ভঁৰালত যদি ঘনচিৰিকা চৰাই নাথাকে তেতিয়া তেওঁলোকে বিশ্বাস কৰে যে কিবা বেমাৰ-আজাৰ হোৱাৰ আশঙ্কা আছে। এনেধৰণৰ বহুতো জন-বিশ্বাস মিচিং জনজাতিৰ মাজত দেখিবলৈ পোৱা যায়।

**সহায়ক গ্ৰন্থ ঃ**

ক) অসমৰ জনজাতি ঃ সম্পা. - ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, প্ৰকাশক- অসম সাহিত্য সভা, কিৰণ প্ৰকাশন, ৩য় সংস্কৰণ অক্টোবৰ - ২০০৮।

খ) অসমৰ জনজাতি আৰু সংস্কৃতি ঃ সম্পা. ড০ মলিনা দেৱী ৰাভা, প্ৰকাশক- অসম সাহিত্য সভা, ১ম প্ৰকাশ ২০১১ খ্ৰীঃ

# জ্ঞানৰ সাধক ছক্রেটিছ

- ৰূপম বৈশ্য -
*স্নাতক ষষ্ঠ ষান্মাষিক*

জ্ঞানৰ সাধক ছক্রেটিছৰ জন্ম প্ৰায় ৪৬৯-৪৭০খ্ৰীঃপূঃ মানত হৈছিল। এটা অতিকৈ সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল তেওঁ। তেওঁৰ দেউতাকে শিলৰ মূৰ্ত্তি বনাই পোৱা টকাৰে সৰু পৰিয়ালটোক পোহপাল দিছিল। এগৰাকী দায়িত্বশীল পত্নীৰ দৰে তেওঁৰ মাতৃয়েও ধাই হিচাপে চাকৰি কৰি আৰ্থিক দিশত দেউতাকক কিছু সকাহ দিছিল। ছক্রেটিছে দুবাৰকৈ বিবাহ পাশত আৱদ্ধ হৈছিল। প্ৰথমা পত্নী বিয়োগৰ পাছত জান্তিপা নামেৰে এগৰাকী যুৱতীক তেওঁ আপোন কৰি লয়। কিন্তু সংসাৰৰ দায়িত্বত ছক্রেটিছ আছিল দায়িত্বহীন। অৰ্থাৎ পৰিয়ালৰ সুখৰ প্ৰতি তেওঁৰ নাছিল কোনো দায়ৱদ্ধতা। ইয়াৰ বাবে তেওঁ পত্নীৰ পৰা বহু গালি-শপনি খাব লগাত পৰিছিল। কিন্তু তেওঁ ইয়াক লৈ কোনো আক্ষেপ কৰা নাছিল। বৰং ইয়াৰ সলনি তেওঁ পত্নীক সহনশীলতাৰ কাৰক হিচাপে মানি লৈ সাংসাৰিক জীৱনত হৈ পৰিছিল এজন সহনশীল ব্যক্তি।

ছক্রেটিছৰ সময়ত আজিৰ দৰে কোনো উন্নত মানৰ Technology বা Camera আদিৰ আৱিস্কাৰ হোৱা নাছিল যদিও বহু পৌৰাণিক চিত্ৰ, ব্ৰঞ্জৰ মূৰ্ত্তি আদিৰ পৰা তেওঁৰ আকৃতি সম্পৰ্কে আভাস পোৱা যায়। ছক্রেটিছ দেখিবলৈ এজন অতি অশুৱনি ব্যক্তি আছিল, কিন্তু অশুৱনি অৱয়ৱৰ তলত যি ব্যক্তিত্ব আছিল সেই ব্যক্তিত্বই তেওঁক বিশ্বপ্ৰসিদ্ধ মহান ব্যক্তি স্বৰূপে গঢ় দিলে।

ছক্রেটিছৰ জন্মৰ সময়ছোৱাই আছিল গ্ৰীচৰ ইতিহাসৰ এক সোণালীযুগ। এই সময়ছোৱাতেই তেওঁৰ জন্মৰ আগৰে পৰা গ্ৰীচ আৰু পাৰস্যৰ মাজত চলি অহা যুদ্ধখনৰ অৱসান ঘটে আৰু গ্ৰীচে বিশ্ব শক্তিৰ মৰ্যাদা লাভ কৰে। এই যুদ্ধত জয়লাভ কৰি গ্ৰীকসকল বহুপৰিমানে আত্মবিশ্বাসী হৈ পৰিছিল। এই সফলতাই তেওঁলোকৰ মাজত নানা প্ৰতিভাৰ জন্ম দিছিল। এই যুগতেই - এনাকাজিমেনিছ, ইউৰিনাইডিছ, ছফোক্লিছ, এচিষ্ট'ফানিছ, জেনোফন, হেৰ'ডটাছ, থুচিডাইডিছ নামৰ মহান দাৰ্শনিক, নাট্যকাৰ, ঐতিহাসিক আদি মহান পুৰুষ সকলৰ জন্ম হৈছিল।

এনে এটা যুগত জন্ম গ্ৰহণ কৰি জ্ঞানৰ সাধক ছক্রেটিছেও সেই সময়ৰ আন আন গ্ৰীক দাৰ্শনিকৰ দৰে নিজৰ দাৰ্শনিক জীৱনৰ আৰম্ভণি ঘটাইছিল। বিশেষকৈ আকাশ, চন্দ্ৰ, সূৰ্য্য, নক্ষত্ৰ, গ্ৰহ-উপগ্ৰহ আদিৰ পৰ্যবেক্ষনৰ জৰিয়তে তেখেতে দাৰ্শনিক জীৱনৰ পাতনি মেলিছিল। অৱশ্যে তেওঁ মানৱ কেন্দ্ৰিক দৰ্শন শাস্ত্ৰ বিশেষকৈ গুৰুত্ব আৰোপ কৰিছিল।

জীৱনৰ ৪০ টা বছৰ পাৰ হৈ যোৱাৰ পিছত তেওঁৰ অভিজ্ঞতাই এক নতুন দিশ পালে। সেই সময়ত গ্ৰীক সকল দৈৱবাণীত বিশ্বাস কৰিছিল। যিহেতু দেৱতাবোৰৰ লগত মানুহে প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিব নোৱাৰে, গতিকে সেই সময়ৰ এই দৈৱবাণী মন্দিৰৰ পুৰোহিতবোৰে প্ৰচাৰ কৰিব লাগিছিল। ছক্রেটিছৰ সময়ত ডেলফিৰ এনলো দেৱতাৰ মন্দিৰ আছিল আটাইতকৈ বিখ্যাত। মানৱ জীৱনৰ ৰহস্য সম্পৰ্কে উদ্ভৱ হোৱা বিভিন্ন প্ৰশ্নৰ সমাধান বিচাৰি গ্ৰীকসকলে এই মন্দিৰত ভিৰ কৰিছিল। এদিন ছক্রেটিছেও তেওঁৰ বন্ধু চেৰিফ'নৰ সৈতে এই মন্দিৰলৈ গৈছিল। এই মন্দিৰৰ পুৰোহিতজনে কোৱা এটা বাক্যই ছক্রেটিছৰ দৃষ্টি ভংগী সলনি কৰি পেলাইছিল। কাৰণ তেওঁ ছক্রেটিছক অতি জ্ঞানী ব্যক্তি বুলি অভিহিত কৰিছিল। প্ৰথম অৱস্থাত যদিও তেওঁ ইয়াৰ অৰ্থ বুজি পোৱা নাছিল, পিছলৈ গভীৰভাৱে চিন্তা-চৰ্চা কৰি তেওঁ বুজি পালে যে পুৰোহিতজনে তেওঁক কৰ্তব্যৰ দিশত আগুৱাই যাবলৈ নিৰ্দেশ দিছে। ডেলফিৰ এই মন্দিৰটোতে ছক্রেটিছে এষাৰ কথা কৈছিল, যি কথাই তেওঁক আজিও অমৰ কৰি ৰাখিছে। সেয়া হ'ল -'মই এইটোৱেই জানো যে মই একোৱেই নেজানো।'

আৰম্ভণিতে যদিও তেওঁ গ্ৰহ-নক্ষত্ৰ আদিৰ অধ্যয়নেৰে নিজৰ দাৰ্শনিক জীৱনৰ আৰম্ভণি ঘটাইছিল তথাপিও কিন্তু ডেলফিৰ সেই মন্দিৰটোৰ পৰা আহি তেওঁৰ দৃষ্টিভংগীৰ আমূল পৰিৱৰ্তন হ'ল। ইয়াৰ পৰিবৰ্তে তেওঁ মানৱ

জীৱন কেন্দ্ৰিক দৰ্শনক গুৰুত্ব দিলে। লাহে লাহে ছক্ৰেটিছ হাট-বজাৰ আদিত ঘুৰিবলৈ আৰম্ভ কৰিলে আৰু তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্ন লোকক প্ৰশ্ন কৰিবলৈ ধৰিলে। যেনে -"তুমি যে নৈতিকতাৰ কথা কৈছা, এই নৈতিকতাই প্ৰকৃততে কি বুজায়?" ইত্যাদি, এশ এবুৰি প্ৰশ্নৰে তেওঁ ব্যক্তিবোৰক ব্যতিব্যস্ত কৰিবলৈ ধৰিলে। কিন্তু ছক্ৰেটিছে নিজে কেতিয়াও কোনো প্ৰশ্নৰ উত্তৰ দিবৰ চেষ্টাও কৰা নাছিল, তেওঁ মাত্ৰ লোকবোৰক প্ৰশ্নহে কৰিছিল।

অৱশ্যে তেওঁৰ এই কাৰ্যই বহুতক বিৰক্তও কৰিছিল। তেওঁলোকৰ মতে - 'তুমি যি প্ৰশ্নৰ উত্তৰ নিজেই নাজানা, সেয়া আনক সুধি ব্যতিব্যস্ত কৰিছা কিয়?' ইয়াৰ জৰিয়তে তেওঁ মানুহবোৰক যুক্তি সহকাৰে চিন্তা কৰিবলৈ এনে ধৰণৰ প্ৰশ্ন সুধিছিল। তেওঁ মানুহৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰাত অৰিহণা যোগাইছিল।

এই গৰাকী মহান ব্যক্তিয়ে তেওঁৰ জীৱনৰ কোনো কথাই লিপিবদ্ধ কৰা নাছিল। কাৰণ তেওঁ ইয়াক বিশ্বাস কৰা নাছিল। যদি তেওঁৰ শিষ্যবোৰে তেওঁৰ এই দৰ্শনক লিখিত আকাৰে নাৰাখে তেতিয়াহলে হয়তো ইমান বছৰ পিছতো তেওঁক ইমান জীৱন্ত আকাৰে আমি নাপালোহেঁতেন।

৪০৪ খ্ৰীঃপূঃত স্পাৰ্টাৰ হাতত এথেন্স পৰাজিত হয়। এথেন্সৰ এই পতনৰ প্ৰধান কাৰণ হিচাপে ছক্ৰেটিছক দোষাৰোপ কৰিছিল। সেই সময়ত তেওঁৰ বিৰুদ্ধে এইটো অভিযোগ উত্থাপিত হৈছিল যে ছক্ৰেটিছে সেই সময়ৰ গ্ৰীচৰ নাগৰিকবোৰক বিশেষকৈ যুৱ প্ৰজন্মক ভুল শিক্ষা দি ধ্বংসৰ পিনে আগুৱাই লৈ গৈছিল। উক্ত অভিযোগৰ বাবেই তেওঁক বিচাৰৰ সন্মুখীন কৰা হৈছিল। বিচাৰত তেওঁক মৃত্যু দণ্ডৰে দণ্ডিত কৰা হৈছিল। বিচাৰৰ ৰায় ঘোষিত হোৱাৰ পিছত তেওঁ বিচাৰকবোৰক উদ্দেশ্যি কৈছিল যে - যদি কেতিয়াবা তেওঁৰ পুত্ৰবোৰৰে চৰিত্ৰ গঠনতকৈ ধন অৰ্জনত অধিক গুৰুত্ব দিয়ে তেতিয়া বিচাৰক মণ্ডলীয়ে যেন তেওঁলোকক উচিত শাস্তি দিয়ে। অৱশ্যে মৃত্যু দণ্ডৰে দণ্ডিত হোৱাৰ পিছত তেওঁৰ শিষ্যবোৰে তেওঁ মৃত্যুৰ পৰিবৰ্তে আন শাস্তি ল'ব বুলি ভাবিছিল। কিন্তু তেওঁ তেনে নকৰাত তেওঁলোক ভাগি পৰিছিল।

সেই সময়ত গ্ৰীচত ফাঁচী ব্যৱস্থাৰ প্ৰচলন নাছিল। ইয়াৰ সলনি হেমলক নামৰ এবিধ কালান্তক বিষ খুৱাই অপৰাধীক শাস্তি প্ৰদান কৰা হৈছিল। ছক্ৰেটিছকো প্ৰচলিত প্ৰথানুসৰি হেমলক পান কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। অৱশেষত তেওঁক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল। কাৰাগাৰত থকা সময়ত তেওঁৰ শিষ্যবোৰে তেওঁক তাৰপৰা পলায়ন কৰাৰ বাবে সকলোবোৰ বন্দোৱস্ত কৰিছিল যদিও তেওঁ লক্ষ্যত অটল আছিল।

এই গৰাকী মহান ব্যক্তিৰ জীৱনৰ অন্তিম দিনটোৰ বিষয়ে আমি প্লেটোৰ লিখনিত সবিশেষ পাও। উক্ত দিনা ছক্ৰেটিছে তেওঁৰ শিষ্যবোৰক শান্ত্বনা দি কৈছিল, - 'মৃত্যুই কেৱল শৰীৰহে পতন ঘটাই, কিন্তু আত্মা সদায় অমৰ হৈ থাকে।' ইয়াকে কৈ তেওঁ ক্ৰিটোৰ সৈতে স্নানাগাৰলৈ গৈছিল। তেওঁ স্নানাগাৰত থাকোতেই বেলি প্ৰায় লহিয়াবৰ হৈছিল। এটা সময়ত প্লেটোই দুখ প্ৰকাশ কৰি এনেদৰে লিখিছিল - "তেওঁ আমাৰ বাবে পিতৃতুল্য ব্যক্তি আছিল। কিন্তু কিছুপৰ পিছত আমি তেওঁক চিৰদিনৰ বাবে হেৰুৱাই পেলাম আৰু জীৱনৰ বাকীছোৱা কাল আমি কটাব লাগিব অভিভাৱকহীন এক অনাথৰ দৰে।"

অন্য দিনাৰ দৰে সিদিনাৰ তেওঁৰ সান্নিধ্যই তেওঁৰ শিষ্যবোৰক প্ৰফুল্ল কৰিব পৰা নাছিল। তেওঁলোকে মাথো স্তব্ধ হৈ ক্ষণ গণিছিল। গোটেই কোঠাটোতে এক নিস্তব্ধতাই বিৰাজ কৰিছিল। এটা সময়ত এই নিস্তব্ধতা ত্যাগ কৰি কাৰাধ্যক্ষজন তেওঁৰ গুণ বখানি হেমলক দিয়াৰ বাবে ক্ষমা খুজিলে। কাৰাধ্যক্ষজনে দিয়া হেমলকখিনি পান কৰি তেওঁ লাহেকৈ বিছনাত শুই পৰিল। লাহে লাহে তেওঁ অৱশ হ'বলৈ ধৰিলে। জীৱনৰ শেষ মুহূৰ্তত তেওঁ এষাৰ কথা কৈছিল যে - 'তেওঁ এছক্লিপেচিয়াৰ পৰা এটা কুকুৰা ধাৰলৈ আনিছিল, যাতে প্ৰাপ্য ধনখিনি তেওঁক দিয়া হয়। ইয়াৰ উত্তৰত ক্ৰিটোৱে হ'ব বুলি কৈছিল আৰু সুধিছিল যে আৰু কিবা আছে নেকি? কিন্তু নাই, তেওঁৰ পিনৰ পৰা আৰু কোনো উত্তৰ অহা নাছিল।

এনেকৈয়ে সামৰণি পৰিল এটা যুগৰ যি যুগত তেওঁ জ্ঞানৰ পোহৰ বিলাই জাতিস্কাৰ কৰি তুলিছিল সেই সময়ৰ গ্ৰীক সকলক। ❑❑❑

# বঙ্গোপৰ পাৰে পাৰে

- আদিত্য ৰাভা -
*স্নাতক দ্বিতীয় ষান্মাসিক (বাণিজ্য)*

বঙ্গোপ সাগৰখন নিজৰ যেন লাগে। আমাৰ অসমত সাগৰ নাই বাবে হয়তো আমি তেনেকৈ অনুভৱ কৰোঁ। বঙ্গোপ সাগৰৰ কথা আমি বুৰঞ্জী, ভূগোল, গল্প আদিত পঢ়িছোঁ। বেছিভাগ ইতিহাস প্ৰসিদ্ধ ঠাইয়ে বঙ্গোপৰ ওচৰে পাজৰে আছে। সেয়েহে উৰিষ্যাৰ পুৰীধাম ভ্ৰমণক বঙ্গোপৰ পাৰে পাৰে বুলি উল্লেখ কৰিছোঁ। উৰিষ্যাৰ পুৰীৰ জগন্নাথ মন্দিৰৰ বিষয়ে মই পিছলৈ বৰ্ণনা কৰিম।

কলকাতাৰ পৰা জগন্নাথ এক্সপ্ৰেছেৰে (Jagannath Express) আহি আমি পুৰী (Puri) ষ্টেচনত নামিলোহি। তাৰ পৰা আমাক গাইডে লাঞ্চ (Lunch)ৰ বাবে লৈ গ'ল। খোৱা-বোৱাৰ সকলো দায়িত্ব ট্ৰেভেল এজেঞ্চীয়ে লৈছিল। সাধাৰণতে out of state বা বাহিৰলৈ গ'লে নিজে খোৱা-বোৱাৰ দায়িত্ব নোলোৱাই ভাল। কাৰণ ভাল খাদ্য বিচাৰি বহুতো সময়ত যথেষ্ট হাবাথুৰি খাবলগা হয়। দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আমি অলপ জিৰণি লৈ আবেলি পৰত বঙ্গোপ সাগৰলৈ গলো সমুদ্ৰ স্নানৰ বাবে। অকল বঙ্গোপ সাগৰে নহয় বিখ্যাত সাগৰৰ কথা সৰুৰে পৰা শুনি আহিছিলো। সঁচাকৈ সাগৰ বৰ বিশাল। কেইবা ঘন্টা ধৰি আমি সমুদ্ৰ স্নানৰ লগতে উপভোগ কৰিলো সাগৰৰ পাৰৰ হীৰা, মুনি-মুকুতা, কাপোৰ আদি অন্যান্য বজাৰ আৰু বঙ্গোপ সাগৰৰ উচ্চ গভীৰতা। সন্ধিয়া আমি দৰ্শন কৰিলো অন্য এটা বীচ্ (Beach)। তেতিয়া নীলা আকাশত তৰাৰ জিলমিল। জোনবাইৰ লগত সিহঁতৰ ধেমালি। জোনৰ পোহৰত সাগৰৰ পানীবোৰ মুকুতা যেন হৈছে। মলয়া বতাহে গা জুৰ পেলাইছে। দম্পতী এহালে তাত ডাব নাৰিকল বিক্ৰী কৰিছে। আমিও একোতাকৈ হাতে হাতে ডাব লৈ উপভোগ কৰিলো চন্দ্ৰাৱলী আৰু সমুদ্ৰৰ মিঠা শিহৰণ।

জানিব পৰা মতে অমাবস্যা বা পুৰ্ণিমা আদিত বঙ্গোপ সাগৰত বেছিকৈ ঢৌ উঠে। ২০০৪ চনৰ ২৬ ডিচেম্বৰত বঙ্গোপ সাগৰৰ গৰ্ভত প্ৰৱল ভুমিকম্পৰ ফলত উপকুল অঞ্চলত সৃষ্ট 'ছুনামি'ৰ কবলত পৰি ভাৰত সহ ৬ খন ৰাষ্ট্ৰত লাখৰো অধিক মানুহৰ মৃত্যু হয়। ৰিখতাৰ স্কেলৰ মতে ভূমিকম্পৰ প্ৰাবল্য ৮.৯ আছিল।

আমি থকা ভৱনৰ পৰা সমুদ্ৰ পৃষ্ঠৰ দূৰত্ব প্ৰায় ১ কি.মি. মানহে আছিল। তাৰ বাবে তাত থকা কেইদিন প্ৰতিদিনে সমুদ্ৰ স্নান কৰি আছিলো। শ্ৰীমন্দিৰৰ দক্ষিণ পূৱ দিশত সমুদ্ৰ। ইয়াক মহোদধি বা বঙ্গোপ সাগৰ বুলি কয়। ইয়াত স্বৰ্গদ্বাৰ নামে এক ঘাট আছে ইয়াত মৃত লোকৰ সৎকাৰ কৰা হয়। হিন্দু সকলৰ বিশ্বাস যে মৃত ব্যক্তিক স্বৰ্গদ্বাৰত দাহ কৰিলে সেই ব্যক্তিৰ আত্মা মুক্ত হয়। সমুদ্ৰ স্নান অত্যন্ত আনন্দ দায়ক।

**দৃষ্টিৰ অন্তৰালত উৰিষ্যা (Orissa at a glance):** ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ উৰিষ্যাৰ বহুত নাম যেনে কলিঙ্গ, উতকল, কোঙ্গদ আৰু উদ্ৰদেশ। ভাৰতবৰ্ষৰ পূৱ উপকুলত এই প্ৰদেশ অৱস্থিত। অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা এই উৰিষ্যা নীল সাগৰ আৰু তাৰ বেলাভূমি, পাহাৰী নিজৰা, সেউজ বনানী, মাছ, পক্ষী আৰু ডলফিনৰে ভৰা। ইয়াৰ চিলিকা হ্ৰদ আৰু জলপ্ৰপাত আদিয়ে পৰ্য্যটক সকলক চম্বুকৰ দৰে আকৰ্ষণ কৰি তোলে। স্মৃতিৰ প্ৰীতিৰ মনোৰম কাৰ্য কলাৰ বাবে উতকল আজিও বিশ্ববিখ্যাত। ১,৫৫,৭০৭ বৰ্গ কিলোমিটাৰ ব্যাপি এই প্ৰদেশ। পুৰীৰ শ্ৰীজগন্নাথ মন্দিৰ, কোণাৰ্কৰ সূৰ্য্যমন্দিৰ আৰু ভুবনেশ্বৰৰ লিঙ্গৰাজ মন্দিৰক উৰিষ্যাৰ স্বৰ্ণ ত্ৰিভূজ (Golden Trinagle) বুলি কোৱা হয়।

তাৰ পিছৰ দিনা আমি পুৰীৰ শ্ৰীগুণ্ডিচা মন্দিৰ (Gundicha ghar Temple) চাবলৈ গলো। পুৰীৰ শ্ৰীমন্দিৰৰ পৰা ২ কি.মি দূৰত্বত উত্তৰ দিশত এই মন্দিৰ অৱস্থিত। এই মন্দিৰৰ উচ্চতা ৪৩০ ফুট আৰু বহল ৩২০

ফুট। ৰজা ইন্দ্ৰদ্যুম্নৰ ৰাণী গুণ্ডিচাৰ নামানুসাৰে এই মন্দিৰৰ নাম গুণ্ডিচা মন্দিৰ ৰখা হৈছে। শ্ৰীজগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰাৰ পৰা বাহুৰা ৰথ (উল্টা ৰথ) পৰ্য্যন্ত এই মন্দিৰত অৱস্থান কৰে। এই বাবে এই মন্দিৰক (The House of Lord Jagannath Aunt) বুলি কয়।

ইয়াৰ পৰা আহি আমি পুৰীৰ নৰেন্দ্ৰ পুষ্কৰিণী চাবলৈ গলো। ই শ্ৰীমন্দিৰৰ পৰা ১ কি.মি. দূৰত্বত অৱস্থিত। ইয়াত মহাপ্ৰভু শ্ৰীজগন্নাথৰ চন্দন যাত্ৰা হয়। সেই বাবে এই পুষ্কৰিণীক চন্দন পুষ্কৰিণী বুলিও কোৱা হয়। এই পুষ্কৰিণীৰ দৈৰ্ঘ্য ৮৭৩ ফুট আৰু প্ৰস্থ ৮৩৪ ফুট। চন্দন যাত্ৰা ব'হাগ মাহৰ শুক্লা তৃতীয়াৰ পৰা আৰম্ভ হয় আৰু ২১ দিন পৰ্য্যন্ত চলি থাকে। Narandra Tankৰ পৰা পোনে পোনে পুৰীৰ শ্ৰীলোকনাথ মন্দিৰ চাবলৈ গলো। পুৰীৰ এই মন্দিৰটি এক প্ৰাচীন মন্দিৰ। ইয়াত ভগৱান শিৱ লোকনাথ নামে পুজিত হৈছিল। এই মন্দিৰটো শ্ৰীমন্দিৰৰ পৰা ৩ কি.মি. দূৰত্বত দক্ষিণ-পশ্চিম দিশত অৱস্থিত। প্ৰত্যেক বছৰৰ শিৱ চতুৰ্দ্দশী (শিৱৰাত্ৰী)ৰ দিনা ইয়াত এটা ডাঙৰ উৎসৱ (মেলা) হয়। ইয়াতে শ্ৰীৰাম চন্দ্ৰই লংকা গমন কৰাৰ আগত শিৱৰ পূজা কৰিছিল। শ্ৰীলোকনাথক শ্ৰীজগন্নাথৰ ভাণ্ডাৰ ৰক্ষক বুলি জনা যায়। এই মন্দিৰৰ কাষত 'পাৰ্বতী সাগৰ' নামে এটা পুষ্কৰিণী আছে। এই মন্দিৰৰ পৰা আহি পোনে পোনে আমি পুৰীৰ সাক্ষী গোপাল মন্দিৰলৈ গলো। পুৰীৰ পৰা ১৮ কি.মি. দূৰত্বত এই মন্দিৰ অৱস্থিত। ইয়াত বংশীধাৰী শ্ৰীকৃষ্ণৰ কাষত শ্ৰীৰাধাৰ মূৰ্ত্তিও আছে। কাৰ্ত্তিক মাহত নৱমী তিথিত শ্ৰীৰাধাৰ পদ দৰ্শন হয় আৰু ইয়াত সেইদিনা ডাঙৰ উৎসৱ হয়। ইয়াৰ পৰা আহি আমি পুৰীৰ চিলিকা হ্ৰদ চাবলৈ গলো। চিলিকা হ্ৰদ ভাৰত বৰ্ষৰ ভিতৰত এক সৰ্ববৃহৎ হ্ৰদ বুলি জনা যায়। এই হ্ৰদ উৰিষ্যাৰ উপকুলবৰ্ত্তীত অৱস্থিত। এই হ্ৰদ পুৰীৰ পৰা ১৬৫ কি.মি. দূৰত্ব ধৰা হয়। ইয়াৰ ক্ষেত্ৰফল ১১০০ বৰ্গ কি.মি.। বহুত দ্বীপৰ সমাহাৰে এই হ্ৰদটি অত্যন্ত শোভনীয় দেখা যায়। দেশ বিদেশৰ পৰা নানা ৰকমৰ পক্ষী এই হ্ৰদত শোভাবৰ্দ্ধন কৰে। ইয়াৰ পৰা আহি ভুৱনেশ্বৰৰ লিঙ্গৰাজ মন্দিৰলৈ গলো। পুৰীৰ পৰা ৰেলেৰে বা বাছেৰে ৫০ কি.মি. দূৰত্বত উৰিষ্যাৰ ৰাজধানী ভুৱনেশ্বৰ অৱস্থিত। ভুৱনেশ্বৰত বহু গলিত মন্দিৰ থকাৰ বাবে ইয়াক মন্দিৰ নগৰী বুলিও কয়। এই লিঙ্গৰাজ মন্দিৰটি ১১০০ শতাব্দীতে সোম বংশী ৰজা লালাটেন্দু কেশৰীয়ে নিৰ্মাণ কৰিছিল। ইয়াৰ উচ্চতা ১৮০ ফুট। ইয়াত ভগৱান শিৱৰ লিঙ্গ বিগ্ৰহ আছে। এই মন্দিৰৰ কীৰ্তিয়ে দৰ্শকক, ভক্তক মন মুগ্ধ কৰি তোলে। তাৰ পৰা আহি কোণাৰ্কৰ সূৰ্য্য মন্দিৰ (Sun Temple)ত সোমালো। কৰ্ণাক সূৰ্য্য উপাসনাৰ প্ৰধান পীঠ। ইয়াক Black Pagoda বুলি জনা যায়। পুৰীৰ পৰা ৩৬ কি.মি. দূৰত্বত এই মন্দিৰ অৱস্থিত। ১২০০ শতাব্দীতে উৰিষ্যাৰ গঙ্গাবংশী ৰজা লাঙ্গুলা নৰসিংহদেৱে ১২০০ শিল্পীৰ দ্বাৰা কঠিন পৰিশ্ৰম কৰি ১২ বছৰৰ ৰাজহ খৰচ কৰি এই মন্দিৰৰ নিৰ্মাণ কাৰ্য সমাপ্ত কৰিছিল। এই মন্দিৰৰ উচ্চতা ২২৮ ফুট। মন্দিৰৰ কাৰ্যকলাপ, সৌন্দৰ্য্য দেখিলে যি কোনো লোকে স্তম্ভিত হৈ যায়। সেইবাবে বাংলা কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে ইয়াৰ সৌন্দৰ্যত মোহিত হৈ কৈছিল যে "Here the Language of man is defeated by the language" আৰু এই সূৰ্য্য মন্দিৰৰ দক্ষিণ দিশত অলংকাৰেৰে ভূষিত দুটি যোদ্ধা ঘোৰা (The war Horse) আছে।। প্ৰত্যেকটো ঘোৰাৰ লম্ব ১০ ফুট আৰু প্ৰস্থ ৭ ফুট। বৰ্তমানে এই ঘোৰা উৰিষ্যাৰ চৰকাৰী মোহৰ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ ৰথ চক্ৰও দেখিলো। এই কোনাৰ্কৰ সূৰ্য মন্দিৰটো এখন ৰথৰ দৰে তৈয়াৰী আৰু এই মন্দিৰটো সূৰ্য্যদেৱৰ পূজাৰ বাবে নিৰ্মাণ কৰা হৈছিল। ইয়াত ২৪ টা চকা আছে। প্ৰতিটো চকাৰ ৮ টা খাটি (Spok) আছে। এটা চকাৰ ব্যাস ৯.৯ ফুট । প্ৰতিটো চকাই অপূৰ্ব শিল্প কলাৰে ভৰপুৰ। এই কোনাৰ্কৰ সূৰ্য্য মন্দিৰত তিনি ৰকমৰ সূৰ্য্য দেৱতা আছে। দক্ষিণ দিশত থকা সূৰ্য্য দেৱতাক উদিত সূৰ্য্য যাৰ উচ্চতা ৮.৩ ফুট, পশ্চিমে মধ্যাহ্ন সূৰ্য্য যাৰ উচ্চতা ৯.৬ ফুট আৰু উত্তৰে অস্ত সূৰ্য্য বোলা হয়। এই মন্দিৰৰ পৰা আহি আমি নন্দন কানন চিড়িয়া ঘৰ (Nandan Kanan Zoo) চাবলৈ গলো। এই চিড়িয়াখানা ভাৰতবৰ্ষৰ ভিতৰত সৰ্বোত্তম আৰু সৰ্ববৃহৎ চিড়িয়াঘৰ। এই চিড়িয়াঘৰ পুৰীৰ পৰা ৮৫ কি.মি আৰু ভুৱনেশ্বৰৰ পৰা ২৫ কি.মি. দূৰত্বত অৱস্থিত।

এই চিড়িয়াখানা বেঙ্গলবাঘ (Royal Bengal Tiger) আৰু বগা বাঘ বা সাদা বাঘৰ বাবে পৃথিৱী বিখ্যাত। ৫০ একৰ ঠাইত ২৫ টা সিংহ থকা সিংহ চাফাৰী বাগান (Lion Safari Park) চোৱাৰ বাবে অত্যন্ত আনন্দ দায়ক। এই চিড়িয়াঘৰ ৰাতিপুৱা ৮ বজাৰ পৰা আবেলি ৫ বজালৈ খোলা থাকে। প্ৰত্যেক সোমবাৰে বন্ধ থাকে। ইয়াৰ পৰা আহি

পোনে পোনে আমি ভুৱনেশ্বৰৰ মুক্তেশ্বৰ মন্দিৰ চবলৈ গলো। মুক্তেশ্বৰ মন্দিৰৰ নিৰ্মাণ কাৰ্য খ্ৰীঃ পূঃ ১০০০ শতিকাত হৈছিল। মন্দিৰৰ উচ্চতা ৩৫ ফুট আৰু এই মন্দিৰ লিঙ্গৰাজ মন্দিৰৰ পৰা ২ কি.মি. দূৰত্বত অৱস্থিত। ইয়াৰ পৰা আহি ভুৱনেশ্বৰৰ ধউলিগিৰী চাবলৈ গলো। ভুৱনেশ্বৰৰ পৰা ৮ কি.মি. দূৰত্বত দক্ষিণ-পশ্চিম দিশত দয়ানদীৰ পাৰত ধউলিগিৰী অৱস্থিত। ১৯০০ শতাব্দিতে জাপানিজ সকলে আহি 'শান্তিস্তুপ' (Shanti Stupa or Stupa of peace) নামে এটি বৌদ্ধ মন্দিৰ নিৰ্মাণ কৰিছিল। মগধৰ ৰজা অশোকে কলিঙ্গ উৰিষ্যা বিজয় কৰাৰ পিছত হেজাৰ হেজাৰ মৃত সৈন্যক দেখি চণ্ডাশোকৰ পৰা ধৰ্মশোকত পৰিণত হৈছিল আৰু বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে।

ইয়াৰ বুৰঞ্জী মূলক ঠাইবোৰ অত্যন্ত আনন্দদায়ক আৰু অধিক চাবলগীয়া। ইয়াৰ পৰা আহি খণ্ডগিৰি, উদয়গিৰি গুহা (Khandagiri-Udayagiri Caves) চাবলৈ গলো। এই দুই পৰ্বত ভুৱনেশ্বৰৰ পৰা ৮ কি.মি দূৰত উত্তৰ-পশ্চিম দিশত অৱস্থিত। খণ্ডগিৰি পৰ্বতৰ উচ্চতা ১৩৩ ফুট আৰু ইয়াত ১৯ টা গুহা আছে (Caves) উদয়গিৰি পৰ্বতৰ উচ্চতা ১১০ ফুট আৰু তাত ৪৪ টা গুহা আছে । ইয়াত এটা হাতী গুহা ( Elephant caves) নামৰ গুহা আছে- য'ত ৰজা খাৰবেলৰ জীৱন ইতিহাসৰ বৃতান্ত আছে। ইয়াৰ পৰা আহি আমি পিছদিনা পুৰীৰ সাগৰৰ পাৰলৈ আহিলো জগন্নাথ মন্দিৰ দৰ্শনৰ বাবে। আজিৰ এই জগন্নাথ মন্দিৰ ১২০০ শতাব্দিতে উৰিষ্যাৰ গঙ্গাবংশীয় ৰজা অনঙ্গভীমদেৱৰ দ্বাৰা নিৰ্মিাণ কৰা হৈছিল। এই মন্দিৰৰ নিৰ্মাণৰ বাবে গঙ্গাৰ পৰা গোদাৱৰী পৰ্য্যন্ত বিস্তৃত বিশাল সম্ৰাজ্যৰ ১২ বছৰৰ ৰাজস্ব খৰচ কৰা হৈছিল। এই মন্দিৰৰ উচ্চতা ২১৪ ফুট আৰু ইয়াৰ আকাৰ পঞ্চৰথৰ দৰে। এই মন্দিৰৰ চৌপাশে এক বিশাল প্ৰাচীৰ আছে যাক 'মেঘনাথ' প্ৰাচীৰ বোলা হয়। এই প্ৰাচীৰৰ উচ্চতা ২০ ফুট আৰু প্ৰস্থ ৬৬০ ফুট। আৰু এই মন্দিৰটো ৪ ভাগত বিভক্ত যেনে; (১) বিমান (২) মুকশালা (৩) জগমোহন আৰু (৪) ভোগমণ্ডল। ইয়াত শ্ৰীমন্দিৰৰ বিখ্যাত জগন্নাথ বিগ্ৰহ দৰ্শন কৰিলোঁ। শ্ৰীমন্দিৰত মুখ্যতঃ ৩ টা বিগ্ৰহ আছে - বাওঁফালে শ্ৰীবলৰাম, মাজত দেৱী সুভদ্ৰা আৰু সোঁফালে শ্ৰীজগন্নাথ বিগ্ৰহ। এই ত্ৰিমুৰ্ত্তি নিমকাঠেৰে নিৰ্মিত। প্ৰায় ১২ বছৰ শ্ৰীবিগ্ৰহৰ কলেবৰ নতুন হৈ থাকে। অৰ্থাৎ প্ৰত্যেক ১২ বছৰৰ মূৰে মূৰে এই ত্ৰিমুৰ্ত্তিক সলনি কৰা হয়। প্ৰত্যেক বাৰ বছৰৰ আহাৰ মাহত পুৰণা নিমকাঠ সলনি কৰি নতুন কাঠেৰে বিগ্ৰহ পুণৰ নিৰ্মাণ কৰা হয়।

ইয়াৰ পিছত আমি ৰথযাত্ৰা চাবলৈ পুৰীলৈ গৈছিলোঁ। এই যাত্ৰা প্ৰত্যেক বছৰৰ আহাৰ মাহৰ শুক্ল পক্ষৰ দ্বিতীয় তিথিত হয়। এই যাত্ৰাকে গুণ্ডিচা যাত্ৰা বা ঘোষ যাত্ৰা (Rath yatra, Ghose Yatra) বোলা হয়। ৰথ যাত্ৰাৰ দিনত শ্ৰীবলৰাম, দেবী সুভদ্ৰা আৰু শ্ৰীজগন্নাথ কাঠৰ নিৰ্মিত সুসজ্জিত ত্ৰিমুৰ্ত্তিক তিনি ৰথত বহুৱাই লৈ শ্ৰীগুণ্ডিচা মন্দিৰলৈ যাত্ৰা কৰে। সেই তিনি বিগ্ৰহক এই মন্দিৰত ৭ দিন ৰখাৰ পিছত দশমীৰ দিনা পুনৰ শ্ৰীমন্দিৰলৈ ঘূৰাই লৈ আহে যাক 'ফিৰা ৰথ' বোলা হয়। শ্ৰীবলৰাম ৰথক তালধ্বজ, দেৱী সুভদ্ৰা ৰথক দেৱীদলন আৰু শ্ৰীজগন্নাথৰ ৰথক নন্দি ঘোষ বোলা হয়। সেই দিনা গোটেই দিনটোৱে ৰথ চোৱাত গ'ল। আমি ৰথ যাত্ৰাৰ আগতে উৰিষ্যা গৈ পাইছিলো। ৰথ যাত্ৰা চোৱাৰ পিছত 'ফিৰা ৰথ'ৰ বাবে ৭ দিন অপেক্ষা কৰাত সেই ৭ দিন বাকী মন্দিৰ দৰ্শন কৰিলোঁ। দশমীৰ দিনাও ৰাতিপুৱাৰ পৰা ৰথ চালো। ৰথ চোৱাৰ পিছত আবেলি ৪ মান বজাত Shopping ৰ বাবে লৈ গ'ল। উৰিষ্যাত বহুতো নামী-দামী Brand ৰ শ্ব'ৰূম আছে। ইয়াত কিছুমান Store ত বস্তুৰ দাম কিছু সস্তা।

প্ৰায় ৮ মান বজাত লড্চলৈ আহি ডিনাৰ কৰি শুই পৰিলো। উৰিষ্যাৰ শ্ৰীজগন্নাথ মন্দিৰ দৰ্শনেই আছিল আমাৰ মন্দিৰ দৰ্শনৰ শেষ পৰ্ব। ইমান দিনৰ ভাগৰে আমাক জুমুৰি ধৰিছিল। পুৰীৰ পৰা বিদায় লোৱাৰ বাবে মনটো বেয়া লাগিছিল। উৰিষ্যাৰ এই ভ্ৰমণে স্মৃতিৰ মনিকোঠাত বহুদিনলৈ সজীৱ হৈ থাকিব। পিছৰ দিনা ৰাতিপুৱা ব্ৰেকফাষ্ট কৰি ষ্টেচনলৈ যাবলৈ ওলালো। আমাৰ ট্ৰেইন আছিল পুৰী (Puri Station)ৰ পৰা মুম্বাইলৈ। নিৰ্দ্দিষ্ট সময়ত আমি যাবতীয় কাম খিনি সমাপ্ত কৰি মুম্বাইলৈ যাবলগীয়া ট্ৰেইনত বহিলোহি।

□□□

# চুটি গল্প ঃ বিশ্ব সাহিত্যৰ এক অনুপম সৃষ্টি

- বৰষা ৰাভা -
*স্নাতক দ্বিতীয় ষান্মাষিক (অসমীয়া বিভাগ)*

সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত চুটিগল্প সম্প্ৰতি অতি জনপ্ৰিয়। চুটিগল্প মানৱ জীৱনৰ আংশিক অভিব্যক্তি । ইয়াৰ এটা সংজ্ঞা সতকাই দিয়া টান। বিখ্যাত চুটি গল্পকাৰ এডগাৰ এলেন পোৰ মতে, 'আধা ঘন্টাৰ পৰা এঘন্টা অথবা অতি বেছি দুঘন্টাৰ ভিতৰত পঢ়ি শেষ কৰিব পৰা কথা কাহিনীয়েই চুটিগল্প।'

কিন্তু চুটি গল্পৰ পৰিসীমাক সময়ৰ জোখ-মাখৰ কটকটীয়া বান্ধোনেৰে বান্ধিব নোৱাৰি। কথিতব্য বিষয়বস্তুৰ উপস্থাপন আৰু কাহিনী বিন্যাসৰ কৌশলৰ ওপৰতহে ড° মহেন্দ্ৰ বৰাই এটি মন্তব্য দাঙি ধৰিছে। '.... বিস্তৃত জীৱন প্ৰৱাহত ভাঁহি উঠা এটি স্বৰ্ণিল মুহূৰ্ত অথবা এটা উজ্জ্বল ঘটনাই চুটিগল্পৰ অৱলম্বন।' আনহাতে কবিগুৰু ৰবীন্দ্ৰ নাথৰ মতে -

'নাহি বৰ্ণনাৰ ছটা ঘটনাৰ ঘনঘটা
নাহি তত্ত্ব নাহি উপদেশ
অন্তৰে অতৃপ্তি ৰবে সাঙ্গ কৰি মনে হ'কে
শেষ হয়ে হইল না শেষ।।"

এইবোৰ মন্তব্য আৰু দৃষ্টিভংগীৰ পৰা আমি চুটিগল্পৰ এটা সংজ্ঞা এনে ধৰণে দিবলৈ প্ৰয়াস কৰিব পাৰো-

অক্ষয় সংগ্ৰামেৰে ভাৰাক্ৰান্ত জীৱনৰ বিশেষ একোটা অবিস্মৰণীয় মুহূৰ্তত সংঘটিত হোৱা সংঘাতময়, মৰ্মস্পশী একক ঘটনাৰ ব্যঞ্জনাময় বিচিত্ৰ চিত্ৰণেই চুটিগল্প।

চুটিগল্প নামটোৱে সূচনা কৰে যে হ্ৰস্বতা চুটিগল্পৰ প্ৰধান লক্ষণ। সংঘটিত কোনো এটা ঘটনাক কম পৰিসৰতে নিটোলভাৱে ইন্দ্ৰিয়গ্ৰাহ্যকৈ প্ৰকাশ কৰিব পৰাটো অথচ পৰিণতিৰ প্ৰতিও পাঠকৰ নিৰৱচ্ছিন্ন উৎকণ্ঠাৰ উদ্ৰেক কৰিব পৰাটো সাৰ্থক চুটি গল্পৰ বিশেষত্ব। তদুপৰি ঘটনাৰ পৰিণতিৰ ফালে আগুৱাই নিওঁতে সংঘাতৰ ফলত সৃষ্টি হোৱা অন্তৰ্দ্বন্দ বা বহিৰ্দ্বন্দ স্ফুৰণক প্ৰকৃত ৰূপত ৰূপায়িত কৰিব পৰাটোৰ ওপৰতো চুটিগল্পৰ সাৰ্থকতা নিৰ্ভৰ কৰে। ড° মহেন্দ্ৰ বৰাৰ ভাষাত - 'বিন্দুৰ বুকুত সিন্ধুৰ আভাস দিব পৰাটোৱে চুটিগল্পৰ চৰম সাৰ্থকতা।'

লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা চুটিগল্পৰ আন এটা লক্ষণ।

উদ্দেশ্য, লক্ষ্য, কৰ্ম আৰু প্ৰতীতি সকলোৰে ঐক্য সাধনৰ ওপৰতহে সাৰ্থক চুটিগল্প নিৰ্ভৰশীল। গতিকে লক্ষ্য আৰু একত্বত মিলিত হ'বৰ বাবেই গল্পৰ গতি ধাৱমান হ'ব লাগিব। তাকে কৰিবলৈ যাওঁতে ভাষা কিদৰে সংযত, পৰিমাৰ্জিত আৰু ভাবোদ্দীপক হ'ব লাগে, সেইদৰে কাহিনী বিন্যাস, চৰিত্ৰ চিত্ৰণ আৰু পাৰিপাৰ্শ্বিকতাৰ বৰ্ণনা আদিৰ ক্ষেত্ৰতো যাত্ৰা চেতনাৰ প্ৰতি সজাগ দৃষ্টি ৰখাটো লেখকৰ কৰ্তব্য। এটা চুটিগল্পৰ বিষয়বস্তুও এটাহে হ'ব লাগিব আৰু তাকে উপস্থাপন কৰিবলৈ যাওঁতে পৰিসৰ সীমাবদ্ধ হ'ব লাগিব। আনহাতে, তাৰ গতি আৰু পৰিণতিয়ে পাঠকৰ মন মন্দিৰত অনাবিল অনুৰননৰ সৃষ্টি কৰিব পাৰিব লাগিব। চুটি গল্পৰ গতি খৰ আৰু চঞ্চল অথচ ব্যঞ্জনাময় হোৱা উচিত।

চুটিগল্প ঘটনা প্ৰধান, চৰিত্ৰ প্ৰধান বা পৰিৱেশ প্ৰধান হ'ব পাৰে। একেটা গল্পতে এই তিনিওটা লক্ষণ সংমিশ্ৰিত হৈও থাকিব পাৰে। কম সময়তে আৰু কম আয়াসতে মনোৰঞ্জন সৃষ্টি কৰিব পৰাটোও চুটিগল্পৰ আন এটা লক্ষণ।

চুটিগল্পৰ বিষয়বস্তু সসীম নহয়, অসীম। জীৱন প্ৰৱাহত অনুভূত হোৱা কোনো এটা স্মৰণীয় অভিজ্ঞতা, অভিব্যক্তি, পৰিস্থিতি বা ঘটনা, চৰিত্ৰৰ একেটা দিশ, একোটা

অৰ্থব্যঞ্জক দৃশ্য, জীৱনৰ একোটা ফাল, সংঘাতময় একোটা ক্ষণিক ঘটনা, একোটা নৈতিক প্ৰশ্ন আদি সকলোকে সামৰি লয় চুটিগল্পৰ বিষয়বস্তুৱে। পটভূমি, বিষয়বস্তু, চৰিত্ৰ, সংলাপ আৰু লিখকৰ দৃষ্টিভংগী এইবোৰেই চুটিগল্পৰ উপাদান। কিন্তু এই উপাদানবোৰে এটা বিন্দুক কেন্দ্ৰ কৰি, এটা ভাৱত আৰু এটা পৰিণতিৰ উদ্দেশ্যেৰেই পৰিভ্ৰমণ কৰিব লাগিব। ড° মহেন্দ্ৰ বৰাৰ ভাষাত 'চুটিগল্পৰ পখিলাটো এটা মাত্ৰ ফুলতেই বহিব লাগিব। চুটিগল্পৰ আনন্দ মাথোন একেটি ফুলৰ মধু গ্ৰহণৰেই শেষ।'

ঊনবিংশ শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ পৰাই চুটিগল্পৰ উদ্ভৱ হয়। ১৮১৯-১৮২০ চনত আমেৰিকাৰ ৱাচিংটন আৰভিংৰ গল্পৰ প্ৰকাশিত হয়। তেওঁৰ 'ৰিপ্ ভান উইংকল'ক আমেৰিকাৰ প্ৰথম চুটিগল্প বুলি অভিহিত কৰা হৈছে। কুৰি শতিকাৰ ফ্ৰান্সৰ মোপাঁচা আৰু ৰুছিয়াৰ এন্টন চেখভৰ হাতত চুটিগল্প সাহিত্য জগতৰ চমকপ্ৰদ সোণৰ সিংহাসনত অভিষিক্ত হৈ পাঠক সমাজৰ মনোৰাজ্যত সাৱলীল ভাৱানুভূতিৰ বিচিত্ৰ স্বপ্নালিৰ সৃষ্টি কৰে। আনহাতে, অসমত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সোণ-ৰূপৰ কাপৰ পৰা চুটিগল্পৰ সোণালী নিজৰাটো নিসৃত হয়। তাৰ পিছৰে পৰা নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শৰৎচন্দ্ৰ গোস্বামী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাস, মহীচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, ত্ৰৈলোক্যনাথ গোস্বামী, ৰাধিকা মোহন ভাগৱতী, ছৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, যোগেশ দাস, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰ নাথ শইকীয়া, মহিম বৰা, লক্ষ্মীনন্দন বৰা আদি প্ৰবীন কথা শিল্পীসকলৰ বিচিত্ৰৰঙী তুলিকাৰ পৰশত অসমীয়া চুটিগল্পই বিভিন্ন পৰীক্ষা নিৰীক্ষাৰ স্তৰ অতিক্ৰমি বৰ্তমানে ভাৰতীয় সাহিত্য জগতত এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। এচাম নতুন গল্পকাৰেও প্ৰতিশ্ৰুতিপূৰ্ণ পদক্ষেপ আগবঢ়াইছে।

এটোপাল চকুৰ পানীয়ে মহা সিন্ধুৰ বিস্তৃতিৰ প্ৰমাণ দাঙি ধৰিব নোৱাৰিব পাৰে, কিন্তু মহাসিন্ধুৰ স্থিতিৰ ইংগিত দিব পাৰে, জীৱন বৃত্তৰ বিশাল পৰিধিৰ দিগন্তত সঘনে উঠা-নমা কৰা প্ৰলয়ঙ্কৰী উৰ্মিমালাৰ প্ৰতিচ্ছবি জিলিকাই নুতুলিব পাৰে, কিন্তু সেই উৰ্মিৰ এটা ঢৌ সন্ধান দিব পাৰে। এয়াই চুটিগল্পৰ স্বৰূপ।

এই চুটিগল্প আধুনিক জগতৰ এক মনোৰম, মোহময় শিল্পকৃতি। এই শিল্পকৃতিয়ে প্ৰত্যেক দেশৰ, প্ৰত্যেক ভাষাক ঐশ্বৰ্যময় কৰি তুলিছে। চুটিগল্প অবিহনে সাহিত্য জগত পত্ৰ পুষ্পহীন বৃক্ষৰ মহাৰণত পৰিণত হ'ব। ❑❑❑

*(বিভিন্ন গ্ৰন্থ, আলোচনী আদিৰ সহায়ত এই নিবন্ধ যুগুত কৰা হৈছে।)*

# অনন্য ব্যক্তিত্বৰ অধিকাৰী লক্ষ্যধৰ চৌধুৰী

- যুগব্ৰতা চৌধুৰী -
*স্নাতক চতুৰ্থ ষান্মাসিক*

"আমি নৱ ভাৰতৰ
নতুন গজালি
নতুন উছাহ গাত
মৰমতে আমি সৰগ ৰচি
ফুলাম পাৰিজাত।"

ৰংমহল উত্তৰ গুৱাহাটীৰ এখন সৰু গাঁও। ওচৰেৰে বৈ গৈছে ফেনে ফোটোকাৰে শান্ত নকুল নন্দন মহাবাহু ব্ৰহ্মপুত্ৰ নদী। এই নদীটোৱে দুভাগ কৰিছে অসমৰ বৃহত্তম মহানগৰী গুৱাহাটীক - গুৱাহাটী আৰু উত্তৰ গুৱাহাটী। গুৱাহাটীৰ উত্তৰে উত্তৰ গুৱাহাটী চহৰ- এখন প্ৰাচীন ঐতিহ্যমণ্ডিত ঠাই। নানা অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষালয় আদিৰে সমৃদ্ধ উত্তৰ গুৱাহাটী আৰু ইয়াৰ প্ৰতিখন গাঁও-ভুই।

ৰংমহল এনেহেন সুপ্ৰসিদ্ধ বুৰঞ্জীয়ে পৰশা উত্তৰ গুৱাহাটীৰ অন্তৰ্গত এখন শুৱনি গাঁও। এই ৰংমহল গাঁওৰে চৌধুৰী পৰিয়ালত জন্ম ল'লে লক্ষ লক্ষ মানুহৰ হিয়াৰ আমঠু স্বৰূপ অসমৰ এগৰাকী কৃতী সন্তান লক্ষ্যধৰ চৌধুৰীয়ে। ১৯১৫ চনৰ দ্বীপান্বিতাৰ নিশা জন্ম হয় লক্ষ্যধৰ চৌধুৰীৰ। পিতৃ ভূধৰ চৌধুৰী আৰু মাতৃ উমা চৌধুৰী। লক্ষ্যধৰ চৌধুৰী আজি অসমৰ এগৰাকী অন্যতম শক্তিশালী গদ্যশিল্পী, সঁচা অভিনেতা, যশস্বী নাট্যকাৰ, মনোযোগী কথাছবি পৰিচালক, বিজ্ঞ ৰাজনীতিবিদ, ৰসিক বক্তা, বাগ্মি পুৰুষ, বয়সে হাৰ মনাব নোৱাৰা অক্লান্ত কৰ্মী, সাংস্কৃতিক জগতৰ অন্যতম তাৰকা হিচাপে পৰিচিত।

লক্ষ্যধৰ চৌধৰীয়ে ৰংমহল প্ৰাথমিক বিদ্যালয়ত শিক্ষাগুৰু দীননাথ শইকীয়াৰ অধীনত প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল। ১৯২৪ চনত লক্ষ্যধৰ চৌধুৰীদেৱে প্ৰাথমিক শিক্ষা সমাপ্ত কৰি হাইস্কুল পঢ়িবলৈ গুৱাহাটীলৈ যায়। ১৯২৫ চনত বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজিয়েট হাইস্কুলত নাম ভৰ্ত্তি কৰে। ১৯৩৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু উচ্চ শিক্ষা লাভ কৰিবলৈ অসমৰ সৰ্বপ্ৰথম মহাবিদ্যালয় গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰে। বিজ্ঞানৰ কঠিন বিষয়কে তেখেতে পঢ়িবৰ বাবে বাচি লৈছিল - গণিত, ৰসায়নবিদ্যা আৰু পদাৰ্থবিদ্যা যাক "ৰয়েল কম্বিনেচন" বুলি কোৱা হয়। এই আটাইকেইটি বিষয়তে সমানে ব্যুৎপত্তি প্ৰদৰ্শন কৰি তেখেতে ১৯৩৭ চনত স্নাতক মহলাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়।

কলেজীয়া শিক্ষা লাভৰ অন্তত চৌধুৰীদেৱে ১৯৩৯ চনত উত্তৰ গুৱাহাটীৰ আউনীআটি কমলদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। ১৯৪২ চনৰ ১১ আগষ্টত শিক্ষকতা ত্যাগ কৰি ভাৰত ত্যাগ আন্দোলনত চৌধুৰীদেৱে জপিয়াই পৰে। ইয়াৰ পাছত মাজতে গুৱাহাটীৰ হিন্দী হাইস্কুলত ছমাহমান অংকৰ শিক্ষক হিচাপে যোগদান কৰে। তেনেতে তেল শোধানাগাৰ আন্দোলন গঢ়ি উঠে আৰু তেৰো চাকৰি এৰি আন্দোলনৰ অংশীদাৰ হয়।

১৯৪৯ চনৰ ৯ মে' তাৰিখে চৌধুৰীদেৱৰ ডিব্ৰুগড়ৰ উষা চৌধুৰীৰ লগত বিবাহ সম্পন্ন হয়। পত্নী পানবজাৰৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী আছিল। তেওঁ ৰহা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰো প্ৰশিক্ষিকা আছিল। স্বামীৰ বহুখিনি কামত সহায় কৰি দি পত্নীয়ে চৌধুৰীদেৱৰ অন্তৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

প্ৰথম অৱস্থাত চৌধুৰীদেৱে কংগ্ৰেছৰ চাৰিঅনীয়া প্ৰাথমিক সদস্য আছিল। 'ভাৰত ত্যাগ' আন্দোলন গঢ়ি তোলা বাবে কোনো কংগ্ৰেছীকে তেতিয়াৰ বৃটিছ চৰকাৰে ভাল চকুৰে চোৱা নাছিল। স্বাধীনমনা উচ্চশিক্ষিত ব্যক্তি আৰু অৰ্হতা সম্পন্ন লোকক উপযুক্ত হলেও কোনো চৰকাৰী চাকৰিত

মকৰল নকৰিছিল। চৌধুৰীদেৱো বৃটিছৰ এই কুটিল ৰাজনীতিৰ বলি হ'ব লগা হৈছিল।

তেতিয়া বৃটিছ চৰকাৰৰ বিৰুদ্ধে অনুষ্ঠিত হোৱা জাতীয় মুক্তি সংগ্ৰামত শিক্ষক-বনুৱা, হালোৱা-হজুৱা আদি কৰি সকলোৱে দেহেকেহে খাটিছিল। লক্ষ্যধৰ চৌধুৰীও তাৰ ব্যতিক্ৰম নাছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত তেৰো জাতীয় সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছ, ছচিয়েলিষ্ট আৰু অন্যান্য দল তথা জনসাধাৰণৰ সহযোগত আন্দোলন চলাই সফল হোৱাৰ পিছত ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰে। দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছ, ছচিয়েলিষ্ট আদি দলবোৰ পৃথক পৃথক শিবিৰত ভাগ হয়। তেতিয়া চৌধুৰীদেৱেও সমাজবাদী দলত যোগ দিয়ে।

দেশ স্বাধীন হোৱাৰ পিছত ১৯৫২ চনত তেখেতে গুৱাহাটীৰ লোকসভাৰ আসনৰ বাবে নিৰ্বাচনত প্ৰাৰ্থীৰূপে থিয় দিলে। কিন্তু তেওঁ জয়ী হ'ব নোৱাৰিলে। তাৰ পিছত ১৯৫৭ চনত আৰু ১৯৭২ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা বিধায়ক পদৰ বাবে তেখেতে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও পৰাজয় বৰণ কৰিবলগীয়া হৈছিল। কিন্তু মাজতে ১৯৬৭ চনত তেখেতে সেই সমষ্টিৰ পৰাই অসম বিধান সভালৈ বিধায়কৰূপে নিৰ্বাচিত হৈছিল। ১৯৭৭ চনত আন কেইটামান দলৰ লগত সমাজবাদী দলো মিলিত হৈ জনতা দল গঠন কৰাত চৌধুৰীদেৱো জনতা দলৰ সদস্য হয়। এনেদৰে সক্ৰিয় ৰাজনীতিৰ সৈতে লাগি থাকি ১৯৭৮ চনত তেখেত জালুকবাৰী বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ জনতা দলৰ প্ৰাৰ্থীৰূপে জয়ী হয়। জনতা চৰকাৰৰ দিনত তেখেত শিক্ষা দপ্তৰৰ কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰীৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। তেখেত অসমৰ ৰাজনৈতিক জগতৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল।

সৰুৰে পৰা খেলা-ধূলা, গীত-নাট, অভিনয় আদি ভালপোৱা চৌধুৰীদেৱ সকলো সামাজিক কামতে আগৰণুৱা আছিল। অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাজহুৱা সংঘ, সংগঠন আদিৰ লগতো চৌধুৰীদেৱৰ আছিল নিবিড় সম্পৰ্ক। সমাজৰ প্ৰতি তেখেতৰ এটা আত্মিক তান আছিল বাবেই হয়তো তেখেত ১৯৬৪ চনত গুৱাহাটী মহানগৰীৰ পৌৰসভাৰ সভাপতিৰ আসন অলংকৃত কৰিবলৈ সক্ষম হৈছিল। তেখেতেই গুৱাহাটী পৌৰ সভাৰ প্ৰথম অ-কংগ্ৰেছী পৌৰপতি। ১৯৭৫ চনত চৌধুৰীদেৱ আকৌ গুৱাহাটী পৌৰনিগমৰ মেয়ৰ নিৰ্বাচিত হয়। গুৱাহাটীস্থ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ সৈতে তেখেত সৰুৰে পৰা অন্তৰংগভাৱে জড়িত হৈ আছিল। তেখেত কামৰূপ নাট্য সমিতিৰ সম্পাদক আৰু পিছলৈ সভাপতিৰো কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ ভালেমান সাহিত্য-সাংস্কৃতিক অনুষ্ঠানৰ লগত চৌধুৰীদেৱ জড়িত হৈ পৰিছিল।

লক্ষ্যধৰ চৌধুৰীদেৱে চতুৰ্থ শ্ৰেণীত থাকোতেই 'পখিলা' নামৰ এটি কবিতা লিখে। ষষ্ঠ শ্ৰেণীত আকৌ তেখেতে 'বিচাৰি নাপালো কি' নামৰ এটি কবিতা লিখে। এই কবিতাটো তেখেতে সপ্তম শ্ৰেণীত পঢ়া সময়ত 'অসম ছাত্ৰ সন্মিলন'ৰ মুখপত্ৰ 'মিলন'ত প্ৰকাশ পায়। নৱম শ্ৰেণীত থাকোতেই তেওঁ ১৯৩২ চনত 'একলব্য' নামৰ এখন নাটক লিখি উলিয়ায়। এতিয়ালৈকে চৌধুৰীদেৱৰ পুথি আকাৰে প্ৰকাশ হৈ ওলোৱা আনবোৰ নাটক হ'ল - 'আলিবাবা', 'ওমলা ঘৰ' (১৯৫২), 'নিমিলা অংক' (১৯৬৫), 'ৰক্ষকুমাৰ', 'ঠিকনা' আদি। পৌৰাণিক নাটক হিচাপে 'একলব্য' আৰু 'ৰক্ষকুমাৰ' মঞ্চ সফল নাট হিচাপে পৰিগণিত হৈছে। সামাজিক নাটক হিচাপে 'নিমিলা অংক'য়ো ৰাইজৰ পৰা যথেষ্ট সমাদৰ পাইছে। তেখেত নিজেই এজন সুদক্ষ অভিনেতা আৰু শিল্প চেতনা থকা ব্যক্তি হোৱা বাবে তেখেতে ৰচনা কৰা নাটসমূহো নিখুঁত। তেখেতে কেইবাখনো অনাতাঁৰ নাটকো ৰচনা কৰিছে। 'মানুহ বিচাৰি', 'মইনামতী', 'ভিন্ন জন ভিন্ন মন', 'অভিনেতা জীৱনৰ কাহিনী' আদি চৌধুৰীদেৱৰ ৰচিত অন্য পুথি। লক্ষ্যধৰ চৌধুৰীৰ নিভাঁজ দক্ষতাপূৰ্ণ গদ্য শৈলী অনুকৰণীয়। তেখেতৰ গদ্য ৰচনাৰ বিশেষ আকৰ্ষণ হ'ল - বাস্তৱধৰ্মিতা। দৈনন্দিন জীৱনত ঘটি থকা, দেখা শুনা বা লগ পোৱা মানুহৰ কাহিনীকে কেন্দ্ৰ কৰি তেখেতে ৰসোত্তীৰ্ণ সাহিত্য সৃষ্টি কৰিব পাৰে। তেখেতৰ ৰচনাত সৰুবৰ সকলো মানুহৰ চৰিত্ৰই জীৱন্ত হৈ উঠে। এইবোৰে হাঁহি, কৌতুক বা আনন্দ দিয়াৰ উপৰিও মানুহৰ হৃদয়তো গভীৰ সাঁচ বহুৱাই থৈ যায়। এনেবোৰ গুণৰ বাবেই তেখেতৰ 'মানুহ বিচাৰি' নামৰ পুথিখনে ১৯৮৯ চনত ভাৰতীয় ভাষা পৰিষদৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ 'অন্নপ্ৰাশন' এখন জনপ্ৰিয় অনাতাঁৰ নাট। তেখেতে লিখা কবিতাৰ কোনো পুথি এতিয়ালৈকে প্ৰকাশ হৈ ওলোৱা

নাই। কলেজীয়া জীৱনত তেখেতে আঢ়ৈ কুৰিমান কবিতা অৱশ্যে লিখিছিল। তেখেতৰ ৰচিত আৰু আজিও তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্য তালিকাভুক্ত হৈ থকা 'মোৰ লক্ষ্য' শিশু-চেমনীয়াৰ এক অনুপম কবিতা। অসম তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামী, বীৰ-বীৰাংগনা সকলক সুঁৱৰি, তেওঁলোকৰ কৰ্ম আৰু আদৰ্শৰ প্ৰতি কাণসাৰ দিয়াৰ প্ৰস্তুতিৰে ৰচিত এই কবিতাটি এক অনন্য সাধাৰণ কবিতা। তেখেতৰ 'ভগৱান শ্ৰীকৃষ্ণ' এখন মঞ্চ সফল নাট। ১৯৯২ চনত তেখেতে অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭৯ চনৰ অসম সাহিত্য সভাৰ শুৱালকুছি অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাৰে, ১৯৮৪ চনত বিহপুৰীয়াত বহা অসম সাহিত্য সভাৰ সাংস্কৃতিক সভাপতি হিচাপে, ১৯৮৮ চনৰ পৰা দুবছৰৰ বাবে অসম নাট্য সম্মিলনৰ সভাপতি হিচাপে আগবঢ়োৱা তেখেতৰ অৰিহণা পাহৰিব নোৱাৰি।

চৌধুৰীদেৱে সৰুতে ৰংমহল গাঁওত পোৱা নাট্যানুষ্ঠান দুটাই তেখেতৰ অভিনয়ৰ প্ৰতি ধাউতি জগাই তোলে। এটাত সাধাৰণতে যাত্ৰা গান হৈছিল আৰু আনটোত মঞ্চাভিনয় হৈছিল। সৰুৰে পৰা তেখেতে এনেবোৰ অভিনয় ভাল পাইছিল আৰু মাকহঁতৰ লগত গৈ অভিনয় উপভোগ কৰিছিল। দুয়োটা অনুষ্ঠানৰে অভিনয়ত কোনো শিশু চৰিত্ৰৰ ভাও থাকিলে সেয়া চৌধুৰীদেৱৰ ভাগত পৰিছিল। তেখেতে চাৰি বছৰ বয়সতে ভাওনাত শ্ৰীকৃষ্ণৰ ভাও লৈছিল। সেই ভাও লোৱা সময়ত তেখেতক সকলোৱে 'কৃষ্ণ বাপ' বুলি সাক্ষাৎ ভগৱান জ্ঞান কৰি সেৱা জনাইছিল। ৰংমহল আৰু শিলসাকোঁৰ লক্ষ্মীৰাম নাট্য মন্দিৰত তেওঁ অভিনয় কৰি প্ৰশংসা বুটলিছিল। চৌধুৰীদেৱৰ খুড়াক শশধৰ চৌধুৰী কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ এজন উদ্যোগী কৰ্মী আছিল। চৌধুৰীদেৱে গুৱাহাটীৰ লতাশিলত খুড়াকৰ লগত থাকি কটন কলেজিয়েট হাইস্কুলত পঢ়িবলৈ লোৱাৰ পৰাই কুমাৰ ভাস্কৰ নাট্য মন্দিৰ আৰু কামৰূপ নাট্য সমিতিত হোৱা অভিনয় চোৱাৰ সুযোগ পায়। এনেদৰে অভিনয়ৰ প্ৰতি তেখেতৰ আগ্ৰহ বাঢ়ি যায়। হাইস্কুলত থাকোতে ১৯৩২ চনৰ ডিচেম্বৰ মাহত চৌধুৰীদেৱৰ ৰচিত নাট 'একলব্য' কুমাৰ ভাস্কৰ নাট্য মন্দিৰত একেৰাহে চাৰিদিন ধৰি অভিনীত হয়। চৌধুৰীদেৱে নিজে একলব্যৰ ভাও লৈছিল। স্বনামধন্য অভিনেতা আৰু নাট্যকাৰ, চৌধুৰীদেৱৰ শিক্ষাগুৰু-কামাখ্যা নাথ ঠাকুৰে তেখেতক নাট লিখা আৰু অভিনয় কৰাত অনুপ্ৰেৰণা যোগাইছিল। ১৯৪৭ চনলৈকে প্ৰায় সকলো অসমীয়া ছপা নাটকত তেখেতে অংশ গ্ৰহণ কৰিছিল। তেখেতৰ নিজৰ ভাষাতেই 'লক্ষ্মীনাথ বেজবৰুৱা', 'পদ্মনাথ গোঁহাই বৰুৱা', বেণুধৰ ৰাজখোৱা, নকুল ভূঞা, কমলানন্দ ভট্টাচাৰ্য, গণেশ গগৈ, অতুল চন্দ্ৰ হাজৰিকা আদিৰ সকলো ছপা নাটকত মই বিভিন্ন ভাওত অভিনয় কৰিছো।' চৌধুৰীদেৱে পাঁচশ-ছয়শ মান নাটকত অভিনয় কৰিছিল। ১৯২৬ চনত তেখেত নিম্ন শ্ৰেণীৰ ছাত্ৰ হৈ থাকোতে গুৱাহাটী অসম ছাত্ৰ সন্মিলনীৰ অধিৱেশন উপলক্ষে অভিনীত 'উমা' নামৰ নাটকত 'গোৱৰ্দ্ধন' নামৰ এটা চৰিত্ৰ ৰূপায়ন কৰিছিল। ডাঃ আনন্দেশ্বৰ বৰঠাকুৰৰ নাটক 'মাটিৰ মৰম' গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অভিনীত হওঁতে তেখেতে তাত ডাক্তৰৰ সফল অভিনয় কৰিছিল। নিজৰ নাটক 'ৰক্ষ কুমাৰ'ত তেখেতে অভিনয় কৰিছিল। ইয়াৰ উপৰিও তেখেতৰ নাট 'কংস বধ', 'জৰাসন্ধ বধ', 'কৰ্ণ বধ', 'ধৃতৰাষ্ট্ৰ', 'ৰুক্মিনী হৰণ' আদিতো তেখেতে অভিনয় কৰিছিল। জীৱনৰ বিয়লি বেলাত 'ঠিকনা' নাটকত তেওঁৰ নাতিৰে সৈতে কৰা অভিনয় তেওঁৰ জীৱনৰ উল্লেখযোগ্য কীৰ্ত্তি। তেখেত মঞ্চজগতৰ লগত যেনেদৰে জড়িত, অসমীয়া চলচিত্ৰ জগতৰ লগতো একান্তভাৱে জড়িত। তেখেতে ১৯৪৬ চনত প্ৰথমখন কথাছবি 'বদন বৰফুকন'ত অভিনয় কৰিছিল। ইয়াৰ উপৰি 'নিমিলা অংক', 'লাচিত বৰফুকন', 'ফিৰিঙতি' ইত্যাদি ছবিত অভিনয় কৰিছিল। এওঁ প্ৰায় কুৰিখন কথাছবিত অভিনয় কৰি কৃতিত্ব অৰ্জন কৰিছিল।

এনে এজন স্বনামধন্য ব্যক্তি ২০০০ চনৰ ১৮ আগষ্ট তাৰিখে ৮৫ বছৰ বয়সত ধমনীৰ ৰোগত আক্ৰান্ত হৈ এই পৃথিৱীৰ পাৰ চিৰবিদায় লয়। সদায় উদাৰমনা চৌধুৰীদেৱে সমাজৰ সংকীৰ্ণ ভেদভাৱ, অসূয়া-অপ্ৰীতি সমূলি ভাল নাপাইছিল। চিৰ-ৰঙিয়াল, প্ৰাণোচ্ছল, চিৰহাস্যময়, অত্যধিক মনোবল সম্পন্ন, ৰসাল, নিৰ্ভীক, মানৱ দৰদী এই ব্যক্তি গৰাকী প্ৰকৃততে কেৱল শিক্ষক, সাহিত্যিক, সাংস্কৃতিক জগতৰ কাণ্ডাৰী, অভিনেতা, চিত্ৰ পৰিচালক, ৰাজনীতিবিদ সমাজকৰ্মীয়েই নহয়, এখেত আছিল এক অনন্য সাধাৰণ প্ৰতিভাধৰ ব্যক্তি। এনে এজন প্ৰতিভাবান ব্যক্তি অসমৰ বুকুত সদায় অমৰ হৈ ৰব। □□□

# দৃষ্টিপাতঃ বিকালী মহাবিদ্যালয়ৰ ক্ৰীড়া

- বিপুল ৰাভা -
স্নাতক তৃতীয় ষান্মাষিক

প্ৰত্যেকজন ব্যক্তিয়ে এটা সুস্থ আৰু সবল শৰীৰৰ গৰাকী হ'বলৈ বিচাৰে। কিন্তু ই সহজ কাম নহয়। ইয়াৰ বাবে লাগে অসীম ধৈৰ্য আৰু নিয়মানুবৰ্তিতা। নিয়মিত খেল-ধেমালি, ব্যয়াম, শয়ন, ভাল খাদ্য গ্ৰহণ ইত্যাদিৰ জৰিয়তে সুস্থ আৰু সবল শৰীৰ গঢ়া সম্ভৱ হয়। যুৱকালটো মানুহৰ জীৱনৰ এটা অতি গুৰুত্বপূৰ্ণ অৱস্থা। এই কালত দেহত অধিক বল হয়। ঠিক সেই দৰে মনবোৰো চঞ্চল হয়। দেহ-মন সুন্দৰভাৱে পৰিচালনা কৰিবলৈ যুৱক-যুৱতীসকলৰ পক্ষে শৰীৰ চৰ্চা অপৰিহাৰ্য। ই তেওঁলোকৰ চৰিত্ৰ গঠনত সহায় কৰে। ইয়াৰ দ্বাৰা ইন্দ্ৰিয়বোৰ বশ হৈ মানুহক আত্মসংযমী হোৱাত সহায় কৰে।

বিকালী মহাবিদ্যালয়ত বৰ্তমান শৰীৰ চৰ্চাৰ সামগ্ৰী মজুত নাই। যাৰ ফলত বিকালী মহাবিদ্যালয়ৰছাত্ৰ-ছাত্ৰীসকলে ব্যায়াম যোগে শৰীৰ চৰ্চাৰ সুবিধাৰ পৰা বঞ্চিত। যাৰফলত ছাত্ৰ-ছাত্ৰীয়ে এনে অসুবিধাৰ বাবে বিশেষকৈ দেহ প্ৰদশন, ভাৰোত্তোলন, পাঞ্জাখেল আদি নানান প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰে।

ফুটবলৰ ক্ষেত্ৰত বিকালী মহাবিদ্যালয়ৰ খেলুৱৈসকলৰ যথেষ্ট সুনাম আছে। বিকালী ক্ৰীয়া সস্থাৰ দ্বাৰা আয়োজিত আন্তঃ বিকালী ক- আউট প্ৰতিয়োগিতাত একেৰাহে ২০১১, ১২, ১৩ ইং বৰ্ষত তিনি বছৰকৈ প্ৰথম পুৰস্কাৰ ৰাখিবলৈ সক্ষম হয়। ২০১৪ ইং বৰ্ষত পৰাজিত হয়। কাৰণ ফুটবলৰ ক্ষেত্ৰত এখন ভাল খেলপথাৰৰ অভাৱ আমাৰ ছাত্ৰসকলৰ ক্ৰীয়া অনুশীলনত ব্যাঘাট জন্মাইছে, ফলত লীগ অংশগ্ৰহণত যতি পৰিছিল যদিও এইবাৰ গুৰু খেল বিভাগৰ উপদেষ্টা ড আব্দুল হক আহমেদ ছাৰৰ লগতে সাধাৰণ সম্পাদক আৰু গুৰু খেল সম্পাদক বিপুল ৰাভাৰ দৃঢ় চেষ্টাৰ ফলত এইবাৰ বকো, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সোনালী জয়ন্তী বৰ্ষত আয়োজিত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হয়। এটা ট্ৰফীৰ লগতে ২০,০০০ টকা প্ৰাইজমানি আছিল। বিশেষকৈ সাংগঠনিক দিশ, জাৰ্চি, আৰ্থিক খৰচ, ফুটবল আদিৰ ক্ষেত্ৰত অধ্যক্ষা মহোদয়াৰ লগতে উপদেষ্টা মহোদয়ৰ উৎসাহ প্ৰেৰণাই খেলুৱৈ তথা মোক যথেষ্ট উৎসাহ যোগাইছিল যাৰ ফলত আমাৰ ফুটবল দলটিয়ে লীগৰ গ্ৰুপত শ্ৰেষ্ঠ হৈ ফাইনেল খেলি বিজিতৰ সন্মান মহাবিদ্যালয়লৈ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আমাৰ বিপৰীতে খেলিছিল ৰাধাগোবিন্দ মহাবিদ্যালয়, গুৱাহাটীয়ে। এই প্ৰসংগতে উল্লেখ কৰিছোঁ, আমাৰ বিকালী মহাবিদ্যালয়ৰ খেল পথাৰখন উন্নয়ন নকৰাৰ কথা। আধা অংশই জংঘলেৰে আবৰা। মোৰ এইখন মহাবিদ্যায়ত অধ্যয়ন কৰা চাৰি বছৰ হ'ল, কোনোধৰণৰ উন্নয়ন দেখা নাই।

ভলীবলৰ ক্ষেত্ৰতো বিকালী মহাবিদ্যালয়ৰ বিশেষ সুনাম আছে। ২০১১-১২ ইং চনৰ সময়ত ভাৰতীয় সেনাবাহিনীৰ লগত প্ৰীতি মেচ খেলি সেনাবাহিনীৰ মেজৰে ছাত্ৰ-ছাত্ৰীৰ খেল দেখি বিশেষ প্ৰসংশা কৰিছিল আৰু নিজকে অভ্যাসৰত কৰি ৰাখিবলৈ কৈছিল। বোধ হয় আমাৰ মহাবিদ্যালয়ত প্ৰতিভা সম্পন্ন খেলুৱৈৰ সংখ্যা অন্য কলেজতকৈ কম নহ'ব।

বৰ্তমান বিকালী মহাবিদ্যালয়ত নানান খেল সমূহৰ সামগ্ৰী মজুত নাই বুলিয়ে ক'ব পাৰি। বিশেষকৈ টেবুল টেনিছ, ক্ৰিকেট, ভাৰোত্তোলন, ডিছ্কাছ থ্ৰো, জেভ্‌লিন থ্ৰো, বেটমিন্টন ইত্যাদি। আনহাতে একমাত্ৰ প্ৰতিভাৰ জোৰেৰে আজিৰ যুগত অতি উন্নত ক্ৰীয়াবিদ হ'ব নোৱাৰি। আত্যাধুনিক যুগত ক্ৰীয়া অনুশীলনৰ পদ্ধতিও হৈ পৰিছে অতি উন্নত। সাজ-সৰঞ্জামবোৰ হৈ পৰিছে অতি উন্নত মানৰ। আমাৰ উঠি অহা চাম খেলুৱৈক এই সুবিধাবোৰ দিব নোৱাৰিলে কেতিয়াও এজন উন্নত মানৰ খেলুৱৈ হ'ব নোৱাৰিব। অৱশ্যে এতিয়া ঘৰৰ ভিতৰৰ খেলৰ ........ পেক্ষাগৃহ বনোৱা হৈ আছে। কিন্তু কেতিয়া হৈ উঠিব সেয়া লক্ষণীয় হ'ব।

সদৌ শেষত বিকালী মহাবিদ্যালয়ৰ প্ৰবীন খেলুৱৈ সকলে দেখুৱাই দিয়া বাটেৰে নবীনচামে আগবাঢ়ি যাব বুলি আশা কৰিলো। খেলা-ধুলাৰ মাজেদিয়ে আমাৰ খেলুৱৈসকলে নিজৰ উপকাৰ সধাৰ উপৰিও দললৈ আৰু দেশলৈ অৰিহণা আগবঢ়ায়। □□□

# সুন্দৰৰ সাধনাই যাৰ লক্ষ্য ঃ কীট্‌চ - মোৰ প্ৰিয় কবি

- চন্দ্ৰিকা শৰ্মা -
*প্ৰাক্তন ছাত্ৰী*

ৰোমান্টিক কবি সকলৰ মাজৰ কনিষ্ঠতম কবি জন আছিল জ'ন কীট্‌চ। অতি সৰুৰ পৰা আৰু অত্যন্ত সংক্ষিপ্ত মুহূৰ্ত্তলৈ মাথো তেওঁ কবিতা ৰচনা কৰিব পাৰিছিল। জীৱনৰ পঁচিশটা বছৰ মাথো সুন্দৰৰ সাধনাত ব্ৰতী হৈ বিদায় লৈছিল এই পৃথিৱীৰ পৰা। কীট্‌চে তেওঁৰ গোটেই জীৱন জুৰি স্বৰাটৰ ৰূপত প্ৰকাশ পোৱা সৌন্দৰ্য্যৰ বুকুতেই বিশ্বৰ বিৰাট সৌন্দৰ্য্যৰ গোপন ভাণ্ডাৰৰ অন্বেষন কৰিছিল। নীল আকাশৰ অচঞ্চল উজ্বল নক্ষত্ৰত, গভীৰ ৰাতি ফুলা শুভ্ৰ সুবাসিত ফুল পাহত মেঘৰ আঁৰে আঁৰে মত্ত মদিৰ সুৰেৰে বিনাই যোৱা নাইটিংগেলৰ কণ্ঠত তেওঁ যি সৌন্দৰ্য্যৰ সন্ধান কৰিছিল সেয়া আছিল তেওঁৰ হৃদয়ৰ ভূমাস্পৃহাৰে অভিব্যক্তি। জগতৰ প্ৰতিটো বস্তুৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী আছিল সম্পুৰ্ণৰূপে নৈৰ্ব্যক্তিক। তেওঁ যদিও আবিস্কাৰ কৰিছিল বিশ্বৰ বিমূৰ্ত্ত সৌন্দৰ্য্য সত্যৰে নামান্তৰ মাথো অথচ তেওঁৰ কবিতাৰ ছবি আৰু গানৰ যুগল বন্দীত যি সুন্দৰৰ বিধৃত হৈছে, সেয়া মুঠেই দেহাতীত নহয়। কবিৰ কাৰণে সুন্দৰ আৰু সত্য একেটি অভিন্ন ৰূপ। কোনো এটি মুহূৰ্ত্তত দিব্যোন্মাদনাত সমস্ত তীব্ৰতাৰে কবিয়ে তেওঁৰ শিল্প জগতৰ চূড়ান্ত সূত্ৰটো এইদৰে নিৰূপন কৰি পেলাইছে -

Beauty is truth, truth beauty, that is all
Ye know earth, and all ye need to know.

সুন্দৰৰ দুটা ৰূপ নহয় নাইবা ই যুগ্ম ৰূপো নহয়; ই এক তুলনা বিহীন অভিন্ন ৰূপ।

কীট্‌চ আছিল অতীতৰ কবি। প্ৰাচীন গ্ৰীচৰ কবি মানসত বিধৃত অজস্ৰ দেৱ-দেৱী সমূহক কবিয়ে যেন জীৱন্ত শৰীৰী প্ৰাণী হিচাপে চকুৰ আগত দেখা পাইছিল। কীট্‌চৰ কবিতাৰ জগতখন কেৱল মনোহাৰী কল্পনাৰ জগত নাছিল। তেওঁৰ কবিতাত প্ৰকাশ পাইছিল নৰ-নাৰীৰ হৃদয়ৰ ব্যাকুলতা, প্ৰেমৰ স্নিগ্ধতা আৰু বিৰহৰ যন্ত্ৰণাৰ এক বাস্তব অভিজ্ঞতা। তেওঁৰ কবি জীৱনৰ পাতনি মেল খাইছিল, এই দুয়োবিধ অতীত প্ৰীতিৰ নিদৰ্শন থকা এমুঠি দীঘল কবিতাত। কীট্‌চৰ জীৱনৰ দীঘলীয়া কবিতাটো হ'ল 'এণ্ডিমিয়ন'। এণ্ডিমিয়ন কবিতাটো তেওঁ গ্ৰীক কিংবদন্তীৰ এক ৰোমান্টিক ৰীতিৰে পৰিবেশন কৰিছিল। এই কবিতাটিৰ আধাৰত প্ৰকাশ পাইছিল, কবি আত্মাৰ কল্পনা সৌন্দৰ্য্যই নিৰ্মল বিশুদ্ধ ভাবনাক মাজে মাজে নিমন্ত্ৰণ কৰি অনা এষাৰ তাৎপৰ্য্যপূৰ্ণ কথা। এই কবিতাটি তেওঁৰ কবি জীৱনৰ দুৰ্মৰ প্ৰত্যয়ৰ কথাসাৰ এটি অমৰ চৰণত ব্যক্ত কৰিছে -

A thing of beauty is a joy for ever.

এণ্ডিমিয়ন কবিতাটোৰ অন্তৰালৰ কিছুভাৱে ৰূপকৰ আধাৰত প্ৰকাশ পাইছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে কবিতাটিত মাজে মাজে ৰূপকৰ স্বচ্ছতা হেৰাই গৈছে যদিও ই বহুতো মনোৰম চৰণেৰে উপচি আছে। ইয়াৰ পিছত কবিয়ে অন্য এটা দীঘলীয়া কবিতা 'হাইপেৰিয়ন' ৰচনা কৰি উলিয়াই। হাইপেৰিয়ন যদিও দীঘলীয়া হ'ল তথাপি অসম্পূৰ্ণ হৈয়েই ৰ'ল। তেওঁৰ জীৱনৰ সংক্ষিপ্ত সময়চোৱাত ই সম্পূৰ্ণতা লাভ কৰিবলৈ সক্ষম নহ'ল। কীট্‌চৰ চিৰ অমৰ কবিতাটো হৈছে 'ঈভ অৱ চেন্টএগনেচ'। যিটো কবিতাই নেকি কলৰিজৰ 'ক্লিষ্টাবেল'ৰ লগত সমানে ফেৰমাৰিব পৰা আছিল। মধ্য যুগৰ এক বৰ্ণাঢ্য বিবৰণ 'ক্লিষ্টাবেল' নামৰ কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে। কবিতাটিৰ দৃশ্যপদ, ঋতুৰ বৈশিষ্ট্য আৰু কল্পনা পৰিমণ্ডল গোটেই খিনি কীট্‌চৰ নিজস্ব সৃষ্টি। মধ্যযুগ প্ৰীতিৰ কথা বাদ দিও কবিতাটো নিজস্ব সৌন্দৰ্য্যৰে অভিষিক্ত হৈ আছে। কবিতাটিৰ মাজেৰে অপ্ৰকৃতি বাদৰ ৰিণিকি ৰিণিকি আভাষ পৰিলক্ষিত হয়। 'লামিয়া' আৰু 'ইছাবেলা' কীট্‌চৰ দুটা উল্লেখযোগ্য কবিতা। এই দুইটা কবিতা গ্ৰেচীয় অতিকথাৰ

পৰা সংগৃহীত অপ্রকৃতি বিষয় বস্তুৰ ওপৰত প্রতিষ্ঠিত।

কীট্‌চৰ জীৱন জিজ্ঞাসাৰ গভীৰতা আৰু শিল্প সৌন্দৰ্য্যৰ উৎকৃষ্টতাৰ মধুৰতম সমন্বয় ঘটিছে, তেওঁৰ ৰচিত পাঁচটা শ্রেষ্ঠ প্রশস্তিমূলক কবিতাত। এই কবিতা কেইটা হৈছে - 'অ'ড টু ছাইকী', 'অ'ড টু এ নাইটিংগেল', 'অ'ড অন এ গ্রেচিয়ান আৰ্ন', 'অ'ড টু অটাম' আৰু 'অ'ড অন মেলাংকলি'। কীট্‌চে **১৮১৯** চনৰ ফেব্রুৱাৰী মাহৰ পৰা এপ্রিলৰ প্রথম পষেকৰ ভিতৰত এই কবিতা কেইটা ৰচনা কৰিছিল। এই পাঁচটা কবিতাৰ ভিতৰত উচ্চ আসন লাভ কৰিবলৈ সক্ষম হোৱা কবিতা দুটা হ'ল - 'অ'ড টু আটম' আৰু 'অ'ড অন গ্রেচিয়ান আৰ্ন'। এই কেইটাৰ ভিতৰত আটাইতকৈ উদ্দীপ্ত, উচ্ছলিত আৰু সংগীতময় কবিতাটো হ'ল 'অ'ড টু এ নাইটিংগেল'। এই গভীৰ জীৱন জিজ্ঞাসা মূলক কবিতা কেইটাৰ অন্তৰালত আছে কীট্‌চৰ জীৱনত লাভ কৰা কেইবাটাও বিষাদময় অভিজ্ঞতা। কীট্‌চে ফেনী ব্রাউন নামৰ এগৰাকী সোণালী চুলিৰ ৰূপহীৰ প্রতি গভীৰ ভাৱে আকৰ্ষিত হৈছিল। ফেনী ব্রাউনৰ প্রতি থকা এই গভীৰ আকৰ্ষণে কবিক আঁতৰাই লৈ গ'ল বহু আঁতৰলৈ। কবিৰ বিষাদময় হৃদয়ৰ অব্যক্ত কথাখিনি তেওঁৰ মাজতে চিৰদিনলৈ ৰৈ গ'ল। এক সংক্রামক ব্যাধিয়ে কবিৰ অন্তৰখন তিল তিলকৈ কুটি খাবলৈ আৰম্ভ কৰিলে। জীৱনৰ গভীৰ হতাশাত সকলোৰে অভিজ্ঞতাৰেই ঘণীভূত প্রকাশ এটা ধ্বনিত হ'ল 'অ'ডটু নাইটিংগেল' কবিতাটোত।

"Where youth grows pale, and spectre-thin and dies;
Where but to think is to be full of sorrows
And leaden-eyed des-pairs;
Where beauty cannot keep her lustrous eyed,
Or new love pine at them beyond tomorrow."

'অ'ড টু এ নাইটিংগেল' কবিতাটো আৰম্ভ হৈছে তেওঁৰ অৱসন্ন জড়তাৰ মাজত হঠাৎ শুনিবলৈ পোৱা এক নাইটিংগেল পখীৰ আনন্দময় কল্লোলিত কুজনেৰে। নাইটিংগেলৰ আনন্দৰ কলগালে কবিক বিষাদময় বাস্তৱ জগতৰ পৰা বহু নিলগৰ এক ৰোমান্টিক কল্পনা লোকলৈ উৰুৱাই লৈ গৈছিল। কবিৰ চকুত ভাহি উঠিছিল এখন মায়াময় জগত য'ত গীতৰ আনন্দত আত্মহাৰা নাইটিংগেল পখীটোৱে চিৰকাল ধৰি বিচৰণ কৰি ফুৰিছে।

কীট্‌চক বহুতে পলায়নবাদী কবি বুলি সমালোচনা কৰে। তেওঁৰ কবিতাত বৰ্তমানৰ আকৰ্ষণ নাই, মানুহৰ ৰাজনৈতিক চিন্তাধাৰাৰ আকৰ্ষণ নাই, মানৱ জাতিৰ ভবিষ্যতৰ কথা নাই, স্বাধীনতাৰ সমতা আৰু ভ্রাতৃত্বৰ কথা নাই, আছে কেৱল প্রকৃতিৰ বিশাল সৌন্দৰ্য্যৰ কথা। অতীতৰ ৰূপ কথাৰে ভাৰাক্রান্ত তেওঁৰ কবিতাবোৰ। তেওঁ কল্পনা কৰিছিল যে দুখ বেদনাৰ মাজত মানুহৰ মঙ্গল সাধিত হওক। এই সত্য আৰু সৌন্দৰ্য্যই মানুহক হতাশাৰ পৰা উদ্ধাৰ কৰি শান্তনাৰ বাণী শুনাব। 'অ'ড অন গ্রেচিয়ান আৰ্ন' নামৰ কবিতাটিৰ জৰিয়তে তেওঁ এই কথা প্রকাশ কৰিছে -

When old age shall this generation waste,
Thou shalt remain in meads of other owe,
Than ours, a friend to man to whom thou sayst
Beauty is truth, truth beauty, that is all
Ye know on earth, and all ye need to know.

কীট্‌চে কবিতাৰ স্বাভাৱিক বিকাশো ফুলৰ লগতেই তুলনা কৰিছে। ফুল যেনেকৈ স্বাভাৱিকতে ফুলে ঠিক তেনেকৈ কবিতাও স্বাভাৱিকতে সৃষ্টি হয়। এই সম্পৰ্কত কীট্‌চৰ সিদ্ধান্ত স্বৰূপ 'কবিতা যদি গছৰ কুহিপাত মেলাৰ দৰে স্বাভাৱিকতে ওলাই নাহে তেনেহলে বৰং নোলোৱাটোহে বেচি ভাল' (If peotry comes not as naturally as the leaves to a tree, it had better not come at all) প্রকৃতিৰ সৌন্দৰ্য্যৰ প্রতি তেওঁৰ আকৰ্ষণ আছিল ভাৱবিহীন। এনেকুৱা এক ভাৱবিহীন সৌন্দৰ্য্যৰ আভাষ হ'ল 'আই ষ্টুড টিপ টপ আপন এ লিটল হিল' কবিতাটো। কীট্‌চে এষষ্টিটা চনেট লিখিছিল। ইয়াৰ ভিতৰত 'অন ফাৰ্ষ্ট লুকিং ইনটু চেপমেন হোমাৰ', 'ব্রাইটষ্টাৰ' আদি বিশেষ ভাৱে উল্লেখযোগ্য। ইংৰাজী কাব্য সাহিত্যৰ অদ্বিতীয় মালিতা 'লা বেল্যে ডেম চান্‌ছ মাৰ্চি' কীট্‌চৰ এক অভিনৱ সৃষ্টি।

কীট্‌চে কেতিয়াও তেওঁৰ সপোনবোৰক বাস্তৱ বুলি ভুল কৰা নাছিল আৰু এই সপোনবোৰৰ মাজত কেতিয়াও হেৰাই যোৱা নাছিল। তেওঁ বিশ্বাস কৰিছিল জীৱনৰ বেদনাময় অভিজ্ঞতাৰ অবিহনে কেৱল সপোনৰ সমাবেশেৰে কোনো মানুহেই কবি হ'ব নোৱাৰে। কীট্‌চৰ সৰ্বশ্ৰেষ্ঠ কৃতিত্ব এই খিনিতে যে তেওঁৰ কাব্যৰ বহুত স্মৰণীয় ব্যাকই তৰুণ-তৰুণীৰ সপোন অন্ধ চকুত কল্পনাৰ ইন্দ্ৰজাল ৰচনা কৰি থৈ যায়। সেই বাবেই চল্লিশোৰ্ধৰ বয়সৰ কোনো মানুহেই তেওঁৰ কবিতাৰ মোহত বন্দী হোৱাৰ প্ৰয়োজন অনুভৱ নকৰে। তথাপিও কীট্‌চৰ কবিতা চিৰ অমৰ হৈ ৰ'ল। কালজয়ী হৈ ৰ'ল তেওঁৰ সুন্দৰৰ সাধনা।

সৌন্দৰ্য্য পিয়াসী, প্ৰকৃত সুন্দৰৰ সাধক এইজন কবিৰ তিল তিলকৈ গ্ৰাহ কৰা যক্ষ্মা ৰোগে জীৱন বন্তি নুমুৱাই পেলালে মাথোন জীৱনৰ পচিশটা বছৰতে। ৰোমৰ বন্ধু চিত্ৰ শিল্পী চেভাৰ্নৰ ঘৰত বন্ধুৰ কোলাতে মুৰ থৈ ১৮২১ চনত ফেব্ৰুৱাৰীত অমৰ কবি কীট্‌চে চিৰজীৱনৰ কাৰণে চকু মুদিলে। কীট্‌চৰ মৃত্যুৰ লগে লগে ইংৰাজী কাব্য সাহিত্যৰ এটা উজ্বল নক্ষত্ৰ যেন চিৰদিনলৈ হেৰাই গ'ল। কীট্‌চ হেৰাই গ'ল আমাৰ মাজৰ পৰা কিন্তু তেওঁৰ কাব্য প্ৰতিভা বিশ্ব সাহিত্যত অমৰ হৈ ৰল। যেতিয়ালৈকে মানৱ জীৱন থাকিব তেতিয়ালৈকে কীট্‌চৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব। কীট্‌চ মোৰ চিৰনমস্য।

□□□

## মহৎ লোকৰ বাণী

- 'বেয়া কামৰ স্বীকাৰোক্তিয়েই হ'ল ভাল কামৰ আৰম্ভণী' - ছেইন্ট অগষ্টাইন
- 'অন্ধই যদি অন্ধক পথ দেখুৱায়, দুয়োজনে খালত পৰে।' - নিউ টেষ্টামেন্ট
- 'যি আনক নিয়ন্ত্ৰণ কৰে তেওঁ শক্তিশালী, যিয়ে নিজক নিয়ন্ত্ৰণ কৰিব পাৰে তেওঁ আৰু বেছি শক্তিশালী - লাওচু-
- 'জীৱনৰ কোনো কথাতে গৌৰৱ নকৰিবা, যদি তুমি সঁচাই উপযুক্ত, তেন্তে তোমাৰ জ্ঞান-বুদ্ধিমত্তাক লৈ সমাজেই গৌৰৱ কৰিব।'-ৰঘুনাথ চৌধাৰী-

*(সংগ্ৰাহক - অনামিকা ৰাভা, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, কলা শাখা)*